www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

প্ৰতিদিনে জীৱনটো উপভোগ কৰা, তেতিয়াহে ইয়াৰ আচল সোৱাদ পাবা। — মাৰ্গাৰেট বুনেন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ | সংখ্যা - ২২২ | শুকুৰবাৰ | ৩১ অক্টোবৰ, ২০২৫ চন | ১৩ কাতি, ১৯৪৭ শক | VOL - 6 | NO.- 222 | Friday | 31st October, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮

▪ চলচ্চিত্ৰ জগতত এক নতুন অধ্যায়ৰ সূচনাৰ আশংকা; ৰাজ্যজুৰি উৎসাহ ▪

# ইতিহাস ৰচি আজি ছবিগৃহলৈ 'ৰৈ ৰৈ বিনালে'

## উত্তৰ-পূৰ্বাঞ্চলৰ ৯১খন, সমগ্ৰ দেশৰ ৮৫খন স্ক্ৰীনত প্ৰদৰ্শিত হ'ব জুবিন গাৰ্গৰ সপোনৰ ছবিখন

**নিউজ ডেস্ক, অসম বাৰ্তা, ৩০ অক্টোবৰ ঃ** অসমৰ সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ তথা অভিনেতা জুবিন গাৰ্গৰ দীৰ্ঘদিনৰ সপোনৰ চলচ্চিত্ৰ 'ৰৈ ৰৈ বিনালে' অৱশেষত শুকুৰবাৰে মুক্তি লাভ কৰিবলৈ সাজু হৈছে। এইখন চলচ্চিত্ৰক জুবিনৰ অভিনয় জীৱনৰ অন্তিম কাম বুলি ধৰি লোৱা হৈছে, যাৰ বাবে সমগ্ৰ অসমৰ দৰ্শকসকলে অধীৰ আগ্ৰহেৰে বাট ৬ পৃষ্ঠাত



পৰিয়ালৰ ফটো ভাইৰেল কৰি অপপ্ৰচাৰৰ অভিযোগ, দিছপুৰ থানাত গোচৰ ৰুজু

## বিজেপিৰ চাৰি নেতাৰ বিৰুদ্ধে মানহানিৰ গোচৰ মানস ৰবীনৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, দিছপুৰ, ৩০ অক্টোবৰ ঃ** জনপ্ৰিয় অসমীয়া শিল্পী মানস ৰবীনে ভাৰতীয় জনতা পাৰ্টি (বিজেপি)ৰ চাৰিগৰাকী নেতাৰ বিৰুদ্ধে মানহানিৰ অভিযোগ তুলি দিছপুৰ থানাত এজাহাৰ দাখিল কৰিছে। পত্নী আৰু দুই সন্তানৰ সৈতে শিল্পীগৰাকীৰ ব্যক্তিগত ৬ পৃষ্ঠাত

## পুৱতি নিশাৰে পৰা হিলদল ভাঙি ওলাই আহিল দৰ্শক

**অসম বাৰ্তা, গুৱাহাটী, ৩০ অক্টোবৰ ঃ** আজিৰে পৰা আপোনাৰ কাষৰ ছবিগৃহলৈ গ'লেই লগ পাব প্ৰাণৰ শিল্পী জুবিন গাৰ্গক। প্ৰতিজন অসমীয়াৰ আশা, হেঁপাহ, বুকুৰ ধপধপনি আৰু অপেক্ষাৰ অন্ত পেলাই অৱশেষত প্ৰতিটো ছবিগৃহত শুভমুক্তি লাভ কৰিলে ৫ পৃষ্ঠাত

▪ ছেমি ফাইনেলত অষ্ট্ৰেলিয়াক ৫ উইকেটত পৰাস্ত ভাৰতৰ ▪

# ৭ বাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়াক পৰাস্ত কৰি মহিলা বিশ্বকাপ ক্ৰিকেটৰ ফাইনেললৈ ভাৰত



## জেমিমা ৰড্ৰিগেজৰ অপৰাজিত শতক

**ইন্টাৰনেছনেলৰ ডেস্ক, অসম বাৰ্তা, ৩০ অক্টোবৰ ঃ** মহিলা টি-২০ বিশ্বকাপৰ ছেমি-ফাইনেলত ছয়বাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়াক ৫ উইকেটৰ ব্যৱধানত পৰাভূত কৰি প্ৰথমবাৰৰ বাবে ফাইনেলত স্থান সুনিশ্চিত কৰিলে ভাৰতীয় মহিলা ক্ৰিকেট দলে। জেমিমা ৰড্ৰিগেজৰ ৬ পৃষ্ঠাত

ভোলাগুৰিত হ'ব দেশৰ আগশাৰীৰ আধুনিক শিক্ষানুষ্ঠান

# ৮ নৱেম্বৰত কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে স্থাপন কৰিব কনকলতা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা

**অসম বাৰ্তা, গুৱাহাটী, ৩০ অক্টোবৰ ঃ** অসমৰ ঐতিহ্যমণ্ডিত ভোলাগুৰি চাহবাগিছাৰ ৭৪০ বিঘা ভূমিত স্থাপিত হ'বলগীয়া কনকলতা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা আনুষ্ঠানিকভাৱে স্থাপন কৰিব কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে। আগন্তুক ৮ নৱেম্বৰত ৬ পৃষ্ঠাত

জুবিনক্ষেত্ৰক 'এক্সপেৰিয়েন্স চেণ্টাৰ'লৈ ৰূপান্তৰিত কৰাৰ পৰিকল্পনা

# ৯ ফুট উচ্চতাৰ জীয়া শিলেৰে মন'লিথ স্থাপনৰ কৰিব কাৰ্বি সমাজৰ

## জুবিন ক্ষেত্ৰ আৰু পাৰ্শ্বৱৰ্তী অঞ্চল পৰিদৰ্শন সমাধিক্ষেত্ৰ নিৰ্মাণ সমিতিৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৩০ অক্টোবৰ ঃ** জুবিন গাৰ্গৰ স্মৃতিৰক্ষাৰ্থে নিৰ্মিত 'জুবিনক্ষেত্ৰ'ক কেৱল সমাধিক্ষেত্ৰ হিচাপে নহয়, এটা সম্পূৰ্ণ 'এক্সপেৰিয়েন্স চেণ্টাৰ'লৈ ৰূপান্তৰিত কৰাৰ পৰিকল্পনাৰে আগবাঢ়িছে ৬ পৃষ্ঠাত

খৰ্গে পৰিয়ালক পবিত্ৰ মাৰ্ঘেৰিটাৰ তীব্ৰ সমালোচনা

## কংগ্ৰেছৰ অসম-বিৰোধী চৰিত্ৰ আৰু পৰিয়ালকেন্দ্ৰিক ৰাজনীতি

**নিউজ ডেস্ক, অসম বাৰ্তা, ৩০ অক্টোবৰ ঃ** অসমৰ ৰাজনৈতিক মহলত এখন নতুন বিতণ্ডা জন্ম লৈছে, য'ত কেন্দ্ৰীয় বিদেশ ৰাজ্যমন্ত্ৰী আৰু সংস্কৃতি ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ অধ্যক্ষ মল্লিকাৰ্জুন খৰ্গেৰ ৬ পৃষ্ঠাত



▪ নগাঁৱৰ বঢ়মপুৰত ভয়ংকৰ ঘটনা ▪

## নিৰ্মীয়মান শৌচাগাৰৰ টেংকিত পৰি ৰাজমিস্ত্ৰী, গৃহস্থৰ মৃত্যু



**অসম বাৰ্তা, বঢ়মপুৰ, ৩০ অক্টোবৰ ঃ** নগাঁও জিলাৰ বঢ়মপুৰৰ বৰটোপত আজি এক ভয়ংকৰ ঘটনা সংঘটিত হয়। নিৰ্মীয়মান শৌচাগাৰৰ টেংকিত পৰি ৬ পৃষ্ঠাত

▪ কথমপি ৰক্ষা পৰিল ডিগবৈ ৰিফাইনেৰীৰ অইল টাৰ্মিনেল ▪

# ডিগবৈ গোলাই অইল টাৰ্মিনেলত তেলভৰ্তি টেংকাৰত লাগিল জুই

**অসম বাৰ্তা, ডিগবৈ, ৩০ অক্টোবৰ ঃ** ডিগবৈৰ গোলাইস্থিত ডিগবৈ অইল ৰিফাইনেৰীৰ টাৰ্মিনেলত আজি বিয়লি ভাগত এক ভয়ংকৰ ঘটনা সংঘটিত হয়। টাৰ্মিনেলটোৰ সন্মুখৰ অৰ্থাৎ প্ৰৱেশদ্বাৰত ৰৈ থকা এখন তেলভৰ্তি টেংকাৰত ৬ পৃষ্ঠাত

## ৰাজ্যজুৰি বীৰ লাচিত সেনাৰ বিৰুদ্ধে অভিযান চৰাইদেউত বীৰ লাচিত সেনাৰ ছয়জন সদস্য আটক

**অসম বাৰ্তা বিশেষ, সোণাৰি, ৩০ অক্টোবৰ ঃ** ৰাজ্যত বিভিন্ন প্ৰান্তত বীৰ লাচিত ৬ পৃষ্ঠাত

বিজেপি দলৰ শীৰ্ষ পৰ্যায়ৰ নেত্ৰী মুন স্বৰ্ণকাৰৰ অনুসূচিত জাতিৰ জাতিগত প্ৰমাণপত্ৰ ভুৱা ঘোষণা

# অনুসূচিত জাতিৰ জাতিগত প্ৰমাণপত্ৰৰ নামত বিশাল বজাৰ!

ৰাজ্যিক পুনৰীক্ষণ সমিতিৰ তদন্তত পোহৰলৈ আহিল জালিয়াতি, গ্ৰেপ্তাৰৰ দাবী উত্থাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৩০ অক্টোবৰ ঃ** অসমত অনুসূচিত জাতিৰ অধিকাৰ লুণ্ঠনৰ এক গুৰুতৰ ঘটনা পোহৰলৈ আহিছে। ৰাজ্যিক পুনৰীক্ষণ সমিতিয়ে ভাৰতীয় জনতা পাৰ্টি (বিজেপি)ৰ ৬ পৃষ্ঠাত



▪ আজি ডিব্ৰুগড়ত ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হ'ব জানাজা ▪

# অনাতাঁৰ শিল্পী চৈয়দ ছাদুল্লাৰ দেহাৱসান



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩০ অক্টোবৰ ঃ** ৰাজ্যখনৰ এগৰাকী যশস্বী সুৰকাৰ, কবি, অভিনেতা, আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত সংগীত শিল্পী, বিভিন্ন বঁটা বাহনেৰে সন্মানীত, ঘোষক, নাট্যকাৰ আৰু গিটাৰিষ্ট চৈয়দ ছাদুল্লাৰ আজি গুৱাহাটী ৬ পৃষ্ঠাত

## অগপৈই বুকিং কৰিলে গ'ল্ড ছবিগৃহৰ এটা সম্পূৰ্ণ দৰ্শনী

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৩০ অক্টোবৰ ঃ** জুবিন গাৰ্গৰ অন্তিম অভিনীত অসমীয়া চলচ্চিত্ৰ 'ৰৈ ৰৈ বিনালে' শুকুৰবাৰে মুক্তি লাভ কৰিবলৈ ওলোৱাৰ প্ৰাকক্ষণত বৃহস্পতিবাৰে গুৱাহাটীৰ নাৰেংগী এল জি টাৱাৰৰ ৬ পৃষ্ঠাত

শদিয়াৰ চপাখোৱাত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অনুমোদন পত্ৰ বিতৰণ

# অসমত ছেমিকণ্ডাক্টৰ স্থাপনক লৈ কৰ্ণাটকৰ মানুহৰ ৰাতি টোপনি নহা হৈছে ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৩০ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ৮১ নং শদিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত তথা শদিয়াৰ সদৰ চপাখোৱাস্থিত শদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত এক বিশাল ৰাজহুৱা সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অধীনত প্ৰায় ২৮ হাজাৰ ৬ পৃষ্ঠাত



## 'ৰৈ ৰৈ বিনালে'ৰ মুক্তিৰ প্ৰাকক্ষণত গৰিমা শইকীয়া গাৰ্গৰ আৱেগিক প'ষ্ট



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৩০ অক্টোবৰ ঃ** জুবিন গাৰ্গৰ সপোনৰ চলচ্চিত্ৰ 'ৰৈ ৰৈ বিনালে'ৰ শুভ মুক্তিৰ বাবে মাথোঁ কেইটামান ঘণ্টা বাকী থকাৰ পূৰ্বে তেওঁৰ সহধৰ্মিণী গৰিমা শইকীয়া গাৰ্গে সামাজিক মাধ্যমত প্ৰকাশ কৰা এটা আৱেগিক প'ষ্টই ৰাজ্যজুৰি ৬ পৃষ্ঠাত

৮ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া প'ষ্ট মেলনৰ অনুষ্ঠান বাতিলৰ দাবী

## জুবিন গাৰ্গলৈ মৰণোত্তৰভাৱে 'ভাৰতৰত্ন'ৰ আহ্বান অজাপৰ




**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৩০ অক্টোবৰ ঃ** অসমীয়া সংগীত জগতৰ যুগজয়ী কণ্ঠশিল্পী জুবিন গাৰ্গৰ স্মৃতিৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি ৬ পৃষ্ঠাত

# দেশৰ নতুন মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি ল'ব ন্যায়াধীশ সূৰ্যকান্ত



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩০ অক্টোবৰ ঃ** ৰাষ্ট্ৰপতি দ্ৰৌপদী মূৰ্মুৱে ন্যায়াধীশ সূৰ্য কান্তক ভাৰতৰ পঞ্চাশতম মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিয়াৰ অনুমোদন দিছে। বৰ্তমানৰ মুখ্য ন্যায়াধীশ বিআৰ গাভায়ে ৬ পৃষ্ঠাত



# সমাগত বিধানসভা নিৰ্বাচনত টংলা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সাজু প্ৰাক্তন ছাত্ৰ নেতা, যুৱ সমাজকৰ্মী শ্যামল সৰকাৰ

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৩০ অক্টোবৰ ঃ** ২০২৬ চনৰ সমাগত অসম বিধানসভাৰ নিৰ্বাচনত টংলা বিধানসভা সমষ্টিৰ পৰা ভাৰতীয় জনতা পাৰ্টীৰ হৈ নিৰ্বাচনত অৱতীৰ্ণ হবলৈ এক প্ৰকাৰ কুচ-কাৱাজ আৰম্ভ কৰিছে ভাৰতীয় জনতা পাৰ্টীৰ এগৰাকী যুৱ নেতা তথা প্ৰাক্তন ছাত্ৰ নেতা শ্যামল সৰকাৰে। যিটো সময়ত ২০২৬ চনত কোনে চৰকাৰ গঠন কৰিব ভাৰতীয় জনতা পাৰ্টিয়ে কাৰ সৈতে মিত্ৰতা স্থাপন কৰিব এনে আলোচনা পৰ্যালোচনা চলি থকাৰ মাজতে যুৱ নেতা গৰাকীয়ে সাজু হৈ উঠিছে বুলি জানিবলৈ দিছে। বিটিচি নিৰ্বাচনৰ সামৰণি পৰাৰ লগে লগে আৰম্ভ কৰিছে একাংশ নেতা, কৰ্মীয়ে টিকেটৰ দাবীদাৰ হ'বলৈ সাজু হৈছে। উল্লেখযোগ্য যে অসমৰ ৰাইজৰ হিয়াৰ আমঠু, হাৰ্টথ্ৰব জুবিন গাৰ্গৰ মৃত্যুৰ পিছত ন্যায় বিছাৰি হাজাৰ হাজাৰ লোকে ৰাজপথত নামি দাবী জনাই অহাৰ সময়তে ৰাজনৈতিক দল সমূহে ২০২৬ ৰ নিৰ্বাচনক লৈ কিছু তৎপৰতা অব্যাহত ৰখা পৰিলক্ষিত হৈছে। ইয়াৰ মাজতে ওদালগুৰি জিলাৰ নৱগঠিত ৪৮ নং টংলা বিধানসভা সমষ্টিৰ পৰা ভাৰতীয় জনতা পাৰ্টী, বিপিএফ, কংগ্ৰেছ দলে যে নিশ্চিতভাৱে নিৰ্বাচনত অৱতীৰ্ণ হব সেইটো স্পষ্ট হৈ পৰিছে। ১৯৮৫ চনৰ পাছত সুদীৰ্ঘ সময়চোৱাত পূৰ্বৰ পানেৰী বিধানসভা সমষ্টি আৰু বৰ্তমান নৱগঠিত টংলা বিধানসভা সমষ্টিত নাছিল এগৰাকীও টংলাৰ স্থায়ী প্ৰাৰ্থী। বিধানসভা সমষ্টিটোৰ পৰা ৰৌতাৰ পৰা কৰেন্দ্ৰ বসুমতাৰী, ভেৰগাঁৱৰ পৰা কুমুদ দাস, ডিমাকুছিৰ পৰা কমলী বসুমতাৰী আৰু বৰ্তমান সমষ্টিটোত তামোলপুৰৰ পৰা অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে প্ৰতিনিধিত্ব কৰি আছে। সেয়ে সমাগত অসম বিধানসভা নিৰ্বাচনত টংলা বিধানসভা সমষ্টিৰ পৰা টংলাৰ পৰা এগৰাকী স্থায়ী ব্যক্তিক প্ৰাৰ্থীত্ব প্ৰদান কৰিব লাগিব বুলি ভাৰতীয় জনতা পাৰ্টীৰ ওচৰত দাবী উত্থাপিত হৈ অহাৰ সময়তে প্ৰাক্তন ছাত্ৰ নেতা তথা ভাৰতীয় জনতা পাৰ্টীৰ এগৰাকী নিষ্ঠাবান কৰ্মী শ্যামল সৰকাৰ সাজু হৈছে সমাগত অসম বিধানসভা নিৰ্বাচনৰ বাবে। এগৰাকী উচ্চ শিক্ষাৰে শিক্ষিত, আছুত থাকি ছাত্ৰ ৰাজনীতিত প্ৰৱেশ কৰা পিছলৈ বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ টংলা আঞ্চলিক সমিতি, জিলা সমিতিৰ সভাপতি, সম্পাদকৰ পদ অলংকৃত কৰাৰ উপৰিও কেন্দ্ৰীয় সমিতিৰ সভাপতি, মুখ্য উপদেষ্টা, ৰাজনৈতিক দল ভাৰতীয় গণ পৰিষদ দলৰ ৰাজ্যিক সভাপতি, তৃণমূল কংগ্ৰেছে দলৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি পদ অলংকৃত কৰি অহা শ্যামল সৰকাৰে ভাৰতীয় জনতা পাৰ্টিয়ে ২০২৩ চনৰ ৩০ আগষ্টত ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰিছিল। ভাৰতীয় জনতা পাৰ্টীৰ মজিয়ালৈ আহিয়েই শ্যামল সৰকাৰে ৰাজ্যিক মিডিয়া পেনেলিষ্টৰ হৈ সেৱা আগবঢ়াবলৈ সক্ষম হয়। টংলা ব্যৱসায়ী সন্থাৰ ছবছৰ ধৰি সভাপতি, ওদালগুৰি জিলা ঔষধ ব্যৱসায়িক সন্থাৰ সভাপতি, টংলা ইউনাইটেড ফ'ৰামৰ সভাপতি তথা টংলা নগৰৰ স্থায়ী বাসিন্দা শ্যামল সৰকাৰে সমাগত অসম বিধানসভা নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টীৰ হৈ এগৰাকী স্থায়ী প্ৰাৰ্থী হিচাপে দাবীদাৰ হব বুলিও জানিবলৈ দিয়ে।

মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ আহ্বান সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ

# চাহ বৰ্ডে নিৰ্ধাৰণ কৰা কেঁচা চাহপাতৰ ন্যূনতম সমৰ্থন মূল্য বিচাৰি ক্ষোভিত টিৰাপৰ ক্ষুদ্ৰ চাহ খেতিয়ক

## কলঘৰে কলঘৰে সাক্ষাৎ কৰ্তৃপক্ষক; কলঘৰত প্ৰৱেশত বাধা আৰক্ষীৰ

**অসম বাৰ্তা বিশেষ, জাগুন, ৩০ অক্টোবৰ ঃ** সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ তিনিচুকীয়া জিলা সমিতি আৰু টিৰাপ আঞ্চলিক সমিতিৰ যৌথ উদ্যোগত উদয়পুৰ ৰঙ্গমঞ্চত বুধবাৰে এখন বিশাল জনসভাৰ আয়োজন কৰা হয়। উক্ত জনসভাত টিৰাপ আঞ্চলিক ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ অধীনস্থ বহু সংখ্যক চাহ খেতিয়ক আৰু কেঁচা চাহপাত যোগান কাৰী উপস্থিত থকা দেখা গল। সভাত তিনিচুকীয়া জিলা সমিতিৰ নেতৃত্বই ক্ষুদ্ৰ চাহ খেতিয়ক সকলক উদ্দেশ্যি জনায় যে তিনিচুকীয়া জিলাৰ প্ৰায় ৫৬ হাজাৰ ক্ষুদ্ৰ চাহ খেতিয়কে কেঁচা চাহপাত উৎপাদনেৰে অসমৰ অৰ্থনীতিত অভুতপূৰ্ব বৰঙনি আগবঢ়াই আহিছে। কিন্তু দুৰ্ভাগ্যজনক বিষয় যে অসমৰ অৰ্থনৈতিক ভেটি টনকিয়াল কৰা ক্ষুদ্ৰ চাহ খেতিয়কসকলে বৰ্তমানে নিজ উৎপাদিত কেঁচা চাহপাতৰ উচিত মূল্য প্ৰাপ্যৰ বাবে ৰজাঘৰীয়া কিম্বা কলঘৰ সমূহৰ দুৱাৰে দুৱাৰে তাতবাতি কৰিবলগা পৰিস্থিতিৰ সৃষ্টি হৈছে যি অতিকৈ দূৰ্ভাগ্যজনক। বিভিন্ন সময়ত সন্থাৰ নেতৃবৰ্গই বিভাগীয় কৰ্তৃপক্ষৰ সৈতে বহুবাৰ আলোচনাত মিলিত হৈ ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ উৎপাদিত কেঁচা চাহপাতৰ উচিত মূল্য দিবৰ বাবে কলঘৰ কৰ্তৃপক্ষক নিৰ্দেশ দিয়াৰ আহ্বান জনায় যদিও আজিপৰ্য্যন্ত কোনো ধৰণৰ ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত নহল। যাৰ ফলশ্ৰুতিত সন্থাৰ নেতৃবৰ্গই চাহ খেতিয়কৰ প্ৰাপ্যৰ বাবে আলোচনাৰ ধাৰা অব্যাহত ৰাখি অৱশেষত যোৱা ইংৰাজী ২১/১০/২০২৫ তাৰিখে ভাৰত চৰকাৰৰ বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ৰ অধীনৰ নৰ্থ ইষ্টেম খণ্ড কাৰ্য্যালয়ৰ পঞ্জীয়ন কৰ্তৃপক্ষ অৰুনিতা ফুকন যাদৱ, (আই আৰ এছ) স্বাক্ষৰিত পত্ৰ নং ঃ ৭(১৫)/জি এইচ ৱাই/টি এম চি অ/২০০০ ৰ এক নিৰ্দেশনা যোগে সংশ্লিষ্ট কেঁচা চাহপাত যোগানকাৰী আৰু ক্ষুদ্ৰ চাহ খেতিয়ক সকলক ২০২৫ চনৰ আগষ্ট আৰু ছেপ্তেম্বৰ মাহৰ বাবে সংশ্লিষ্ট জিলা খনৰ গড় সেউজীয়া পাতৰ মূল্য(এ জি এল পি)ৰ সৈতে মিল থকা পাৰ্থক্য মূলক ধন তৎক্ষণাৎ প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰোপৰি অনাগত দিনত কলঘৰ সমূহে কেঁচা চাহপাত ক্ৰয়ৰ বাবে এ জি এল পিৰ কঠোৰ নিৰ্দেশ মানি চলা আৰু ইয়াৰ নথিপত্ৰ আৰু প্ৰমাণ কলঘৰ সমূহৰ নিকটতম ক্ষেত্ৰ কাৰ্যালয়ত পৰীক্ষণ আৰু ৰেকৰ্ডৰ উদ্দেশ্যে দাখিল কৰিবলৈও নিৰ্দেশ দিয়ে। সেই অনুসৰি তিনিচুকীয়া জিলাত আগষ্ট আৰু ছেপ্তেম্বৰ মাহত ন্যূনতম সমৰ্থন মূল্য(এম বি পি) ২১.০২ আৰু ১৯.৮৫ টকা কলঘৰ সমূহে ক্ষুদ্ৰ চাহ খেতিয়ক সকলক প্ৰদান কৰিব লাগিছিল যদিও কলঘৰ কৰ্তৃপক্ষই শোষণ আৰু বঞ্চনাৰ নীতিৰে কেৱল মাত্ৰ ১৪.০০ পৰা ১৫.০০ টকা প্ৰদান কৰে। এই ক্ষেত্ৰত সমগ্ৰ তিনিচুকীয়া জিলাৰ ১৩০ টা কলঘৰৰ বিপৰীতে মাত্ৰ ৪৩ টা কলঘৰেহে নিৰ্দেশনা অনুসৰি ক্ষুদ্ৰ চাহ খেতিয়ক সকলক ন্যূনতম সমৰ্থন মূল্য প্ৰদান কৰিছে বুলি জনাই সন্থাৰ নেতৃত্বই। এই বিষয়ত ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ তৰফৰ পৰা ভাৰতীয় চাহ বৰ্ডৰ ক্ষেত্ৰীয় বিষয়া সকলক চাহ খেতিয়ক সকলৰ ন্যূনতম সমৰ্থন মূল্যৰ অনাদায় ধনৰাশি কলঘৰ সমূহৰ পৰা মোকলাই দিয়াৰ ব্যৱস্থা কৰি দিয়াৰ বাবে অনুৰোধ জনায় যদিও পৰ্যাপ্ত কৰ্মচাৰী নথকাৰ দোহাই দি চাহ বৰ্ডৰ বিষয়া সকল এই বিষয়ৰ পৰা আঁতৰি থাকে। উপায়হীন হৈ সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ নেতৃত্বই নিজাববীয়াকৈ কলঘৰ সমূহত উপস্থিত হৈ কলঘৰ কৰ্তৃপক্ষৰ সৈতে সাক্ষাৎ কৰাৰ এক কাৰ্যসূচী গ্ৰহণ কৰে যাৰ পৰিপ্ৰেক্ষিতত বুধবাৰে জনসভাৰ অন্তত সন্থাৰ নেতৃত্বই জাগুন অঞ্চলত থকা কলঘৰ কেইটাত সাক্ষাৎ কৰাৰ সিদ্ধান্ত লয়। কিন্তু দুৰ্ভাগ্যবশত সন্থাৰ নেতৃত্বই লাকলাস্থিত জাগুনবাৰী টি, ফেক্টৰীত সাক্ষাৎ কৰি আঠ মাইলস্থিত লংটং টি, ফেক্টৰীত প্ৰৱেশ কৰিবলৈ লওঁতেই আৰক্ষীৰ লোকে তেওঁলোকক প্ৰৱেশত বাধা আৰোপ কৰে আৰু বিষয়টো আলোচনা কৰাৰ দোহাই দি লেখাপানী আৰক্ষী থানালৈ মাতি আনে। সন্থাৰ নেতৃত্বই কিয় তেওঁলোকক এনে ধৰণে বাধা আৰোপ কৰা হৈছে বুলি আৰক্ষী বিষয়া গৰাকীৰ পৰা জানিব বিচৰাত কলঘৰ কৰ্তৃপক্ষৰ অভিযোগৰ ভিত্তিত জিলা কৰ্তৃপক্ষৰ পৰা তেওঁলোকলৈ নিৰ্দেশ অহা বুলি জানিবলৈ দিয়ে। ইয়াৰ পিছত প্ৰায় দুঘণ্টাতকৈও অধিক সময় সন্থাৰ নেতৃত্বক আলোচনাৰ নামত থানাত আৱদ্ধ কৰি ৰাখে আৰক্ষীয়ে। পৰৱৰ্তী সময়ত আৰক্ষীৰ ফালৰ পৰা অনাগত দিনত সন্থাৰ নেতৃত্বই কোনো কলঘৰত এই বিষয় সন্দৰ্ভত সাক্ষাৎ নকৰাৰ লিখিত প্ৰতিশ্ৰুতি বিচাৰে যদিও সন্থাৰ নেতৃত্বই থানাৰ চৌহদত সমবেত হৈ থকা ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ লগত আলোচনা কৰি লিখিত প্ৰতিশ্ৰুতি নিদিয়াৰ সিদ্ধান্ত লয় আৰু এই সম্পৰ্কত জিলা আয়ুক্তৰ সৈতে আলোচনাত মিলিত হৈ অনাগত দিনত প্ৰশাসন আৰু আৰক্ষীৰ সহযোগত সকলো কলঘৰ সাক্ষাৎ কৰিব বুলি মৌখিক প্ৰতিশ্ৰুতি প্ৰদান কৰে। সন্থাৰ নেতৃত্বৰ এই প্ৰস্তাৱত আৰক্ষী সন্মত হয় সকলোকে যাবলৈ অনুমতি প্ৰদান কৰে যদিও আৰক্ষী প্ৰশাসনৰ এই ভূমিকাক কিন্তু সমগ্ৰ টিৰাপ অঞ্চলৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকলে সহজ ভাৱে গ্ৰহণ কৰিব পৰা নাই কিয়নো ক্ষুদ্ৰ চাহ খেতিয়ক সকলে গণতান্ত্ৰিক ভাৱে নিজৰ প্ৰাপ্য বিচাৰি কলঘৰ কৰ্তৃপক্ষক সাক্ষাৎ কৰাত অপৰাধ কত আৰু চাহ খেতিয়কে যিকোনো পৰিস্থিতিত কলঘৰত যোৱাত তেওঁলোকক কোনেও বাধা দিব নোৱাৰে বুলি ক্ষোভ প্ৰকাশ কৰে আৰু থানাৰ চৌহদতে সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থা জিন্দাবাদ ধ্বনিৰে পৰিৱেশ উত্তাল কৰি তোলে। এই সমগ্ৰ বিষয় সন্দৰ্ভত সন্থাৰ নেতৃত্বই সংবাদ মাধ্যমৰ যোগেদি অসমৰ মাননিয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপ বিচাৰি ৩১ অক্টোবৰ তাৰিখে চাহ নগৰী ডুমডুমাত উপস্থিত হোৱাৰ দিনাই অসম তথা তিনিচুকীয়া জিলাৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ পক্ষত থাকি এক ফলপ্ৰসূ সিদ্ধান্ত ঘোষণা কৰিবলৈ আহ্বান জনাইছে। বুধবাৰৰ এই কাৰ্যসূচীত উপস্থিত থাকে সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থা, তিনিচুকীয়া জিলা সমিতিৰ সভাপতি ৰাণা মৰাণ, সাংগঠনিক সম্পাদক বিক্ৰম বৰগোহাঁই, সহকাৰী সম্পাদক বিপুল বৰগোহাঁই, কৃষক নেতা ৰাহুল ছেত্ৰী আৰু টিৰাপ আঞ্চলিক সমিতিৰ নেতৃত্ব।

## দক্ষিণ কামৰূপ আৰু গোৱালপাৰাৰ ৩১২খন বড়ো গাঁও অধিসূচনাৰ জৰিয়তে (BKWAC) বি-কে-ডব্লিউ-এচি-ত অন্তৰ্ভুক্তিৰ দাবী

# দুধনৈত আবছুৰ প্ৰতিবাদী সমদল




**ষ্টাফ, ৰিপৰ্টাৰ, দুধনৈ, ৩০ অক্টোবৰ ঃ** বড়োলেণ্ড অঞ্চলৰ লগতে অসমত শান্তি সম্প্ৰিতি অনাৰ ক্ষেত্ৰত সদৌ বড়ো ছাত্ৰ সন্থা(আবছু)ই ২০২০ চনৰ ২৭ জানুৱাৰীত ভাৰত চৰকাৰ, অসম চৰকাৰ তথা এন ডি-এফ বি, ইউ-বিপিঅৰ মাজত এক বড়ো শান্তি চুক্তি স্বাক্ষৰিত হৈছিল। চুক্তিখন স্বাক্ষৰিত হোৱাৰ পাঁচটা বছৰ অতিক্ৰম কৰাৰ পিচতো কিন্তু চক্তিখনত থকা কিছুমান গুৰুত্বপূৰ্ণ দফা ৰূপায়ণ কৰাত পলম হোৱা দেখা গৈছে নতুবা চৰকাৰে এই সমস্যা সমূহ সমাধানৰ বাবে ইচ্ছা প্ৰকাশ কৰা হোৱা নাই। সেয়েহে এই সমস্যা সমূহৰ আশু সমাধানৰ দাবীল নিখিল বড়ো ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে সমগ্ৰ অসমৰ লগতে দুধনৈতো গোৱালপাৰা জিলা আবছুৰ উদ্যোগত প্ৰতিবাদী সমদল উলিওৱা হয়। আবছু গোৱালপাৰা জিলা সমিতিৰ মুখ্য কাৰ্যালয়ৰ পৰা উলিওৱা প্ৰতিবাদী সমদল টোৱে "চুক্তি ৰূপায়ণ অবিহনে আমি ক্ষান্ত নহও", " আমাক ন্যায় লাগিবই", "আমাক ভূমিৰ অধিকাৰ দিয়ক", ৩১২খন বড়ো অধ্যুষিত গাওঁ "বি কে ডব্লিউ এ চিত অন্তৰ্ভুক্তি কৰক", "বড়ো মাধ্যমৰ বিদ্যালয় প্ৰাদেশিকীকৰণ আৰু শিক্ষক নিযুক্তি দিয়ক", "ভেদাভেদৰ ৰাজনীতি নকৰিব" আদি ধ্বনিৰে দুধনৈৰ ৰাজপথ উত্তাল কৰি তোলে। গোৱালপাৰা জিলা আবছুৰ সভাপতি নিপন খাখলাৰীয়ে সংবাদ মাধ্যমক জনোৱা অনুসৰি বড়ো জাতীয় সংগঠন সমূহে বিটিআৰৰ আৰ্থিক সম্পদ আৰু প্ৰশাসনিক ক্ষমতা উন্নত কৰাৰ বাবে ১২৫ নং দফা সংবিধান সংশোধনী বিধেয়ক ২০১৯ অনুসৰি সংবিধানৰ ২৮০ নং অনুচ্ছেদ আৰু ষষ্ঠ অনুসূচী সংশোধনৰ বাবে সংসদত আগন্তুক শীতকালীন অধিবেশনত গৃহীত কৰা, দক্ষিণ কামৰূপ আৰু গোৱালপাৰাৰ ৩১২খন বড়ো অধ্যুষিত গাওঁ লগতে মৰিগাওঁ নগাওঁ আৰু অন্যান্য জিলাৰ বড়ো গাওঁসমূহ সম্পূৰ্ণ অধিসূচনাৰ জৰিয়তে বড়ো কছাৰী কল্যাণ স্বায়ত্ত শাসিত পৰিষদক প্ৰদান কৰা, নিৰ্বাচনী সীমা নিৰ্ধাৰণ কৰা, বিটিআৰৰ ভিতৰৰ আৰু বাহিৰৰ বড়ো মাধ্যমৰ বিদ্যালয় সমূহত বিটিআৰ চুক্তিৰ ৬নং অনুচ্ছেদৰ অধীনত শিক্ষক নিযুক্তি আৰু প্ৰয়োজন সাপেক্ষে প্ৰাদেশিকীকৰণ কৰা, বিটিআৰত সাংবিধানিক মৰ্যাদা থকা গাওঁ পৰিষদ আৰু পৌৰসভা গঠন কৰা, এনডিগফবিৰ প্ৰাক্তন কেডাৰ সকলৰ বিৰুদ্ধে থকা বিচৰাধীন গোচৰসমূহ প্ৰত্যাহাৰ কৰা, কোকৰাঝাৰৰ দোতমাত বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্ম সাংস্কৃতিক প্ৰকল্প স্থাপন কৰা আৰু অসমৰ শোণিতপুৰ, বিশ্বনাথ, গোৱালপাৰা আৰু বিটিচি কেএচি ষষ্ঠ অনুসূচীৰ এলেকাধীন অঞ্চল সমূহত বন অধিকাৰ আইন ২০১৯ৰ বিধান অনুসৰি জনজাতি সকলৰ বাবে ভূমিৰ অধিকাৰ প্ৰদান কৰাৰ লগতে বড়ো জনগোষ্ঠীৰ কেবাটাও অমীমাংসীত সমস্যা সমাধানৰ বাবে ছাত্ৰ সংগঠনটোৱে ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীক দাবী জনায়। আনহাতে বড়ো ছাত্ৰনেতা ধীৰাজ হাজোৱাৰীয়ে মুখ্যমন্ত্ৰী হিমন্তবিশ্ব শৰ্মাক উদ্যেশি কয় যে হিমন্ত বিশ্ব শৰ্মা যদি সকলোৰে মামা হয় তেনেহলে বড়ো জনগোষ্ঠীৰ ভাগিন আৰু ভনীয়েক সকলৰ সমস্যা লগতে বড়ো জনগোষ্ঠীৰ সমস্যা সমূহ সমাধান কৰাত আগভাগ লওক। ছাত্ৰনেতা গৰাকীয়ে পুনৰ কয় যে যদিহে আগন্তুক বিধানসভা নিৰ্বাচনৰ আগতে এই সমস্যা সমূহ সমাধানত কোনোধৰণৰ আগ্ৰহ প্ৰকাশ নকৰে তেতিয়া ২০২৬ৰ নিৰ্বাচনত উচিত প্ৰত্যুতৰ দিব লগতে জংগী আন্দোলন কৰাৰ ভাবুকি প্ৰদান কৰে। ছাত্ৰ সংগঠনটোৱে জিলা আয়ুক্তৰ জৰিয়তে দেশৰ গৃহমন্ত্ৰী অমিত শ্বাহ আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ ২০টা দাবী সম্বলিত স্মাৰক পত্ৰ প্ৰদান কৰে। প্ৰতিবাদী সমদলত বিপিচিচিৰ আহ্বায়ক ধীৰাজ হাজোৱাৰী, গোৱালপাৰা জিলা সমিতি আবছুৰ সম্পাদক দিগন্ত কছাৰী, বড়ো সাও দুলাৰায় বড়ো বাৰদল, ব্ৰহ্ম সমাজ, বড়ো সন্মিলন, কেঠলিক, ইউবিপিঅ, বিএছএছ আবৌফ আৰু প্ৰাক্তন বিএলটিৰ প্ৰতিনিধি সকলে অংশগ্ৰহণ কৰে।

# শাসক দলৰ লগত সংপৃক্ত হৈ থকা এটা দলে বীৰ লাচিতৰ প্ৰতিচ্ছবি সম্বলিত বেনাৰ ফালি চিৰাচিৰ কৰাৰ মৰসাহ ক'ত পালেঃ বিদ্যুৎ শইকীয়া

# আইন ভংগকাৰী বজৰং দলৰ নেতা কৰ্মীক শীঘ্ৰে গ্ৰেপ্তাৰ কৰক ঃ জাতীয় জনগোষ্ঠীয় ঐক্য সমন্বয় মঞ্চ

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৩০ অক্টোবৰ ঃ** বজৰং দলৰ নেতা কৰ্মীয়ে নলবাৰীত মহাবীৰ লাচিত বৰফুকনৰ ফটো সম্বলিত বেনাৰ চিৰাচিৰ কৰি ফালি পেলোৱা আৰু বীৰ লাচিত সেনাৰ কাৰ্যালয় লণ্ডভণ্ড কৰা কাৰ্যক জাতি জনগোষ্ঠীয় ঐক্য মঞ্চ, গোলাঘাটৰ তৰফৰ পৰা এক সংবাদমেলযোগে তীব্ৰ ভাষাৰে গৰিহণা দিয়ে বিষয়ববীয়াসকলে। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়া, সদৌ টাই আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক ধ্ৰুৱজ্যোতি শইকীয়া, প্ৰচাৰ সম্পাদক গৌতম লাহন, টাই আহোম যুৱ পৰিষদৰ গোলাঘাট জিলাৰ সাধাৰণ সম্পাদক সুৰজিত ফুকন, আহোম সভাৰ এলভিচ বৰুৱা, অসম জাতীয়তাবাদী যুৱ পৰিষদৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক ৰাজীৱ লস্কৰ, অনুসূচিত জাতি ছাত্ৰ সন্থাৰ গোলাঘাট জিলাৰ সহকাৰী সম্পাদক বিবেক দাস, কলিতা জনগোষ্ঠীৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ৰণ্টু দত্ত, টিএমপিকেৰ গোলাঘাট নগৰ সমিতিৰ সাধাৰণ সম্পাদক নৰেশ মিগাং, সদৌ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ আৰু ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থকা জাতীয় জনগোষ্ঠীয় ঐক্য সমন্বয় মঞ্চৰ সংবাদমেলখনৰ আঁত ধৰি বিদ্যুৎ শইকীয়াই কয় যে, বীৰ লাচিত সেনাৰ সংগঠনৰ বিষয়ববীয়াৰ বিৰুদ্ধে যিসমূহ অভিযোগ উত্থাপন হৈছে, গোচৰ ৰুজু কৰা হৈছে, সেই সমূহ অনুসন্ধান কৰিবৰ বাবে প্ৰশাসন ব্যৱস্থা আছে, আইন আদালত আছে। পুলিচৰ তদন্ত ইতিমধ্যেই আৰম্ভ হোৱা এটা বিষয়ত আইন, পুলিচৰ কামত হস্তক্ষেপ কৰি হঠাৎ নলবাৰীত বজৰং দলৰ নেতা কৰ্মীয়ে আইন আদালত হাতত তুলি লৈ বীৰ লাচিত সেনাৰ এটা কাৰ্যালয় লণ্ডভণ্ড কৰা কাৰ্য কোনোপধ্যেই সমৰ্থন যোগ্য নহয়। তদুপৰি অসমীয়া জাতিৰ স্বাভিমান, গৌৰৱ মহাবীৰ লাচিত বৰফুকনৰ ফটো সম্বলিত বেনাৰ ফালি চিৰি দলিয়াই পেলোৱাৰ মৰসাহ কেনেকৈ কৰিলে বুলি প্ৰশ্ন উত্থাপন কৰে। যিজন লাচিত বৰফুকনৰ বীৰত্বৰে আজিও আমি অসমীয়াই জাতিৰ সংকটৰ সময়ত উদ্ধুদ্ধ হওঁ সেইজন মহাবীৰক অপমান কৰাৰ স্পৰ্ধা কোনো কাৰণত আমি সহ্য নকৰো। যি লাচিতৰ বীৰত্বত শিৰনত কৰি বিজেপি চৰকাৰে দিল্লীত চাৰিশ বছৰীয়া জন্ম জয়ন্তী পাতি সন্মান দিবলৈ বাধ্য হ'ল সেই বীৰজনাৰ ফটো ফালি চিৰাচিৰ কৰিলে বিজেপিৰ লগত সংপৃক্ত হৈ থকা দল ৰজৰঙে। বজৰং দলৰ পিতৃ সংগঠন হ'ল আৰএচএচ। আৰএচএচৰ মানস পুত্ৰ হ'ল বিজেপি। শাসক দলৰ সৈতে সংপৃক্ত হৈ থকা বজৰং দলে কাৰ সাহসত বীৰ লাচিত বৰফুকনক অপমান কৰাৰ মৰসাহ কৰিলে তাৰ উত্তৰ মুখ্যমন্ত্ৰীয়ে আমাক দিব লাগিব। সংবাদমেলত বিদ্যুৎ শইকীয়াই প্ৰশ্ন কৰে যে আইন হাতত তুলি লোৱা বজৰং দলৰ বিৰুদ্ধে ৰাজ্যৰ গৃহ বিভাগে কি ব্যৱস্থা হাতত ল'ব। আমি সন্দেহ কৰিছো যে এই সময়খিনিত জুবিন গাৰ্গৰ ন্যায় প্ৰাপ্তিৰ যুঁজখনত ৰাইজে কঁকালত টঙালি বান্ধি লৈছে। ৰাইজৰ এই শক্তিশালী ন্যায় প্ৰাপ্তিৰ যুঁজখন বিপদে পৰিচালিত কৰিবলৈ চৰকাৰে নিজৰ কিছুমান দল সংগঠনক গ্ৰীণ চিগনেল দিছে ৰাজ্যত অৰাজক পৰিস্থিতিৰ সৃষ্টি কৰি জুবিন গাৰ্গৰ ন্যায় প্ৰাপ্তিৰ দাবীৰে সোচ্চাৰ হৈ থকা সৰ্বসাধাৰণ ৰাইজক ভীতিগ্ৰস্ত কৰিবলৈ, যুঁজখন শেষ কৰিবলৈ। মহাবীৰ লাচিত বৰফুকনক অপমান কৰাৰ মৰসাহ কৰা 'বজৰং দল'ৰ বিষয়ববীয়াক যদি শীঘ্ৰে গ্ৰেপ্তাৰ নকৰে তেন্তে আমাৰ যে সন্দেহ অমূলক যে নহয় সেইয়া প্ৰমাণ হ'ব। গতিকে মুখ্যমন্ত্ৰীয়ে প্ৰমাণ কৰক যে কাৰ্যালয় লণ্ডভণ্ড, বীৰজনাৰ অপমানত শাসকৰ কোনোধৰণৰ গ্ৰীন চিগনেল নাই।

# প্ৰবীণ কাথলিক ফাদাৰ জোচেফ মূলোপাৰাম্পিল অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৩০ অক্টোবৰ ঃ** উজনি অসমৰ জ্যেষ্ঠ আৰু সন্মানিত কাথলিক পাদ্ৰী, ডিব্ৰুগড় ডায়'চিছৰ ভিকাৰ জেনেৰেল ফাদাৰ জোচেফ মুলোপাৰাম্পিল, ডিব্ৰুগড়ৰ চেণ্ট জোচেফ ছেমিনাৰী সমাধিস্থলীত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। সম্পন্ন স্থলীত উপস্থিত আছিল ভক্তজন, ধৰ্মযাজক, চিষ্টাৰ আৰু শুভাকাংক্ষীৰ উপস্থিতিত ৰেকুৱিয়েম আৰু অন্তিম ধৰ্মীয় অনুষ্ঠানত পৱিত্ৰ হৃদয় কেথিড্ৰেলত অনুষ্ঠিত হয়। গুৱাহাটী আৰ্চবিচপজন মুলাচিৰাই অনুষ্ঠানটো নেতৃত্ব দিয়ে, য'ত ডিব্ৰুগড়ৰ বিচপ অ্যালবাৰ্ট হেমৰ'ম লগতে উত্তৰ-পূৰ্বাঞ্চলৰ আন চাৰিগৰাকী বিচপে অংশগ্ৰহণ কৰে। ফাদাৰ মুলোপাৰাম্পিলৰ মৃত্যু হয় ২৬ অ'ৌবৰত ৭৭ বছৰ বয়সত ডিব্ৰুগড়ৰ এখন ব্যক্তিগত নাৰ্চিং হোমত। ১৯৪৮ চনৰ ৩ জুলাই কেৰালাৰ পালাইত থমাছ আৰু থেৰেছা মুলোপাৰাম্পিলৰ গৰ্ভত জন্ম গ্ৰহণ কৰা ফাদাৰ গৰাকীয়ে ১৯৬৬ চনত ডিব্ৰুগড়ৰ চেণ্ট জোচেফ মাইনৰ ছেমিনাৰীত যোগদান কৰি নিজৰ ধৰ্মসেৱাৰে কৰ্মজীৱন আৰম্ভ কৰে। তেও তামিলনাডুৰ পুণামলীৰ পৱিত্ৰ হৃদয় ছেমিনাৰীত থিয়'লজি (ধৰ্মতত্ত্ব) আৰু দৰ্শন অধ্যয়ন সম্পূৰ্ণ কৰি, ১৯৭৭ চনৰ ১৫ জানুৱাৰীত বিচপ ছেবাষ্টিয়ান ৱায়ালিলৰ হাতত ডিব্ৰুগড় ডায়'চিছৰ পাদ্ৰী হিচাপে ধৰ্মপদ লাভ কৰে। প্ৰায় পাঁচ দশক ধৰি তেওৰ পাষ্টৰেল যাত্ৰা আছিল উৎসৰ্গীকৃত আৰু জনমুখী। ১৯৭৭-৮০ সময়ছোৱাত মাৰ্ঘেৰিটাত সহায়কপাদ্ৰী হিচাপে কৰ্ম জীৱন আৰম্ভ কৰি, ১৯৮১ চনত ফিল'বাৰীত চেণ্ট পেট্ৰিক বিদ্যালয় প্ৰতিষ্ঠা কৰে, যত বৰ্তমানে প্ৰায় পোন্ধৰ শ জনৰো অধিক ছাত্ৰ-ছাত্ৰী থকা সফল শিক্ষা প্ৰতিষ্ঠানত পৰিণত হৈছে। পাছত সোণাৰি, দুলিয়াজান, শিৱসাগৰ, মাৰ্ঘেৰিটা আৰু নাহৰকটিয়াত পাদ্ৰী হিচাপে সেৱা আগবঢ়ায় আৰু অঞ্চলটোৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেও দুলিয়াজানত চেণ্ট জেভিয়াৰ্ছ বিদ্যালয় প্ৰতিষ্ঠাৰ কাৰণেও জনাজাত। এক আন্তৰিক শিক্ষাবিদ হিচাপে তেও বিভিন্ন ডায়'চিছ বিদ্যালয়ত অধ্যক্ষ আৰু প্ৰধান শিক্ষক হিচাপে কৰ্মৰত আছিল। কঠোৰ শৃংখলা আৰু স্নেহৰ সৈতে ছাত্ৰ-ছাত্ৰীক পথ প্ৰদৰ্শন কৰিছিল। ১৯৮৭-৯১ সময়ছোৱাত তেও চেণ্ট জোচেফ ছেমিনাৰী, ডিব্ৰুগড়ৰ প্ৰথম ডায়'চিছ ৰেক্টৰ হিচাপে দায়িত্ব পালন কৰিছিল। বিনম্ৰতা, সততা আৰু নিখুঁত প্ৰশাসনৰ বাবে জনাজাত ফাদাৰ মুলোপাৰাম্পিলক ২০২১ চনৰ নৱেম্বৰত ভিকাৰ জেনেৰেল হিচাপে নিযুক্ত হয়। চেণ্ট জোচেফ ছেমিনাৰীৰ বৰ্তমান ৰেক্টৰ ফাদাৰ উইলিয়াম হৰোৱে কৈছিল, "কেৰালাৰ সেউজীয়া পাহাৰৰ পৰা অসমৰ সমতল ভূমিলৈ অহা ফাদাৰ মুলোপাৰাম্পিলৰ জীৱন আছিল বিশ্বাস, নম্ৰতা আৰু সেৱাৰ এক জীৱন্ত প্ৰতীক। তেওঁৰ উৎসৰ্গীকৃত জীৱন আৰু ধৰ্মনিষ্ঠা আগন্তুক প্ৰজন্মক চিৰকাল অনুপ্ৰাণিত কৰি যাব।"

# লখিমপুৰৰ জহিঙত 'অসম পৰজা সমাজ'ৰ প্ৰতিষ্ঠাপক সাহিত্য সম্পাদক প্ৰয়াত ৰঞ্জিত পৰজাৰ মৃত্যু বাৰ্ষিকী

**অসম বাৰ্তা, লীলাবাৰী, ৩০ অক্টোবৰ ঃ** জুনুবস্তি জৱাহৰজ্যোতি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক, অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ 'আটছা' লখিমপুৰ জিলা সমিতিৰ প্ৰতিষ্ঠাপক উদ্যোক্তা তথা সদৌ অসম পৰজা সমাজ সংগঠনৰ প্ৰতিষ্ঠাপক সাহিত্য সম্পাদক ৰঞ্জিত পৰজাৰ অষ্টম মৃত্যু বাৰ্ষিকী আৰু স্মৃতি দিৱসটি আজি লখিমপুৰ জিলা পৰজা সমাজ আৰু পৰজা জনজাতীয় গৱেষণা কেন্দ্ৰৰ উদ্যোগত আজি জহিঙত অনুষ্ঠিত হৈ যায়। ১৯৫০ বৰ্ষৰ ১৬ ডিচেম্বৰত ডিজু চাহ বাগিচাৰ ৭ নং লাইনত জন্মগ্ৰহণ কৰা পৰজাই প্ৰাথমিক শিক্ষা ডিজুতে সাং কৰি ১৯৭৪ বৰ্ষত উত্তৰ লখিমপুৰ মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী গ্ৰহণ কৰি ডিজু চাহ বাগিচাৰ কৰ্মচাৰী হিচাপে যোগদান কৰিছিল। ১৯৭৭ বৰ্ষত তদানীন্তন বালিজান গাঁৱত প্ৰতিষ্ঠা লাভ কৰা জুনুবস্তি জৱাহৰজ্যোতি মধ্য ইংৰাজী বিদ্যালয়ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক ৰূপে অবৈতনিকভাৱে যোগদান কৰি তেখেতে বিভিন্ন সামাজিক কাম-কাজৰ সৈতে জড়িত হৈছিল। উল্লেখ্য যে, ১৯৭২ বৰ্ষত তেখেতে উচ্চতৰ মাধ্যমিকৰ ছাত্ৰ হৈ থাকোঁতেই নিজৰ জনগোষ্ঠীটোৰ সামগ্ৰিক বিকাশৰ বাবে তেতিয়াৰ 'অসম চাহ মজদুৰ জনজাতি ছাত্ৰ সন্থা'ৰ লখিমপুৰ জিলা শাখা গঠনৰ অন্যতম উদ্যোক্তা আছিল। কয়লামাৰী চাহ বাগিচাৰ জহিঙত সংগঠনটোৰ লখিমপুৰ জিলা সমিতিৰ প্ৰথম সভাপতি-সম্পাদক হিচাপে চিলভানুছ ভেংৰা আৰু নন্দেশ কুমাৰ পৰজা নিৰ্বাচিত হৈছিল। পৰজাই ১৯৮২ বৰ্ষত অবিভক্ত যোৰহাট জিলাৰ গোলাঘাট মহকুমাৰ সৰুপথাৰ অঞ্চলত অনুষ্ঠিত নিজৰ জাতিগত সংগঠন 'অসম পৰজা সমাজ'ৰ প্ৰথম অভিৱৰ্তনত লখিমপুৰ জিলাৰ প্ৰতিনিধি হৈ প্ৰতিষ্ঠাপক সাহিত্য সম্পাদকৰ পদ লাভ কৰিছিল আৰু লখিমপুৰ জিলা চাহ মজদুৰ জনজাতি ছাত্ৰ সন্থাৰ সম্পাদক নন্দেশ কুমাৰ পৰজাই জাতিগত সংগঠনটোৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক হৈছিল। প্ৰণিধানযোগ্য যে, বৃহত্তৰ আদিবাসী জনগোষ্ঠীৰ অন্তৰ্গত পৰজা জনজাতিৰ প্ৰথমজন স্নাতক ডিগ্ৰীধাৰী প্ৰয়াত ৰঞ্জিত পৰজাৰ অষ্টম মৃত্যু বাৰ্ষিকী তথা স্মৃতি দিৱস অনুষ্ঠানটি লখিমপুৰ জিলা পৰজা সমাজৰ সভাপতি চামেল টুঁড়কাই পৰিচালনা কৰে। পৰজা জনজাতীয় গৱেষণা কেন্দ্ৰ সঞ্চালক মিণ্টু মিঞ্জুৱে আঁত ধৰা অনুষ্ঠানটিত প্ৰথমে প্ৰয়াত ৰঞ্জিত পৰজাৰ কবৰত চাকি-বন্তি জ্বলোৱাৰ লগতে পুষ্প অৰ্পণ কৰে তেখেতৰ পৰিয়ালবৰ্গৰ লগতে পৰজা সমাজৰ ৰাইজে। স্মৃতি দিৱস অনুষ্ঠানৰ সমজুৱা আলোচনাত অসম পৰজা সমাজৰ কেন্দ্ৰীয় কোষাধ্যক্ষ যাকোৱ আইন্দ আৰু সাংগঠনিক সম্পাদক দেৰেন মেলাক্কাই প্ৰয়াত পৰজাৰ জীৱনকৃতি সন্দৰ্ভত বক্তব্যত উল্লেখ কৰে। অনুষ্ঠানটিত কুৰিৰো অধিক পৰজা ৰাইজে অংশগ্ৰহণ কৰে।

# বৃহৎ নদীবান্ধ বন্ধৰ দাবীত মাজুলী জিলা যুৱ ছাত্ৰ পৰিষদৰ দ্বাৰা ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ

**অসম বাৰ্তা, মাজুলী, ৩০ অক্টোবৰ ঃ** নামনি সোৱণশিৰী নদী বান্ধকে ধৰি বৃহৎ নদী বান্ধ বন্ধৰ প্ৰতিবাদত আজি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ মাজুলী জিলা সমিতিয়ে দেশৰ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীলৈ মাজুলী জিলা আয়ুক্তৰ যোগেদি স্মাৰক পত্ৰ প্ৰেৰণ কৰে। যুৱ ছাত্ৰ পৰিষদৰ সভাপতি মুনিন্দ্ৰ ভূএঞা আৰু সম্পাদক সীমান্ত বৰাৰ স্বাক্ষৰিত স্মাৰক পত্ৰত উল্লেখ কৰা মতে, নিৰ্মীয়মান নামনি সোৱণশিৰি নদী বান্ধকে ধৰি প্ৰস্তাৱিত সকলো বৃহৎ নদী বান্ধ অসমৰ নদীমাতৃক সভ্যতা সংস্কৃতি জৈৱ বৈচিত্ৰ্য্য আৰু পৰিৱেশতন্ত্ৰৰ বাবে যে অত্যন্ত ভয়াবহ এই বিষয়টো ইতিমধ্যে পৰিবেশ বিজ্ঞানী, নদীবান্ধ বিশেষজ্ঞ সকলৰ গৱেষণাত প্ৰমাণিত হৈছে। সেয়েহে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে অসমৰ সভ্যতা সংস্কৃতি ধংস কৰিব পৰা সকলো ধৰণৰ বৃহৎ নদীবান্ধ নিৰ্মাণৰ বিৰোধিতা কৰি আহিছে। যুৱ-ছাত্ৰ পৰিষদে বিদ্যুৎ উৎপাদনৰ জৰিয়তে দেশৰ উদ্যোগিক প্ৰগতিৰ বিৰোধিতা কেতিয়াও নকৰে। কিন্তু বিদ্যুৎ উৎপাদনৰ নামত বৃহৎ নদীবান্ধ নিৰ্মাণ কৰি অসমৰ নদীমাতৃক সভ্যতা সংস্কৃতি, পৰিৱেশতন্ত্ৰ নিচিহ্ন কৰা, কৃষিভূমি নিঃশেষ কৰা, বৃহৎ নদীবান্ধৰ এৰি দিয়া পানীৰে মানুহ আৰু জীৱকুল হত্যা কৰা কাৰ্য যুৱ-ছাত্ৰ পৰিষদে কেতিয়াও মানি নলয়। বিদ্যুৎ উৎপাদনৰ বাবে বৃহৎ নদীবান্ধৰ সলনি অন্য বিকল্প ব্যৱস্থাৰ পোষকতা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে কৰি আহিছে। চলিত বৰ্ষত মাত্ৰ ৪০৫ মেগাৱাট সম্পন্ন ৰঙানদী নদীবান্ধৰ পানী খুলি দিয়াৰ পিছত যি ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হ'ল আৰু যি পৰিমাণৰ ক্ষয় ক্ষতি হল তাৰ বিপৰীতে ৰঙানদী নদীবান্ধতকৈ পাঁচগুণ অধিক ক্ষমতাসম্পন্ন অৰ্থাৎ ২০০০ মেগাৱাটৰ নামনি সোৱণশিৰি নদীবান্ধৰ পানীয়ে কি প্ৰলয়ৰ সৃষ্টি কৰিব পাৰে সেয়া কল্পনাতীত। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, অসমৰ বিভিন্ন দল সংগঠনৰ লগতে অসমৰ ৰাইজে নামনি সোৱণশিৰি বৃহৎ নদী বান্ধ বন্ধ কৰাৰ বাবে আৰম্ভণিৰে পৰা দাবী কৰি আহিছে। কেন্দ্ৰত শাসন চলাই থকা বিজেপি দলে পূৰ্বৰ চৰকাৰৰ দিনত অসমৰ জনগণৰ সৈতে অৱস্থান কৰি বৃহৎ নদীবান্ধৰ বিৰোধিতাৰে আন্দোলন কৰিছিল। কিন্তু অতি পৰিহাসৰ বিষয় যে সেই বিজেপি দলে কেন্দ্ৰত আৰু ৰাজ্যত চৰকাৰ গঠন কৰাৰ পিছত সম্পূৰ্ণ বিপৰীত বিপৰীত স্থিতি গ্ৰহণ কৰি বৃহৎ নদীবান্ধ নিৰ্মাণৰ উদ্যোগ লৈছে। কেন্দ্ৰীয় চৰকাৰে কেৱল নামনি সোৱণশিৰি বৃহৎ নদীবান্ধ নিৰ্মাণ সম্পূৰ্ণ কৰাৰ উদ্যোগ লোৱাত ক্ষান্ত নাথাকি চৰকাৰখনে নামনি অংশত অসমক বিস্তৰভাৱে প্ৰভাৱিত কৰিব পৰা সৰু বৰ প্ৰায় ৬৪টা নদীবান্ধ উত্তৰপূৰ্বাঞ্চলত নিৰ্মাণৰ আঁচনি গ্ৰহণ কৰিছে। ইতিমধ্যে দিবাং নদীবান্ধকে ধৰি কেতবোৰ বান্ধ নিৰ্মাণৰ প্ৰাৰম্ভিক কাম কাজ আৰম্ভ কৰিছে। এয়া কেন্দ্ৰীয় চৰকাৰে অসম তথা অসমীয়া ৰাইজৰ প্ৰতি কৰা চৰম অন্যায়। বিগত সময়ত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ আন্দোলনৰ ফলশ্ৰুতিত কেন্দ্ৰীয় চৰকাৰ আৰু নদীবান্ধ কৰ্তৃপক্ষৰ সৈতে হোৱা ত্ৰিপাক্ষিক আলোচনাতো অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে নদীবান্ধ বিশেষজ্ঞ সমিতিৰ প্ৰতিবেদনৰ আধাৰত দিয়া পৰামৰ্শ মতে নদীবান্ধৰ বিষয়টোত আগবাঢ়িবলৈ যুৱ-ছাত্ৰ পৰিষদে দাবী জনাইছিল। কিন্তু চৰকাৰে নিজে গঠন কৰি দিয়া বিশেষজ্ঞ সমিতিৰ পৰামৰ্শ নিজেই নস্যাৎ কৰিছে। সম্প্ৰতি নামনি সোৱণশিৰি বৃহৎ নদীবান্ধ নিৰ্মাণ সম্পূৰ্ণ হৈ প্ৰথমটো পৰীক্ষামূলক উৎপাদনৰ কাম আৰম্ভ কৰিছে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ স্পষ্ট কথা বিশেষজ্ঞ সমিতিৰ প্ৰতিবেদন ৰাজহুৱা নকৰাকৈ তথা বিশেষজ্ঞ সমিতিৰ পৰামৰ্শ অবিহনে নিৰ্মাণ কৰা নামনি সোৱণশিৰি বৃহৎ নদীবান্ধৰ উৎপাদনৰ কাম আৰম্ভ কৰিবলৈ দিয়া নহ'ব বুলি উল্লেখ কৰিছে। নামনি সোৱণশিৰি নদী বান্ধ সন্দৰ্ভত চৰকাৰে গঠন কৰি দিয়া বিশেষজ্ঞ সমিতিৰ পৰামৰ্শ গ্ৰহণ নকৰাকৈ নিৰ্মাণ কৰা গেৰুকামুখৰ নামনি সোৱণশিৰি নদীবান্ধ বন্ধ কৰাৰ বাবে আমি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ মাজুলী জিলা সমিতিৰ তৰফৰ পৰা দাবী জনালোঁ। ইয়াৰ অন্যথা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে অনাগত সময়ত কঠোৰ গণতান্ত্ৰিক আন্দোলন কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হব বুলি ৰাজহুৱা স্বাৰ্থ জড়িত স্মাৰক পত্ৰখনি দেশৰ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীলৈ পেৰণত বাবে মাজুলী জিলা অতিৰিক্ত আয়ুক্ত ভৰত কোঁৱৰৰ হাতত অৰ্পণ কৰে।

# গোৱালপাৰা চহৰত মুকলি হ'ল ডাইমণ্ড চিনেমা নামৰ ডিজিটেল চবিগৃহ

**অসম বাৰ্তা, গোৱালপাৰা, ৩০ অক্টোবৰ ঃ** গোৱালপাৰাবাসীৰ বাবে সুখবৰ কঢ়িয়াই আনিলে ডাইমণ্ড চিনেমা চবিগৃহটোৱে। কিয়নো গোৱালপাৰা চহৰত পোন প্ৰথমবাৰৰ বাবে সম্পূৰ্ণ ডিজিটেল চবিগৃহ হ'ব ডাইমণ্ড চিনিমা' গৃহটোৱে। জানিব পৰা মতে আজি গোৱালপাৰা চহৰত 'ডাইমণ্ড চিনেমা' নামেৰে এটি চবিগৃহ মুকলি হ'ল। চহৰৰ মাজমজিয়াত ট্ৰেণ্ডছ্ শ্বপিং মলৰ ৮ নং মহলাত স্থিত এই চবিগৃহটি। শুভ উদ্বোধনী অনুষ্ঠানটিৰ প্ৰথমতে নিমন্ত্ৰিত অতিথি সকলোক এখনি অসমীয়া ফুলাম গামোচা, এটি ফুলৰ বুকে আৰু এটি শৰাইৰে সন্মানিত কৰে ডাইমণ্ড চিনেমাৰ স্বত্বাধিকাৰি মতলেব্ হুছেইনে। ইয়াৰ পিচতে অতিথি সকলে বন্তি প্ৰজ্বলন কৰি প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি ও পুষ্প অৰ্পণ কৰে। শ্ৰদ্ধাঞ্জলিৰ পিচত চবিগৃহৰ লগতে স্থিত 'গেম্ জোন' টোও মুকলি কৰে অগপ নেতা আব্দুৰ ৰহিম জিব্ৰানে। আজিৰ শুভ উদ্বোধনী অনুষ্ঠানটিত মুখ্য অতিথি হিচাপে উপস্থিত থাকে গোৱালপাৰা জিলা আয়ুক্ত প্ৰদীপ টিমুং, গোৱালপাৰা পূৱ সমষ্টিৰ বিধায়ক এ কে ৰশ্বিদ আলম, গোৱালপাৰা উন্নয়ন বোৰ্ড চেয়াৰমেন দীপক কুমাৰ নাথ, অগপ নেতা আব্দুৰ ৰহিম জিব্ৰান, গোৱালপাৰা পৌৰ সভাৰ পৌৰপতি মহানন্দ পাঠক, স্বত্বাধিকাৰি মতলেব্ হুছেইনৰ পিতৃ আৰু উপস্থিত বহুকেইগৰাকী অতিথিবৃন্দ। আজিৰ উদ্ধধনী অনুষ্ঠানটিত প্ৰায় পাঁচ শতাধিক অতিথি উপস্থিত থাকে।

# ইণ্ডিয়ান ৰেড ক্ৰছ ছ'চাইটি, ডিব্ৰুগড় জিলা শাখাৰ উদ্যোগত প্ৰাকৃতিক দুৰ্যোগ প্ৰশমনৰ ৩ দিনীয়া প্ৰশিক্ষণৰ উদ্বোধনী

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩০ অক্টোবৰ ঃ** ডিব্ৰুগড় জিলা শাখাৰ ৰেডক্ৰছ ছচাইটিৰ দ্বাৰা আয়োজিত আজিৰ (২৯-১০-২৫) উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি ৰূপে বিপুল দাস, ডিব্ৰুগড় জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া আমন্ত্ৰিত অতিথি ৰূপে ডিব্ৰুগড়ৰ বিভিন্ন মহাবিদ্যালয় আৰু বিদ্যালয়ৰ পৰা নিৰ্বাচিত প্ৰশিক্ষাৰ্থীৰ এক বৃহৎ সমাৰেশৰ উপস্থিতিত ভাৰতীয় ৰেড ক্ৰছ ছ'চাইটি, ডিব্ৰুগড়ৰ উদ্যোগত আৰু অসম ৰাজ্যিক শাখা, ৰেড ক্ৰছ ছ'চাইটি, গুৱাহাটীৰ সহযোগত জাগ্ৰিটি প্ৰশিক্ষণ প্ৰেক্ষাগৃহত ৩ দিনীয়া জিলা জৰুৰীকালীন সঁহাৰি দলৰ গঠন আৰু প্ৰশিক্ষণৰ কাৰ্যসূচী উদ্বোধন কৰে। আৰম্ভণিতে অনুজ কুমাৰ বৰুৱা, সম্পাদকে, ৰেডক্ৰছ ছ'চাইটিৰ এই উদ্বোধনী অধিবেশনত সকলো অতিথি আৰু অংশগ্ৰহণকাৰীক আদৰণি জনায়। অনুষ্ঠানটি উদ্বোধন কৰি তেওঁৰ ভাষণত বিপুল দাসে এনে প্ৰশিক্ষণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে ডিব্ৰুগড়ৰ বৰ্তমান ভৌগোলিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত এনে উদ্ধাৰ কাৰী দলৰ নিতান্তই প্ৰয়োজন। তেওঁ ভাৰতীয় ৰেডক্ৰছ ছ'চাইটিৰ ডিব্ৰুগড় আৰু অসম ৰাজ্যিক শাখা, ৰেডক্ৰছ ছ'চাইটিৰ সকলো সদস্যকে এনে পদক্ষেপ লোৱাৰ বাবে অভিনন্দন জ্ঞাপন কৰে আৰু সকলো প্ৰশিক্ষাৰ্থীক এই কামত আত্মনিয়োগ কৰিবলৈ অনুৰোধ জনায়। অসম ৰাজ্যিক শাখাৰ সাধাৰণ সম্পাদক দেব প্ৰসাদ শৰ্মাই মানৱ সেৱাৰ বাবে জৰুৰীকালীন অৱস্থাত অত্যাৱশ্যকীয় দক্ষতা বৃদ্ধিৰ বাবে জিলাসমূহত এনে প্ৰশিক্ষণৰ প্ৰধান উদ্দেশ্যৰ ওপৰত আলোকপাত কৰে। ডিব্ৰুগড় ৰেডক্ৰছ ছ'চাইটিৰ অধ্যক্ষ ডঃ পঙ্কজ কুমাৰ শ্ৰুতিকৰে সভাপতিৰ মন্তব্যত কয় যে এনে এক স্বেচ্ছাসেৱক দলৰ গঠন আৰু প্ৰশিক্ষণৰ অভাৱ বিগত বহু বছৰৰ পৰাই অনুভৱ কৰি অহা হৈছিল আৰু সেয়েহে বহু প্ৰচেষ্টাৰ অন্তত এনে এক পদক্ষেপে অসম ৰাজ্যিক ৰেডক্ৰছ ছচাইটিৰ গুৱাহাটীৰ শাখাই লোৱাৰ বাবে সাধাৰণ সম্পাদক দেৱ প্ৰসাদ শৰ্মাৰ লগতে সকলো বিষয় ববীয়াক ধন্যবাদ জ্ঞাপন কৰে। ড° শ্ৰুতিকৰে সকলো প্ৰশিক্ষাৰ্থীক অন্ত: কৰণেৰে এই প্ৰশিক্ষণ শিবিৰত দুৰ্যোগ প্ৰশমনৰ সকলো দিশ তন্ন তন্নকৈ বুজি ল'বলৈ অনুৰোধ কৰে আৰু মানৱীয়তাৰ কামত ব্ৰতী হ'বলৈ আহ্বান জনায়। এই শিবিৰত উপপৃষ্ঠপোষক জ্যোতিপ্ৰসাদ কাঁনৈয়ে সকলো প্ৰশিক্ষাৰ্থীক এক উদগনিমূলক ভাষণ প্ৰদান কৰে। প্ৰশিক্ষণৰ বাবে গুৱাহাটীৰ অসম ৰাজ্যিক ৰেডক্ৰছ ছ'চাইটিৰ পৰা অহা দিব্যজ্যোতি ডেকাই প্ৰাথমিক স্তৰৰ পৰা সকলো দিশ সামৰি প্ৰজেক্টৰ সহায় লৈ দিনযোৰা এক কাৰ্যসূচী আৰম্ভ কৰে। এই প্ৰশিক্ষণৰ বাবে ৪৩জন সদস্য-সদস্যাই নিজৰ নাম পঞ্জীয়ন কৰে তিনিদিনীয়া এই প্ৰশিক্ষণৰ বাবে। অনুষ্ঠানত উপস্থিত থাকে ৰেডক্ৰছৰ আজীৱন সদস্য ড° ৰুনুমা শৰ্মা, প্ৰবাল দাস, প্ৰদীপ দেৱ গোস্বামী, সমীৰ কুমাৰ শৰ্মা, ইনু শইকীয়া ফুকন, গায়ত্ৰী দেৱী গোস্বামী, অঞ্জু বৰা, ড° মহেশ কুমাৰ জৈন, ৰাজকুমাৰ আগৰৱালা, পূৰবী চোধুৰী, উপ-পৃষ্ঠ পোষক ড° প্ৰণিত কুমাৰ চৌধুৰী আৰু আত্মাৰাম বিৰমিৱাল।

## মাজুলী মহাবিদ্যালয়লৈ শিক্ষাবিদ অতুল হাজৰিকাৰ গ্ৰন্থদান

# জ্ঞানৰ ভঁৰাল গ্ৰন্থদানৰ সমান মহৎ কৰ্ম নাই - ড° দেৱজিৎ শইকীয়া



**অসম বাৰ্তা, উজনী মাজুলী, ৩০ অক্টোবৰ ঃ** মাজুলীৰ এগৰাকী অক্লান্ত পৰিৱেশকৰ্মী, কমলাবাৰী গাৰ্লছ একাডেমিৰ অৱসৰপ্ৰাপ্ত বিজ্ঞান শিক্ষক তথা মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ অতুল হাজৰিকাই তেওঁৰ ভগ্নী তথা বৰিটীকা প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী প্ৰয়াত দীপ্তিৰাণী হাজৰিকাৰ স্মৃতিত গ্ৰন্থ ক্ৰয় কৰিবৰ বাবে আজি মাজুলী মহাবিদ্যালয়লৈ নগদ ত্ৰিশ হাজাৰ টকা দান কৰে। মহাবিদ্যালয়ৰ সদ্যপ্ৰয়াত প্ৰাক্তন ছাত্ৰী দীপ্তিৰাণী হাজৰিকাৰ স্মৃতিত দান দিয়া ধনৰাশি গ্ৰহণৰ লগতে দাতা, প্ৰকৃতিবিদ অতুল হাজৰিকাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিবলৈ অধ্যক্ষৰ কক্ষত আয়োজিত সভাত দাতা পৰিয়ালৰ হৈ অতুল হাজৰিকাই অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ হাতত সেই টকা আনুষ্ঠানিকভাৱে অৰ্পণ কৰে। আজিৰ সভাতে মাজুলী বিভিন্ন স্থানত নিজা পেঞ্চনৰ ধনেৰে পৰিৱেশ সজাগতা আৰু প্ৰকৃতি সুৰক্ষাৰ বাবে একাগ্ৰতাৰে সেৱা আগবঢ়াই যোৱা শিক্ষাবিদ অতুল হাজৰিকাক অংগবস্ত্ৰ, কিতাপৰ টোপোলা আৰু মহাবিদ্যালয়ৰ স্মাৰকেৰে সম্বৰ্ধনা জনোৱা হয়। সভাখনিত সভাপতিত্ব কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই অতুল হাজৰিকাই কৰা সমাজ সেৱা সঁচাই অতুলনীয় বুলি মন্তব্য কৰি ভগ্নীৰ স্মৃতিত নিজে পঢ়ি যোৱা মাজুলীৰ প্ৰাচীনতম উচ্চ শিক্ষানুষ্ঠানটিলৈ দিয়া দানে দুখীয়া শিক্ষাৰ্থীৰ পৰম উপকাৰ সাধিব বুলি কয়। লগতে আগন্তুক সময়তো মহাবিদ্যালয়খনিলৈ তেওঁৰ সহায়-সহযোগিতা কামনা কৰে। অতুল হাজৰিকাৰ এই বদান্যতাৰ কথা মহাবিদ্যালয়ে সদায় মনত ৰাখিব বুলি উল্লেখ কৰি অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, "পৱিত্ৰ জ্ঞানৰ ভঁৰাল গ্ৰন্থ দানৰ সমান মহৎ কৰ্ম নাই। এই কৰ্মই ভৱিষ্যত প্ৰজন্মক উপকৃত কৰে।" গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাসে আঁত ধৰা সভাত নিজৰ অনুভৱ প্ৰকাশ কৰি অতুল হাজৰিকাই তেওঁ আৰু তেওঁৰ ভগ্নীয়ে মহাবিদ্যালয়ত পঢ়ি থকা দিনবোৰৰ কথা স্মৰণ কৰাৰ লগতে মহাবিদ্যালয়খনৰ বৰ্তমানৰ অৱস্থা দেখি আনন্দিত হোৱা বুলি উল্লেখ কৰে। সভাত মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সৰ্বেশ্বৰ হাজৰিকা আৰু নৰেন চন্দ্ৰ ঠাকুৰীয়া, প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ড° অনুপ কুমাৰ দলে, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি সুৰেন্দ্ৰ নাথ মুদৈ, সম্পাদক তুলসী ৰাজখোৱা, জ্যেষ্ঠ অধ্যাপক ড° ৰাজেন চন্দ্ৰ বৰা, ইন্দিৰা বড়া, ড° ৰূপজ্যোতি বৰা, প্ৰণীতা ৰাজখোৱা, সুৰেন চন্দ্ৰ দাস, অপূৰ্বজ্যোতি হাজৰিকা, ড° দুলাল হাজৰিকা, ড° প্ৰফুল্ল বৰা, প্ৰণৱজ্যোতি বৰা, দেৱজ্যোতি খাটনিয়াৰ, সত্ৰীয়া শিল্পী উপেন বৰা বৰগায়ন, সমাজকৰ্মী যুগল হাজৰিকা, শিক্ষাবিদ ডিম্বেশ্বৰ শইকীয়া, মহাবিদ্যালয় কৰ্মচাৰী গোটৰ সভাপতি পদ্মধৰ বৰুৱা, গ্ৰন্থাগাৰ সহায়ক দেৱজিৎ বৰুৱা প্ৰমুখ্য লোকসকল উপস্থিত থাকে।

# ১২ নৱেম্বৰত কটহগুৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন

**অসম বাৰ্তা, বটদ্ৰৱা, ৩০ অক্টোবৰ ঃ** নগাঁও আৰু মৰিগাঁও জিলাৰ সীমামূৰীয়া বৃহত্তৰ টুকটুকী অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান কটহগুৰি মহাবিদ্যালয়ৰ ২০২৫-২৬ শিক্ষা বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনটো অহা ১২ নৱেম্বৰত অনুষ্ঠিত হ'ব। সভাপতি পদৰ বাবে ইমৰাণ হুছেইন আৰু আনচাৰুল হকে আজি মনোনয়ন পত্ৰ দাখিল কৰে। ইপিনে, সাধাৰণ সম্পাদকৰ পদৰ বাবে চুহেব আহমেদ, আমিনুল হক আৰু মুখেছ খাওন্দে মনোনয়ন পত্ৰ আজি দাখিল কৰিছে। বিভিন্ন পদৰ বাবে ২৯ গৰাকী প্ৰাৰ্থীয়ে আজি মনোনয়ন পত্ৰ দাখিল কৰিছে বুলি জানিব পৰা গৈছে। ইপিনে, অহা ৪ আৰু ৬ নবেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয়খনৰ নৱাগত আদৰণি সভাখন আয়োজন কৰা হৈছে বুলি আজি অধ্যক্ষ ড° খাইৰুল ইছলামে এদল সাংবাদিকক জানিবলৈ দিয়ে।

## সপ্তাহজোৰাকৈ উদ্‌যাপন হ'ব ৰাস মহোৎসৱ

# সৰুপথাৰ সমজিলাৰ ঐতিহ্যমণ্ডিত মধ্যমপুৰ ৰাস মহোৎসৱৰ ব্যাপক প্ৰস্তুতি



**অসম বাৰ্তা, ধনশিৰি, ৩০ অক্টোবৰ ঃ** সৰুপথাৰ সমজিলাৰ মধ্যমপুৰ সৰ্বজনীন ৰাস মহোৎসৱ উজনি অসমৰ ভিতৰতে এক সমাদৃত আধ্যাত্মিক অনুষ্ঠান। এই ৰাস মহোৎসৱে মানৱ সমাজলৈ কঢ়িয়াই আনে ঐক্য, শান্তি, ভাতৃত্ববোধ, আৰু শ্ৰীশ্ৰী কৃষ্ণৰ ভক্তিৰসৰ অমৃত বাণী। বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত সম্প্ৰীতিৰ ঐতিহ্য বহন কৰি একপ্ৰকাৰ পৰম্পৰাগতভাৱে মুকুতাৰ সন্ধানৰ অবিস্মৰণীয় যাত্ৰাৰে এই ৰাস মহোৎসৱভাগিয়ে গৌৰৱপূৰ্ণভাৱে বিগত ৪১টা শৰৎ সফলতাৰে অতিক্ৰম কৰিবলৈ সক্ষম হৈছে। মধ্যমপুৰ সৰ্বজনীন ৰাস মহোৎসৱভাগ উপভোগ কৰিবলৈ প্ৰতিবছৰেই অসমৰ বহু দুৰ দুৰণিৰ পৰা অগণন ভক্তই সমাগম কৰে। উল্লেখ্য যে, মধ্যমপুৰ অঞ্চলৰ কণ কণ মইনা-মইনিহঁতৰ পৰা, ডেকা-গাভৰু আৰু আবাল বৃদ্ধলৈকে সকলোৰে খুউব নিয়াৰিকৈ তথা সুশৃংখলভাৱে অনুষ্ঠানভাগ সফল কৰাৰ স্বাৰ্থত সকলোৰে সমানে সহযোগিতা আগবঢ়াই। সেই পৰম্পৰা আৰু ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি এইবাৰো মধ্যমপুৰ হৰি মন্দিৰ প্ৰাঙ্গনৰ ৰাজহুৱা খেলপথাৰত আগন্তুক ৪ নৱেম্বৰ তাৰিখৰ পৰা ১০ নৱেম্বৰ তাৰিখলৈকে সপ্তাহযোৰাকৈ ৪২সংখ্যক মধ্যমপুৰ সৰ্বজনীন ৰাস মহোৎসৱভাগি উদ্‌যাপন কৰিবলৈ আগবাঢ়িছে। ইতিমধ্যে ৰাস মহোৎসৱৰ সকলোবিলাক প্ৰস্তুতি প্ৰায় সম্পন্ন হৈছে। উল্লিখিত দিনকেইটাত বিশেষ নাট্যগোষ্ঠীৰ দ্বাৰা ভাওনা প্ৰদৰ্শন, মৃণ্ময় মূৰ্তি স্থাপন, নামনি অসমৰ এক বিশেষ নাট্য গোষ্ঠীৰ দ্বাৰা যাত্ৰা নাট প্ৰদৰ্শন, নাম-কীৰ্তন, ভাগৱত পাঠ, আধ্যাত্মিক ভক্তিৰসৰ চৈতন্য, ছাত্ৰ-ছাত্ৰীৰ মাজত জ্ঞান অন্বেষণৰ বাবে বিভিন্ন সাহিত্য প্ৰতিযোগিতা, নৃত্য প্ৰতিযোগিতা, সাংস্কৃতিক অনুষ্ঠান, আমন্ত্ৰিত শিল্পীৰ সঙ্গীতানুষ্ঠান ইত্যাদি বহুসংখ্যক গুৰুত্বপূৰ্ণ কাৰ্যসূচী সম্পন্ন কৰা হব। ইয়াৰ উপৰি উক্ত অনুষ্ঠানৰ মজিয়াত হিয়াৰ আমঠু জুবিন গাৰ্গৰ এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰো আয়োজন কৰিছে। ৰাস মহোৎসৱৰ লগত সঙ্গতি ৰাখি বিগত বছৰসমূহৰ দৰে এইবাৰো মধ্যমপুৰ হৰি মন্দিৰ ৰাজহুৱা খেলপথাৰত বিভিন্ন বাণিজ্য মেলাও অনুষ্ঠিত কৰিব। উক্ত দিনকেইটাত উদ্‌যাপন সমিতিৰ লগতে স্থানীয় বিধায়ক, আমন্ত্ৰিত অতিথি, বহু সংখ্যক বিষয়া কৰ্মচাৰী, বিশিষ্ট ব্যক্তি, সাহিত্য আৰু সাংস্কৃতিক কৰ্মী, সমাজকৰ্মী, ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত ভকত বৈষ্ণৱ উপস্থিত থাকিব। সেয়েহে উদযাপন সমিতিয়ে সপ্তাহযোৰাকৈ আয়োজন কৰা এই মধ্যমপুৰ সৰ্বজনীন ৰাস মহোৎসৱভাগিলৈ সকলো ভক্তপ্ৰাণ ৰাইজক আমন্ত্ৰণ জনাইছে।

# চামগুৰিত বীৰ লাচিত সেনাৰ তিনিজন সদস্যক আটক

**অসম বাৰ্তা, পুৰণিগুদাম, ৩০ অক্টোবৰ ঃ** ৰাজ্যৰ আৰক্ষী বিভাগে বীৰ লাচিত সেনাৰ বিৰুদ্ধে অভিযান অব্যাহত ৰখাৰ সমান্তৰালভাৱে নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে বীৰ লাচিত সেনাৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে। নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে আজি বীৰ লাচিত সেনাৰ বিৰুদ্ধে অভিযান চলাই তিনিজন বীৰ লাচিত সেনাৰ সদস্যক আটক কৰে। জানিব পৰা মতে, কলিয়াবৰ আঞ্চলিক সমিতিৰ সভাপতি দীপজ্যোতি ফুকন আৰু সদস্য ক্ৰমে প্ৰাঞ্জল দাস আৰু ৰূপতি বৰাক চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে আটক কৰাৰ লগতে আৰক্ষীয়ে নিজাববীয়াকৈ গোচৰ ৰুজু কৰি সদস্য কেইজনক জেৰা অব্যাহত ৰখাৰ লগতে আৰু বাকী সদস্যক আটক কৰিবলৈ অভিযান অব্যাহত ৰাখিছে বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিছে। আৰক্ষীয়ে আটক কৰা বীৰ লাচিত সেনাৰ সদস্য কেইজনে চোৰাং গৰু ব্যৱসায়ীৰ পৰা ধন দাবী কৰাৰ অভিযোগ আছে বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিছে।

## গুৰুজনাৰ সৃষ্টিৰাজিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিব লাগিব - ড°অমিয়া পাটৰ

# ঢেকীয়াজুলিত সেতুবন্ধন সমাৰোহৰ সামৰণি




**অসম বাৰ্তা, ঢেকীয়াজুলি, ৩০ অক্টোবৰ ঃ** ঢেকীয়াজুলি নগৰৰ ছহিদ ময়দানত সদৌ অসম সত্ৰ মহাসভাৰ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত সেতুবন্ধন সমাৰোহৰ আজি সামৰণি পৰে। আজি দ্বিতীয় দিনাৰ কাৰ্যসূচীত দিনৰ ১২ বজাত আলোচনাচক্ৰ অনুষ্ঠিত কৰা হয়। "নৱ-প্ৰজন্মৰ দৃষ্টিত সত্ৰীয়া সংস্কৃতিৰ প্ৰাসংগিকতা" শীৰ্ষক আলোচনাচক্ৰখনি উদ্বোধন কৰে দৈনিক অসম কাকতৰ উপ-সম্পাদক যশোৱন্ত শৰ্মাই। সদৌ অসম সত্ৰ মহাসভাৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি তুলসী বৰঠাকুৰৰ সঞ্চালনাত অনুষ্ঠিত আলোচনাচক্ৰ খনিত আলোচক হিচাপে অংশ গ্ৰহণ লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডম্ভ হৰিপ্ৰসাদ বৰুৱাই কয়, সত্ৰীয়া সংস্কৃতি অসমৰ ঐতিহ্য। অসমত ইয়াৰ প্ৰাসংগিকতা সদায় থাকিব। সত্ৰীয়া সংস্কৃতি চৰ্চাৰ ক্ষেত্ৰত পুৰণি বিশ্বাস আৰু সংস্কাৰৰ ঠাইত আধুনিক তথা বিজ্ঞানসন্মত পন্থা অৱলম্বন কৰিব লাগিব বুলি বৰুৱাই ভাষণত উল্লেখ কৰে। তেওঁ লগতে কয়, নৱ প্ৰজন্মক আধুনিক বিজ্ঞানসন্মত দৃষ্টিভংগীৰে সত্ৰীয়া সংস্কৃতিৰ চৰ্চা কৰিবলৈ বাট মুকলি কৰি দিব লাগিব। নতুন শিক্ষা নীতিৰ অন্তৰ্গত দক্ষতা বিকাশ পাঠ্যক্ৰমত মুখা শিল্পক এটা পাঠ্য হিচাপে সন্নিবিষ্ট কৰিলে নতুন প্ৰজন্ম সত্ৰীয়া সংস্কৃতিৰ প্ৰতি অধিক আগ্ৰহী হ'ব বুলি ড° বৰুৱাই নিজৰ ভাষণত উল্লেখ কৰে। সত্ৰ মহাসভাক এই ক্ষেত্ৰত উচিত পদক্ষেপ গ্ৰহণ কৰিবলৈ তেওঁ আহ্বান জনায়। উক্ত আলোচনাচক্ৰত লেখক-সাংবাদিক পুলিন কলিতাই শংকৰদেৱৰ সৃষ্টিৰাজি তথা নামঘৰৰ বিশেষত্ব দাঙি ধৰে। আলোচনাচক্ৰখনিত তেজপুৰ বিধানসভা সমষ্টিৰ বিধায়ক পৃথ্বীৰাজ ৰাভা অতিথি হিচাপে উপস্থিত থাকে। আজি বিয়লি ২-৩০ বজাত পুখুৰীপাৰ সত্ৰৰ সত্ৰাধিকাৰ প্ৰদীপ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত অভ্যৰ্থনা সমিতিৰ সভাপতি ড° শুকদেৱ অধিকাৰীয়ে আদৰণি ভাষণ দিয়ে। সভাত নগাঁও ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড°অমিয়া পাটৰে বিশিষ্ট অতিথিৰ ভাষণত কয়, গুৰুজনাৰ আদৰ্শেৰে আমি এখন সুস্থিৰ সমাজ গঢ়িব লাগিব। গুৰুজনাৰ সৃষ্টিৰাজিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিব লাগিব। গুৰুজনাৰ সৃষ্টিৰাজি আৰু সত্ৰীয়া সংস্কৃতিৰ বিকাশৰ কাৰণে সদৌ অসম সত্ৰ মহাসভাই লোৱা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। সভাত তেজপুৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° জ্যোতিকমল হাজৰিকাই স্মৃতিগ্ৰন্থ উন্মোচন কৰে। উন্মোচন কৰি দিয়া ভাষণত তেওঁ কয়, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ কেৱল ধৰ্মপ্ৰচাৰক নাছিল। তেখেত এজন সমাজ সংস্কাৰক আছিল। এই জনা মহাপুৰুষৰ আদৰ্শেৰে আমি সমাজক সংস্কাৰিত কৰিব লাগিব বুলি উন্মোচকগৰাকীয়ে মতপ্ৰকাশ কৰে। সভাত বিশ্ব হিন্দু পৰিষদৰ উত্তৰ পূৰ ক্ষেত্ৰৰ সাধাৰণ সম্পাদক কুমুদ বৰঠাকুৰ, সদৌ অসম সত্ৰ মহাসভাৰ প্ৰধান সম্পাদক প্ৰান্তিক গোস্বামী, অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি ৰাতুল কুমাৰ নাথ, সত্ৰাধিকাৰ যদুমণি গোস্বামীয়ে ভাষণ দিয়ে। সভাত নামঘৰীয়া ক্ৰমে- ডিম্বেশ্বৰ দাস, বুবুল বৰা, ৰাম হাজৰিকা, নীল বৰা, পুতুল বৰা, ভুৱন দাসক অভ্যৰ্থনা সমিতিৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়।

# বাক্সাৰ উদীয়মান নবীন কবি মোহন গৌতমক সম্বৰ্ধনা

**অসম বাৰ্তা, বাগানপাৰা, ৩০ অক্টোবৰ ঃ** বাক্সা জিলাৰ উদীয়মান নবীন কবি মোহন গৌতমক তেওঁৰ হিন্দী ভাষাৰ কবিতা "মৰ্মিকতা মে' অশ্ৰুও কে ধাৰা" আৰু নেপালী ভাষাৰ কবিতা "জিন্দগী কথা ৰসেচ" কবিতাৰ বাবে সম্বৰ্ধনা জ্ঞাপন কৰিছে। পাঠশালাৰ চন্দ্ৰ প্ৰভা শইকীয়ানী বিজ্ঞান একাডেমীত অনুষ্ঠিত ভূমিৰ কবিতা আৰু পোহৰ আলোচনীৰ উদ্যোগত আৰু জ্ঞানম আৰু সাধনা সাহিত্য গোষ্ঠীৰ সহযোগত অনুষ্ঠিত হোৱা জনজাতীয় কবি সন্মিলনত ফুলাম গামোচা, মানপত্ৰ, বঁটা প্ৰদান কৰি সম্বৰ্ধনা জ্ঞাপন কৰে। এই জনজাতীয় কবি সন্মিলনত অসমীয়া, বড়ো, নেপালী হিন্দী ভাষাৰ লগতে আন আন জনগোষ্ঠীয় ভাষাৰ কবি সকলে স্ব-ৰচিত কবিতা পাঠ কৰে। প্ৰায় ৭০ জনতকৈ অধিক বিভিন্ন ভাষা ভাষীৰ কবি সকল উপস্থিত থাকে।

# সৰুপথাৰ মহাবিদ্যালয়ত সাহিত্যাচাৰ্য্য বিশ্বেশ্বৰ হাজৰিকা কেন্দ্ৰীয় গ্ৰন্থাগাৰ মুকলি

**অসম বাৰ্তা, ধনশিৰি, ৩০ অক্টোবৰ ঃ** সৰুপথাৰ মহাবিদ্যালয়ত আজিৰে পৰা নতুনকৈ সংযোজন হৈছে এটি আটক-ধুণীয়া গ্ৰন্থাগাৰ। নুমলীগড় শোধনাগাৰৰ অৰ্থ সাহায্যৰে নিৰ্মাণ কৰা সাহিত্যাচাৰ্য্য বিশ্বেশ্বৰ হাজৰিকা কেন্দ্ৰীয় গ্ৰন্থাগাৰটি উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই। তেখেতে কয় পুথিভঁৰালৰ পৰা উপযুক্ত ব্যৱহাৰৰ দ্বাৰাহে আচল লাভলাভ কৰিব পাৰি। গতিকে ছাত্ৰ-ছাত্ৰী সকলে ইয়াৰ উচিত ব্যৱহাৰ কৰক। কাৰণ গ্ৰন্থ নাথাকিলে আমি জাতি জীয়াই ৰাখিব নোৱাৰোঁ। সৰুপথাৰ মহাবিদ্যালয়ৰ এই পুথিভঁৰালটোত ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰৱেশ আৰু প্ৰস্থানৰ ক্ষেত্ৰত ব্যৱস্থা কৰা ডিজিটাইজেশ্বন পদ্ধতিক আৰু পুথিভঁৰালটোৰ ভিতৰৰ পৰিৱেশক উপচাৰ্য গৰাকীয়ে উচ্চ প্ৰশংসা কৰে। দুটি মহলত নিৰ্মাণ কৰা পুথিভঁৰালটোত ইতিমধ্যে যথেষ্ট সংখ্যক মূল্যবান গ্ৰন্থৰে ভৰাই তোলা হৈছে। সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ শৈক্ষিক উত্তৰণৰ ক্ষেত্ৰত খুউব সুন্দৰ পৰিৱেশ গঢ়ি তোলা হৈছে। সৰুপথাৰ মহাবিদ্যালয়ৰ আন্তঃগাঁথনি জিলাখনৰ ভিতৰতে আগবঢ়া। কেৱল ছাত্ৰ-ছাত্ৰী সকলে নিজক আগুৱাই নিয়াৰ বাবে অলপ মনোযোগ দিলেই সফল হ'ব পাৰিব। গ্ৰন্থাগাৰ উন্মোচনী অনুষ্ঠানটোত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য গৰাকীৰ লগত সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন, নুমলীগড় শোধনাগাৰৰ মুখ্য মহাপ্ৰবন্ধক কাজল শইকীয়া, সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষা ড° প্ৰাপ্তি ঠাকুৰ, নাগালেণ্ড গ্লোৱেল অপেন ইউনিভাৰ্চিটিৰ প্ৰাক্তন উপাচাৰ্য ড° হেমচন্দ্ৰ নাথ দত্ত, স্বৰ্গীয় বিশ্বেশ্বৰ হাজৰিকাৰ সহধৰ্মিনী লাৱন্য হাজৰিকা, অসমীয়া প্ৰতিদিন কাকতৰ জ্যেষ্ঠ সাংবাদিক ধৈৰ্য্য হাজৰিকা, সৰুপথাৰ মহাবিদ্যালয়ৰ সকলো শিক্ষক কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী সকল উপস্থিত থাকি সহযোগিতা আগবঢ়ায়।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ত জ্যোতিপ্ৰসাদ আগৰৱালাৰ শোণিত কুঁৱৰী নাটৰ শতবাৰ্ষিকী উপলক্ষে বক্তৃতানুষ্ঠান সম্পন্ন



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩০ অক্টোবৰ ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰ আৰু সাংবাদিকতা আৰু গণ সংযোগ অধ্যয়ন কেন্দ্ৰৰ যৌথ উদ্যোগত জ্যোতিপ্ৰসাদ আগৰৱালাৰ "শোণিত কুঁৱৰী" নাটকৰ শতবাৰ্ষিকী উপলক্ষে এক বিদ্যায়তনিক বক্তৃতানুষ্ঠান সম্পন্ন হয়। বিশ্ববিদ্যালয়ৰ ইন্দিৰা মিৰি সভাকক্ষত অনুষ্ঠিত 'শোণিতকুঁৱৰী নাটকৰ এশবছৰ আৰু জ্যোতিপ্ৰসাদৰ নাট্যচিন্তাৰ সাম্প্ৰতিক প্ৰাসংগিকতা'- শীৰ্ষক বক্তৃতানুষ্ঠানটি উদ্বোধন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰাধ্যাপক ড° জিতেন হাজৰিকাই। উদ্বোধনী ভাষণত উপাচাৰ্যগৰাকীয়ে জ্যোতিপ্ৰসাদৰ চিন্তা আৰু দৰ্শনত থকা ৰূপান্তৰ- চেতনাৰ গুৰুত্ব সম্পৰ্কে আলোকপাত কৰি শিল্পীগৰাকীৰ সৃষ্টি আৰু চিন্তাৰ প্ৰাসংগিকতা সদায় থাকিব বুলি ভাষণ প্ৰসংগত উল্লেখ কৰাৰ লগতে সময়ে মহান সৃষ্টিৰ আবেদন বঢ়াই গৈ থাকে বুলিও উপাচাৰ্যগৰাকীয়ে মন্তব্য কৰে। ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ অধ্যক্ষ ড° পল্লৱী ডেকা বুজৰবৰুৱাই ৰূপকোঁৱৰক শিল্পী সত্তাৰ প্ৰসংগত আলোকপাত কৰি আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানটিত মূল বক্তৃতা প্ৰদান কৰে নগাওঁ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক, বিশিষ্ট সাহিত্য সমালোচক অৰিন্দম বৰকটকীয়ে। ভাষণত তেওঁ জ্যোতিপ্ৰসাদৰ সৃষ্টি আৰু আদৰ্শৰ পৃষ্ঠভূমি ব্যাখ্যা কৰি শোণিত কুঁৱৰী নাটকত প্ৰতিফলিত জ্যোতি প্ৰসাদৰ সাংস্কৃতিক দৰ্শন, শিল্প- চেতনা আদিৰ সম্পৰ্কে বিস্তৃতভাৱে আলোকপাত কৰে। জ্যোতিপ্ৰসাদে ঐতিহ্য, সমকাল আৰু ভৱিষ্যতৰ প্ৰতি দিয়া দৃষ্টিৰ সম্পৰ্কেও বৰকটকীয়ে আলোকপাত কৰে লগতে জ্যোতি চিন্তাৰ বিশে-ষণাত্মক আলোচনা আগবঢ়ায়। বক্তৃতানুষ্ঠানৰ সন্মানীয় অতিথি, জ্যোতিপ্ৰসাদ আগৰৱালাৰ কণ্যা জয়শ্ৰী চলিহাই শিল্পীগৰাকীৰ সৃষ্টি আৰু সাধনাৰ বিষয়ে আলোকপাত কৰাৰ লগতে জ্যোতিৰ কবিতা আবৃত্তি কৰি সকলোকে মুগ্ধ কৰে। বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰ-সাংবাদিকতা আৰু গণ সংযোগ অধ্যয়ন কেন্দ্ৰৰ শিক্ষাৰ্থীসকলে পৰিৱেশন কৰা শোণিত কুঁৱৰী নাটকৰ গীত, নৃত্য আৰু নাট্য-খণ্ড দৃশ্যই সকলোকে মুগ্ধ কৰা অনুষ্ঠানটিত শলাগ জ্ঞাপন কৰে সাংবাদিকতা আৰু গণ সংযোগ অধ্যয়ন কেন্দ্ৰৰ অধ্যক্ষ ড° প্ৰাঞ্জল প্ৰতীম বুঢ়াগোহাঁয়ে। বিশ্ববিদ্যালয়ৰ শিক্ষক সংস্থাৰ সভাপতি ড° ডেভিদ কাৰ্দং, গ্ৰন্থাগাৰিক ড° উৎপল দাস, কবি আবৃত্তিকাৰ জিণ্টি হাজৰিকাকে ধৰি বিশ্ববিদ্যালয়ৰ শিক্ষক, গৱেষক আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত প্ৰাণৱন্ত হৈ পৰা সমগ্ৰ বক্তৃতানুষ্ঠানটি আঁত ধৰে ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ সহকাৰী অধ্যাপক ড° মৃণাল কুমাৰ বৰুৱাই।

# বকোত বড়ো ছাত্ৰ সন্থাৰ উদ্যোগত বিটিআৰ চুক্তিৰ দফাসমূহ কাৰ্য্যকৰী কৰাৰ দাবীত প্ৰতিবাদী সমদল; স্মাৰক পত্ৰ প্ৰদান

**অসম বাৰ্তা, বকো, ৩০ অক্টোবৰ ঃ** খিলঞ্জীয়া জনগোষ্ঠী সমূহৰ অন্যতম বড়ো জনগোষ্ঠীৰ শৈক্ষিক দিশ উত্তোৰণৰ স্বাৰ্থত কাম কৰি আহা ছাত্ৰ সংগঠন নিখিল বড়ো ছাত্ৰ সন্থাৰ দক্ষিণ কামৰূপ জিলা সমিতিৰ উদ্যোগত আজি কামৰূপ জিলাৰ বকোত আয়োজন কৰে এক প্ৰতিবাদী সমদল। উল্লেখ্য যে; বড়ো শান্তি চুক্তিৰ আধাৰত লাভ কৰা বি টি আৰ ২০২০ চনৰ চুক্তিত স্বাক্ষৰ কৰা বড়ো জনগোষ্ঠীৰ বিকাশৰ দফা সমূহ কাৰ্য্যকৰী নকৰাত ক্ষোভিত হৈ পৰিছে বড়ো ছাত্ৰ সন্থা। কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ লগতে বড়ো জাতীয় সংগঠন সমূহৰ লগত হোৱা ত্ৰিপাক্ষিক বৈথকৰ চুক্তিত স্বাক্ষৰ কৰা দফা সমূহ অতি শীঘ্ৰে কাৰ্য্যকৰী কৰণ কৰিবলৈ দাবী জনায় আজি বকোৰ ৰাষ্ট্ৰীয় ঘাইপথ উত্তাল কৰি তোলে। ইফালে দক্ষিণ কামৰূপ জিলা নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি চানচোৰাং বসুমতাৰী আৰু সাধাৰণ সম্পাদক জীতেন বড়োই জনোৱা অনুসৰি বড়োলেণ্ড গঠনৰ লগতে বি কে ডব্লিউ চি; এন ডি এফ বিৰ সমস্যা আৰু চুক্তিত স্বাক্ষৰ কৰা দফা সমূহ কাৰ্য্যকৰী কৰাৰ দাবীত আজি বকো-ছয়গাঁও সমজিলাৰ আয়ুক্তৰ জৰিয়তে অসম চৰকাৰলৈ স্মাৰক পত্ৰ প্ৰদান কৰে।

# অভয়াপুৰী ডুমুৰীয়াত অবিশ্বাস্য আৰু ৰহস্যজনক ঘটনা

**অসম বাৰ্তা, লেংটিছিঙা, ৩০ অক্টোবৰ ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী চহৰৰ ওচৰৰ ডুমুৰীয়া গাঁৱত এইবাৰ সৃষ্টি হৈছে তীব্ৰ আতংক। যোৱা ২৯ ছেপ্টেম্বৰৰ পৰা গাঁওখনত এটাৰ পৰা আনএটা অবিশ্বাস্য আৰু ৰহস্যজনক ঘটনা সংঘটিত হৈ আহিছে। স্থানীয় ৰাইজৰ ভাষ্যমতে, কেতিয়াবা নিজে নিজে জুই জ্বলি উঠা, ঘৰৰ চালিত শিল দলিয়াই অহা, এনেধৰণৰ কাৰ্য্য চলি আছে। এই ঘটনাবোৰে গাঁওখনৰ জনজীৱন একেবাৰে তছনছ কৰি পেলাইছে। ভয়ৰ বাবেই গাঁওবাসীয়ে এতিয়া প্ৰতি নিশা দলবদ্ধভাৱে পহৰা দিবলৈ আৰম্ভ কৰিছে। কিন্তু এতিয়ালৈকে কোনো দুস্কৃতিকাৰী বা সন্দেহজনক ব্যক্তিক ধৰা পৰা নাই। যি ঘটনাই গাঁওখনৰ ৰহস্যক আৰু গভীৰ কৰিছে। গাঁওবাসীৰ বিশ্বাস এয়া ভূতৰ আতংক। এই সন্দৰ্ভত স্থানীয় ৰাইজে ইতিমধ্যে আৰক্ষী চকীত লিখিত অভিযোগ দাখিল কৰিছে। আৰক্ষীৰ তদন্তৰ পাছতেই পোহৰলৈ আহিব ঘটনাৰ পিচত কোনো দুষ্টচক্ৰৰ হাত আছে নে, সঁচাই কোনো অদ্ভুত ঘটনা।

# বিশিষ্ট বায়ন জ্যোতি প্ৰসাদ বৰুৱাৰ আদ্যশ্ৰাদ্ধত অংকীয়া নাট প্ৰদৰ্শন

**অসম বাৰ্তা, বেবেজীয়া, ৩০ অক্টোবৰ ঃ** যোৱা ১৮ অক্টোবৰ তাৰিখে বেবেজীয়াৰ নিকটৱৰ্টী ন-মাটিৰ বিশিষ্ট বায়ন জ্যোতি প্ৰসাদ বৰুৱাৰ আকস্মিক বিয়োগ হোৱাত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। তেখেতৰ আদ্যশ্ৰাদ্ধৰ দিনা নিশা অঞ্চলৰ ৰাইজে অনুষ্ঠিত কৰে গুৰুজনাৰ অংকীয়া ভাওনা পাৰিজাত হৰণ। প্ৰয়াত বায়ন গৰাকীৰ পৰিয়াল বৰ্গৰ ব্যৱস্থাপনাত, অঞ্চলবাসী ৰাইজৰ সহযোগত মূল আদ্যশ্ৰাদ্ধৰ দিনা 'পাৰিজাত হৰণ' অংকীয়া নাটখনি অনুষ্ঠিত কৰি প্ৰয়াত বায়ন গৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে। বায়ন জ্যোতি প্ৰসাদ বৰুৱাৰ মৃত্যু সময়ত বয়স হৈছিল ৬৩ বছৰ। ১৮ অক্টোবৰ দিনা প্ৰাতঃ কাৰ্য সমাপন কৰি গোঁসাই ঘৰপৰা ওলায়ে গাটো বেয়া লাগিছে বুলি ঘৰৰ মানুহক কয় আৰু আকস্মিকভাৱে কিছু সময়ৰ পিছতে পৰলোকপ্ৰাপ্তি ঘটে।

# কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ গোলাঘাট জিলা সমিতিৰ অধিৱেশনৰ সফল সামৰণি

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৩০ অক্টোবৰ ঃ** অসমৰ ভূমিপুত্ৰ কোচ ৰাজবংশী জাতিৰ অন্যতম সংগঠন কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ গোলাঘাট জিলা সমিতিৰ অধিৱেশন যোৱা ২৪ আৰু ২৫ অক্টোবৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। গোলাঘাট জিলা পুথিভঁৰালত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কাৰ্যসূচীৰ ২৪ অক্টোবৰৰ সন্ধিয়াৰ পৰা প্ৰতিনিধি সভা অনুষ্ঠিত হয়। ২৫ অক্টোবৰৰ পুৱা পতকা উত্তোলনেৰে অধিৱেশনৰ মূল কাৰ্যসূচী আৰম্ভ কৰা হয়। পতাকা উত্তোলন কৰে যুৱ ছাত্ৰ সন্মিলনীৰ জিলা সভাপতি সঞ্জীৱ শইকীয়াই। শ্বহীদ তৰ্পণ কৰে সদৌ অসম কোচ ৰাজবংশী সন্মিলনী(অসম)ৰ সহকাৰী সম্পাদক উপেন শইকীয়াই। মহাবীৰ চিলাৰায় প্ৰতিছবিত বন্তি প্ৰজ্বলন কৰে কোচ ৰাজবংশী সন্মিলনীৰ গোলাঘাট জিলা সমিতিৰ সভাপতি চন্দ্ৰ কুমাৰ দত্তই, বৃক্ষ ৰোপণ কৰে গোলাঘাট জিলা সন্মিলনী কাৰ্যকৰী সভাপতি তিলেশ্বৰ তামোলীয়ে। বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে জগন্নাথ বৰুৱা মহাবিদ্যালয অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ মৃদুল দত্তই। বিয়লি অনুষ্ঠিত হোৱা মুকলি সভাৰ প্ৰাক মুহূৰ্তত সদ্য প্ৰয়াত জনতাৰ প্ৰাণৰো প্ৰাণৰ শিল্পী, অসমৰ হিয়া আমঠু জুবিন গাৰ্গলৈ সমূহীয়া শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। বন্তি প্ৰজ্বলন কৰে গোলাঘাটৰ জ্যেষ্ঠ সাংবাদিক দিগন্ত কুমাৰ ভূঞাই। যুৱ ছাত্ৰ সন্মিলনী সভাপতি সঞ্জীৱ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰে বিশিষ্ট ব্যৱসায়ী বিশ্বজিৎ শইকীয়াই। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি অসম বিজ্ঞান সমাজৰ প্ৰাক্তন সভাপতি ড° প্ৰমোদ চন্দ্ৰ নেওগে ভাষণ প্ৰদান কৰে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, সদৌ অসম কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ সভাপতি হিতেশ পাঠকৰ উপৰিও সন্মিলনীৰ কেইবাগৰাকী বিষয়ববীয়া উপস্থিত থাকে। আমন্ত্ৰিত অতিথি হিচাপে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ উপ- সভাপতি জিতুল ৰাজখোৱা, হিন্দু যুৱ পৰিষদৰ সভাপতি পল্লৱ শইকীয়া, সদৌ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ উপ- সভাপতি নিপন গগৈ, অসম জাতীয়তাবাদী যুৱ পৰিষদ সহকাৰী সাধাৰণ সম্পাদক ৰাজীৱ লস্কৰ, গোলাঘাট জিলা সমিতিৰ সভাপতি বাবুল দত্ত, গোলাঘাট জিলা চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি পাপু চুতীয়া, টাই আহোম যুৱ পৰিষদৰ পৰিক্ষিত ফুকন উপস্থিত থাকে।

## সম্পাদকীয়

# বেংকিং ব্যৱস্থাত আমূল পৰিৱৰ্তন; সুবিধা নে নতুন চিন্তা?

১ নৱেম্বৰ ২০২৫ৰ পৰা ভাৰতৰ বেংকিং খণ্ডই এক গুৰুত্বপূৰ্ণ সন্ধিক্ষণত উপনীত হ'ব। বেংকিং এমেণ্ডমেণ্ট লজৰ জৰিয়তে অনা হোৱা এই নতুন নিয়মাৱলীয়ে সাধাৰণ গ্ৰাহকৰ পৰা আৰম্ভ কৰি বেংকিং ব্যৱস্থাৰ মূল স্থাপত্যলৈকে সলনি আনিব। চাৰিজনলৈকে নমিনি নিৰ্ধাৰণৰ স্বাধীনতা, অংশভাগৰ স্পষ্টীকৰণ, লকাৰৰ সামগ্ৰীৰ নমিনিৰ সুবিধা, আৰু ক্ৰেডিট কাৰ্ডৰ লেনদেনত নতুন শুল্ক— এইসকলোৱে আমাৰ দৈনন্দিন বেংকিং অভ্যাসৰ লগত জড়িত হ'ব। প্ৰধানকৈ দুটা ক্ষেত্ৰত এই পৰিৱৰ্তনসমূহে ভূমিকা পালন কৰিব। প্ৰথমতে, এতিয়ালৈকে আমি এজন বা দুজন নমিনি হে মনোনীত কৰিব পাৰিছিলো। কিন্তু নতুন নিয়মমতে এখন একাউণ্টত চাৰিজনলৈকে নমিনি মনোনীত কৰাৰ লগতে প্ৰতিজনৰ বাবে অংশৰ হাৰও স্পষ্টকৈ উল্লেখ কৰিব পৰা যাব। যেনে—৫০ শতাংশ, ৩০ শতাংশ, ২০ শতাংশ আদি। দ্বিতীয়তে, ক্ৰেডিট কাৰ্ডৰ অসুৰক্ষিত লেনদেনত ৩.৭৫ শতাংশ শুল্ক, স্কুল-কলেজৰ ফী থাৰ্ড পাৰ্টী এপৰে পৰিশোধ কৰিলে ১ শতাংশ অতিৰিক্ত চাৰ্জ, আৰু ১০০০ টকাৰ ওপৰৰ ৱালেট ল'ডত ১ শতাংশ ফী আদিয়ে ডিজিটেল লেনদেনৰ ক্ষেত্ৰত নতুন নিয়ন্ত্ৰণ আনি দিব। এই পৰিৱৰ্তনৰ বহুতো ইতিবাচক দিশ আছে। সৰ্বপ্ৰথমে, নমিনিৰ সংখ্যা আৰু অংশবণ্টনৰ স্বাধীনতাই উত্তৰাধিকাৰ সন্দৰ্ভত সৃষ্টি হোৱা বিবাদ আৰু জটিলতা বহু পৰিমাণে হ্ৰাস কৰিব। নতুন ব্যৱস্থাত গ্ৰাহকে জীৱিত থাকোঁতেই স্পষ্টভাৱে অংশবণ্টন কৰি যোৱাত মৃত্যুৰ পিছত এই সমস্যাৰ সমাধান হ'ব। দ্বিতীয়তে, লকাৰত ৰখা সোণ-গহনা, দলিল আদি মূল্যৱান বস্তুৰ বাবেও এই নমিনিৰ নিয়ম প্ৰযোজ্য হ'ব, যাৰ ফলত সামগ্ৰিক সম্পদ ব্যৱস্থাপনা সহজ হ'ব। তৃতীয়তে, ক্ৰেডিট কাৰ্ডৰ অসুৰক্ষিত লেনদেনত শুল্কৰ বহনই গ্ৰাহকক সুৰক্ষিত লেনদেনৰ প্ৰতি সকিয়াই দিব, যাৰ ফলত জালিয়াতি ৰোধ হোৱাৰ সম্ভাৱনা। ইতিবাচক দিশটোৱেই নহয়, এই পৰিৱৰ্তনৰ কিছুমান বিতৰ্কিত দিশও আছে। প্ৰথমতে, ক্ৰেডিট কাৰ্ডৰ লেনদেনত ৩.৭৫ শতাংশ শুল্কৰ বাবে গ্ৰাহকৰ ওপৰত অতিৰিক্ত আৰ্থিক ভাৰ পৰিব। বিশেষকৈ সৰু লেনদেন কৰা সাধাৰণ গ্ৰাহকৰ বাবে এই শুল্ক এক বাৰে ভৰ হ'ব পাৰে। দ্বিতীয়তে, স্কুল-কলেজৰ ফী, বিদ্যুৎ বিল, পানীৰ বিল আদি পৰিশোধ কৰোঁতে থাৰ্ড পাৰ্টী এপ ব্যৱহাৰ কৰিলে ১ শতাংশ চাৰ্জ পৰিব, যাৰ ফলত ডিজিটেল পেমেণ্টৰ প্ৰচলনত বাধাৰ সৃষ্টি হ'ব পাৰে। তৃতীয়তে, নমিনিৰ সংখ্যা বাঢ়িলেও পৰিয়ালৰ সদস্যৰ মাজত মনোমালিন্যৰ সৃষ্টি হোৱাৰ সম্ভাৱনা থাকে। কাৰ অংশ কিমান— এই স্পষ্টতাৰ নামত কেতিয়াবা আত্মীয়তাৰ সম্পৰ্কত ফাট মেলাৰো অৱকাশ থাকে। এই নতুন নিয়মে সাধাৰণ গ্ৰাহকৰ মনত নানা প্ৰশ্নৰ সৃষ্টি কৰিছে। প্ৰথমতে, নমিনিৰ সংখ্যা বাঢ়িলে কি বেংকৰ সেৱাৰ খৰচো বাঢ়িব? দ্বিতীয়তে, নমিনিৰ অংশবণ্টন সলনি কৰিব পৰা যাব নে? যদি পাৰি, তেন্তে সেই প্ৰক্ৰিয়া কিমান সহজ? তৃতীয়তে, ক্ৰেডিট কাৰ্ডৰ শুল্কৰ পৰা ৰেহাই পাবলৈ কিহৰ ওপৰত গুৰুত্ব দিব লাগিব? চতুৰ্থতে, লকাৰৰ নমিনিৰ ক্ষেত্ৰত কি ধৰণৰ কাকত-পত্ৰৰ প্ৰয়োজন হ'ব? এই সকলোবোৰ প্ৰশ্নৰ স্পষ্ট উত্তৰ গ্ৰাহকলৈ নোপোৱালে নতুন নিয়মৰ উদ্দেশ্য সফল নহ'ব পাৰে। সামগ্ৰিকভাৱে চাবলৈ গ'লে নতুন বেংকিং নিয়মাৱলীয়ে গ্ৰাহকৰ সুৰক্ষা আৰু সুবিধাৰ বাবে গুৰুত্ব আৰোপ কৰিছে। কিন্তু ইয়াৰ সফল বাস্তৱায়ন বহুতো বিষয়ৰ ওপৰত নিৰ্ভৰ কৰিব— য'ত বেংকৰ প্ৰশিক্ষিত কৰ্মচাৰী, গ্ৰাহকৰ সজাগতা, আৰু ব্যৱস্থাটোৰ পাৰদৰ্শিতা আদি প্ৰধান। গতিকে, আমাৰ কৰ্তব্য হ'ব নতুন নিয়মসমূহ সঠিকভাৱে বুজি লৈ ইয়াৰ সদ্ব্যৱহাৰ কৰা। লগতে, বেংক আৰু সংস্থাক গ্ৰাহকৰ প্ৰশ্ন আৰু অসুবিধাসমূহ দূৰ কৰিবলৈ সকিয়াই ৰাখিব লাগিব। কিয়নো, যিকোনো সংস্কাৰৰ চূড়ান্ত সাফল্য নিৰ্ভৰ কৰে সাধাৰণ মানুহে ইয়াক কিমান সহজভাৱে গ্ৰহণ কৰে তাৰ ওপৰত।

ইণ্টাৰনেটৰ জৰিয়তে আধুনিক শিক্ষা ব্যৱস্থাখনত নানা ধৰণৰ তথ্য আদান প্ৰদান কৰিব পৰা যায়। যেনে চিঠিপত্ৰ আদান প্ৰদান, পৃথিৱীৰ বিভিন্ন ঠাইৰ তথ্যৰ আদান প্ৰদান, বিজ্ঞানৰ গৱেষক পত্ৰৰ অধ্যয়ন আৰু প্ৰয়োজন সাপেক্ষে তথ্য সংগ্ৰহ কৰা, ব্যৱসায়িক কাম কাজৰ আলাপ আলোচনা, কম্পিউটাৰত গেম খেলা, বিভিন্ন আমোদজনক কাৰ্য্যসূচীত অংশগ্ৰহণ কৰা, কিতাপত বিচাৰি নোপোৱা যিকোনো তথ্য ইণ্টাৰনেটত সহজে বিচাৰি পোৱা আদি তথ্যৰ আদান-প্ৰদান প্ৰযুক্তিবিদ্যাৰ উন্নত হোৱাৰ বাবে সম্ভৱপৰ হৈ উঠিছে। আধুনিক শিক্ষা ব্যৱস্থাখন কম্পিউটাৰ অবিহনে মেৰুদণ্ডহীন প্ৰাণীৰ দৰে হৈ পৰিছে বৰ্তমান সময়ত।

# আধুনিক শিক্ষা ব্যৱস্থাত প্ৰযুক্তিবিদ্যাৰ ভূমিকা

**বেণুৰাম ৰাভা**

আধুনিক শিক্ষা ব্যৱস্থাত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব সাফল্যৰ পিছত শিক্ষা ব্যৱস্থাখনে সম্পূৰ্ণৰূপে পৰিৱৰ্তনৰ ফালে ধাবিত হৈছে। জ্ঞানৰ জাগৰণ ধুমুহাৰ গতিত বিস্ফোৰিত হৈছে। জ্ঞানৰ বিস্ফোৰিত হোৱাত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অৱদান অপৰিসীম। শিক্ষাৰ জ্ঞান আহৰণ প্ৰক্ৰিয়াক আৰু অধিক সাফল্যমণ্ডিত কৰি তুলিবলৈ নানা ধৰণৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ আহিলা ব্যৱহাৰ হৈ আহিছে। যেনে কম্পিউটাৰ, ই-মেইল, ইণ্টাৰনেট, ওৱেবছাইট আদি। কম্পিউটাৰ হৈছে বৰ্তমান সময়ৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ এক অপৰিহাৰ্য্য অংগ। কম্পিউটাৰ আৱিষ্কাৰে বিশ্বৰ সমগ্ৰ মানৱ জাতিৰ ক্ষেত্ৰখনকে আউল লগাইছে। কম্পিউটাৰক এবিধ শক্তি চালিত যন্ত্ৰ বুলি অভিহিত কৰা হয়। কম্পিউটাৰত আমি শিক্ষাৰ প্ৰয়োজনীয় সকলোধৰণৰ তথ্য আহৰণ, সংৰক্ষণ কৰি প্ৰয়োজন সাপেক্ষে তথ্যসমূহ উলিয়াব আৰু ব্যৱহাৰ কৰিব পাৰোঁ। ইয়াপৰি কম্পিউটাৰে উচ্চ ক্ষমতাসম্পন্ন অংক তথা সংখ্যা সম্বন্ধীয় সমস্যাৰ সমাধান ধুমুহাৰ গতিত কৰিব পৰাৰ আহিলা সংযোগ হৈ থাকে। কম্পিউটাৰৰ যথেষ্ট শৈক্ষিক মূল্যও আছে। এই শিক্ষা প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰখনক এক নতুনত্ব আনিবলৈ সক্ষম হৈছে। শিক্ষা ব্যৱস্থাত কম্পিউটাৰ ব্যৱহাৰে শিথিলতা আনি দিয়াৰ লগতে শিক্ষা প্ৰক্ৰিয়াত গতিশীলতাও আনিবলৈ সক্ষম হৈছে। কম্পিউটাৰ ব্যৱহাৰে শিক্ষাৰ্থীসকলক অধ্যয়নৰ সহজ সাধ্য কৰি তোলাৰ লগতে নিৰ্দিষ্ট জ্ঞানৰ প্ৰয়োজনখিনিও পূৰণ কৰিবলৈ সক্ষম কৰি তুলিছে।

একেদৰে শিক্ষা ব্যৱস্থাখনত ইণ্টাৰনেটৰ ভূমিকাও ভাৰিব নোৱাৰা ধৰণৰ অৱদান আছে। ইণ্টাৰনেট হৈছে কম্পিউটাৰৰ মাজত সংযোগ স্থাপন কৰি সৃষ্টি কৰা এটা নেটৱৰ্ক ব্যৱস্থা। নেটৱৰ্ক হৈছে পৃথিৱীৰ বিভিন্ন ঠাইত থকা কম্পিউটাৰ লগত এটা অভ্যন্তৰীণ সংযোগ স্থাপন কৰা প্ৰক্ৰিয়া। য'ত কম্পিউটাৰৰ তথ্য ভাণ্ডাৰ হয় অতি বিশাল আৰু বিস্তাৰিত। ইণ্টাৰনেটৰ জৰিয়তে আধুনিক শিক্ষা ব্যৱস্থা খনত নানা ধৰণৰ তথ্য আদান প্ৰদান কৰিব পৰা যায়। যেনে চিঠিপত্ৰ আদান প্ৰদান, পৃথিৱীৰ বিভিন্ন ঠাইৰ তথ্যৰ আদান প্ৰদান, বিজ্ঞানৰ গৱেষক পত্ৰৰ অধ্যয়ন আৰু প্ৰয়োজন সাপেক্ষে তথ্য সংগ্ৰহ কৰা, ব্যৱসায়িক কাম কাজৰ আলাপ আলোচনা, কম্পিউটাৰত গেম খেলা, বিভিন্ন আমোদজনক কাৰ্য্যসূচীত অংশগ্ৰহণ কৰা, কিতাপত বিচাৰি নোপোৱা যিকোনো তথ্য ইণ্টাৰনেটত সহজে বিচাৰি পোৱা আদি তথ্যৰ আদান প্ৰদান প্ৰযুক্তিবিদ্যাৰ উন্নত হোৱাৰ বাবে সম্ভৱপৰ হৈ উঠিছে। আধুনিক শিক্ষা ব্যৱস্থাখন কম্পিউটাৰ অবিহনে মেৰুদণ্ডহীন প্ৰাণীৰ দৰে হৈ পৰিছে বৰ্তমান সময়ত।

আধুনিক শিক্ষা ব্যৱস্থাত কম্পিউটাৰ, ইণ্টাৰনেটৰ দৰে ই- মেইলৰ ভূমিকা যথেষ্ট আছে। ই- মেইল হৈছে ইণ্টাৰনেটৰ দ্বাৰা নিয়ন্ত্ৰিত হোৱা এটা ডাক সেৱা। ই- মেইলৰ জৰিয়তে এটা কম্পিউটাৰৰ পৰা আন এটা কম্পিউটাৰলৈ আমি অতি সহজে কম সময়ৰ ভিতৰতে সকলো ধৰণৰ সা-খবৰ বা যিকোনো নথি-পত্ৰ প্ৰেৰণ প্ৰেৰণ কৰিব পৰা যায়। আমি দৈনন্দিন জীৱনত ব্যৱহাৰ কৰি অহা ইণ্টাৰনেটৰ সকলো ব্যৱহাৰৰ ভিতৰত ই- মেইল অতি জনপ্ৰিয় আৰু এক গুৰুত্বপূৰ্ণ সামাজিক মাধ্যম। ই-মেইল ব্যৱস্থা অতি কম ব্যৱস্থা চচিয়েল মিডিয়া। অতি দ্ৰুত



আৰু অতি কম খৰচতে নিজৰ ম'বাইল বা কম্পিউটাৰ দ্বাৰা তথ্য দিয়া লোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিব পৰাৰ ক্ষমতা আছে। ৱাটছপৰ উপৰিও বৰ্তমান সময়ত ই- মেইলতে অডিও, ভিডিঅ, বা নানা ধৰণৰ ফাইল আদি পঠিওৱাব পৰাৰ ব্যৱস্থা সহজ সহজ হৈ পৰিছে। সংবাদ প্ৰতিষ্ঠানবোৰে ইয়াৰ সহায়ৰে নিশাৰ ভিতৰতে সংবাদ গ্ৰহণ আৰু প্ৰেৰণ কৰি বাতৰি কাকত সমূহ মানুহৰ মাজত যোগান ধৰিব পাৰি। প্ৰত্যেক গৰাকী ই-মেইল ব্যৱহাৰকাৰী সকলোৰ নিজা নিজা এক ঠিকনা থাকে। এই ঠিকনাই ই - মেইল ব্যৱহাৰকাৰী সকলোক এক সঠিক ঠাইত বা বাতৰি পঠিওৱা কাৰ্য্যক নিশ্চিত কৰে। প্ৰতিজন ই-মেইল ব্যৱহাৰকাৰীয়ে চিহ্ন ব্যৱহাৰ কৰি নিজৰ পচন্দৰ ঠিকনা মতে নিৰ্বাচন কৰি খা-খবৰ পঠিওৱাত সুবিধা প্ৰদান কৰে।

বৰ্তমান সময়ত মাত্ৰাধিকভাৱে ব্যৱহাৰ হোৱা আন এক গুৰুত্বপূৰ্ণ মাধ্যম হৈছে ৱেবচাইট যি ইণ্টাৰনেট ব্যৱস্থাৰ এক অভ্যন্তৰীণ বিষয়। ৱেবচাইট হৈছে বৰ্তমান সময়ৰ সমগ্ৰ বিশ্বকে আগুৰি থকা মানুহৰ যোগাযোগ ব্যৱস্থাখনৰ এক বিশেষ স্থান, য'ত সকলো ধৰণৰ বা বাতৰি তথ্য সংগ্ৰহ কৰিব পৰা যায়। এই ৱেবছাইটসমূহ কেতবোৰ পৃষ্ঠা আকাৰে তথ্য পাতিবিলাক সংৰক্ষণ কৰি ৰাখিব পাৰি আৰু প্ৰয়োজন সাপেক্ষে ইয়াক উলিয়াই ব্যৱহাৰ কৰিব পৰা যায়। শিক্ষা ব্যৱস্থাত এই ৱেবছাইটৰ ভূমিকা এক গুৰুত্বপূৰ্ণ। বৰ্তমান সময়ত অত্যধিকভাৱে শিক্ষা প্ৰদান কৰিব পৰা প্ৰযুক্তিবিদ্যাৰ মাধ্যমে হৈছে ৱেবচাইট। এই ৱেবছাইটৰ যোগেদি বিদ্যালয়ৰ সকলো ধৰণৰ যাৱতীয় কাম কাজ বা ছাত্ৰ শিক্ষক অভিভাৱ আৰু শিক্ষা প্ৰশাসনসকলে শেহতীয়াকৈ তেওঁলোকৰ শিক্ষামূলক প্ৰয়োজনীয় বা বাতৰি আৰু তথ্য পাতি আদি এই ৱেবছাইটতে মজুত ৰাখে, প্ৰয়োজনত এই তথ্যসমূহ উলিয়াই ব্যৱহাৰ কৰিব পাৰি। শিক্ষকসকলে বিদ্যালয়ত উপস্থিত থকাৰ তথ্য এই ৱেবছাইটতে বায়'মেট্ৰিক পদ্ধতিৰ যোগে প্ৰদান কৰে। দেশ বিদেশৰ দূৰ দুৰণিৰ ঠাই আৰু চহৰৰ পৰা বহুতো দুৰত থকা আওহতীয়া ঠাইত থকা ছাত্ৰ ছাত্ৰীসকলে শিক্ষানুষ্ঠানত নামভৰ্তি কৰা, পৰীক্ষাৰ ফলাফল মূল্যায়ন কৰা, আদিৰ বাবে গুৰুত্বপূৰ্ণ তথ্য সংৰক্ষণ আৰু সঞ্চয়ত ৱেবচাইটৰ বিশেষ ভূমিকা আছে। কোনো এখন বিদ্যালয়ত নতুনকৈ নামভৰ্তি কৰিবৰ বাবে বা নতুন শিক্ষানুষ্ঠানত নামভৰ্তিৰ বাবে জানিব লগীয়া বিষয়, নামভৰ্তিৰ সময়সীমা, নামভৰ্তিৰ মাচুল, বিদ্যালয়ৰ সকলো সা সুবিধা, ছাত্ৰ ছাত্ৰীৰ শৈক্ষিক মূল্যায়ন, শিক্ষানুষ্ঠানৰ গুণ গৰিমা, স্থাপিত হোৱা চন তাৰিখ আদি ৱেবচাইটৰ যোগে জানিব পাৰি। চৰকাৰৰ বিভিন্ন বিভাগৰ চাকৰিৰ নিযুক্তিৰ সম্পৰ্কে প্ৰয়োজনীয় সকলো শিক্ষাগত অৰ্হতা, সা সুবিধা, দৰমহা, পেঞ্চন, পদোন্নতি আদিৰ সবিশেষ এই ৱেবচাইটৰ যোগে আমি জানিব পাৰোঁ। শিক্ষা সম্পৰ্কে গৱেষণা কাৰ্য্যত জড়িত লোকসকলে ৱেবচাইটৰ যোগে পৃথিৱীৰ বিখ্যাত বিশ্ববিদ্যালয় সমূহৰ লগত যোগাযোগ ৰক্ষা কৰি উপকৃত হ'ব পাৰে।

প্ৰযুক্তিবিদ্যাই আমাক নিঃসন্দেহে শিক্ষাক গভীৰভাৱে অনুধাৱন কৰিবলৈ অনুপ্ৰাণিত কৰিছে। উন্নত পৰিৱেশ, ব্যক্তিগতকৃত আৰু সহযোগিতাৰ বাবে বহুতো সুযোগ প্ৰদান কৰিছে। কিন্তু ই প্ৰত্যাহ্বানৰ সৃষ্টি কৰে ডিজিটেল বিভাজন, নিৰ্ভৰশীলতা আৰু সম্ভাব্য বিশিপ্ততাই। আমি আগুৱাই যোৱাৰ লগে লগে শিক্ষাবিদ, বিশিষ্ট ব্যক্তি, নীতি নিয়ম নিৰ্ধাৰক আৰু প্ৰযুক্তিবিদসকলে একেলগে কাম কৰিব লাগিব যাতে প্ৰযুক্তিবিদ্যাক ছাত্ৰ ছাত্ৰীসকলক সৰলীকৰণ আৰু শৈক্ষিক অভিজ্ঞতাক সমৃদ্ধ কৰাৰ বাবে আহিলা হিচাপে ব্যৱহাৰ কৰিব পাৰে লগতে সম্ভাব্য অসুবিধাসমূহ পৰাও সুৰক্ষিত হ'ব পাৰে। শিক্ষাত ভৱিষ্যত নিহিত হৈ আছে উদ্ভাৱনী আৰু পৰম্পৰাগত পাঠদান পদ্ধতিৰ মাজত সঠিক ভাৰসাম্য বিচাৰি উলিয়াই আৰু সকলোৰে বাবে অধিক অন্তৰ্ভুক্ত আৰু ফলপ্ৰসূ শিক্ষণ পৰিৱেশ সৃষ্টি কৰি মানৱ সম্পদ গঢ়ি দেশ আৰু জাতিক উন্নয়ন দিশলৈ আগুৱাই নিয়াত সহায়ক হ'ব।

# শতিকা শতিকাজুৰি স্পন্দিত হৈ থাকিব সেই মায়াৱী কণ্ঠ

**ৰঞ্জিত শইকীয়া**

প্ৰতিগৰাকী অসমীয়াৰ আপোন কণ্ঠ, প্ৰতিগৰাকী সংগীতপ্ৰেমীৰ বুকুৰ কণ্ঠ এটি এনেকৈ যে হঠাতে স্তব্ধ হৈ পৰিব সেয়া একেবাৰেই কল্পনাতীত আছিল। কিন্তু আমাৰ দুৰ্ভাগ্য- বিদেশৰ ভূমিত যে নিয়তিয়ে প্ৰাণৰ শিল্পীগৰাকীক প্ৰাণহীন কৰিবলৈ প্ৰতীক্ষা কৰি আছিল! শিল্পীগৰাকীয়ে গীতৰ ভাষাৰে প্ৰকাশ কৰি যোৱা হেঁপাহকেই যেন সাকাৰ কৰি গুচি গ'ল সাগৰৰ বুকুত। অসমবাসীৰ স্বাভিমান, শিল্পী প্ৰতিভাৰ অনন্য আকৰ, মানৱপ্ৰেম আৰু প্ৰকৃতি প্ৰেমৰ বিৰল সত্তা সেই অসাধাৰণ অসমীয়াজনৰ নাম নিশ্চয় আপোনালোকৰ মানসপটত সুস্পষ্ট হৈ পৰিছে। হয়, আমি আমাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ বিষয়েই এক ক্ষুদ্ৰতম অনুভৱ প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰিছোঁ। ২০২৫ বৰ্ষৰ ১৯ ছেপ্টেম্বৰৰ এটি দুঃসংবাদ যি অসহনীয় সংবাদে বিগত এটা মাহৰো অধিক কাল প্ৰতিগৰাকী অসমীয়াৰ বুকু উদাস কৰি ৰাখিছে, প্ৰতিখন ঘৰ নিজম কৰি ৰাখিছে। কেনেকৈ বাৰু মুকলি হ'ব অসমৰ আকাশ-বতাহ! সূৰ্যবিহীন সংগীত আকাশৰ ধূসৰতাই আচ্ছন্ন কৰি ৰাখিছে অসম মুলুক। পুৱাৰ পৰা নিশালৈকে যিগৰাকী শিল্পীৰ কণ্ঠই প্ৰতিগৰাকী অসমীয়াৰ ঘৰ জীপাল কৰি ৰাখিছিল, প্ৰতিটো অনুষ্ঠান প্ৰতিষ্ঠানৰ বাকৰি যাৰ গীতৰ অবিহনে নিস্তেজ হৈ পৰিছিল সেইগৰাকী সংগীত সম্ৰাটৰ অভাৱত অসম যেন এতিয়া নীৰৱ-নিতাল। অৱশ্যে গণশিল্পীগৰাকীয়ে প্ৰতিগৰাকী সংগীত অনুৰাগীৰ বুকুৰে বুকুৰে যি নজহা-নপমা নিগাজী ঘৰ সাজিলে সেই ঘৰত তেওঁ অজৰ-অমৰ হৈ থাকিব চিৰদিন-চিৰকাল। চিৰজ্যোতিষ্মান হৈ ৰ'ব এই অনামী সত্তা অসমীৰ বুকুৰ মাজত। অন্তহীন এক মায়াবী কণ্ঠ হিচাপে প্ৰৱাহিত হৈ থাকিব প্ৰজন্ম-প্ৰজন্ম ধৰি। জীৱনৰ পাঁচোটা দশক সম্পূৰ্ণ কৰিও ওঠৰ-বিছ বছৰীয়া তৰুণৰ দৰেই চিৰসেউজ হৈ থাকিব পৰা সত্তাটোৰ বাবেই নৱপ্ৰজন্মৰ হাৰ্ট'থ্ৰব আছিল জুবিন গাৰ্গ। তেওঁ নিজেই কৈছিল যে তেওঁ এনে কাম কৰি যাব যি কাম অনাগত এশ বছৰলৈও আনৰ দ্বাৰা সম্ভৱপৰ নহ'ব। কিন্তু জুবিন গাৰ্গে তেওঁৰ নিচেই চুটি জীৱন পৰিক্ৰমাত যিখিনি কৰি গ'ল সেয়া শতিকা শতিকালৈও যে আন কাৰোৰে দ্বাৰা সম্ভৱপৰ নহ'ব সেয়া নিশ্চিত। যথাৰ্থতে অসামান্য প্ৰতিভাৰে প্ৰোজ্জ্বল এগৰাকী 'জিনিয়াছ' আছিল জুবিন গাৰ্গ। কোনোবা শতিকাতহে বিশ্বৰ কোনো প্ৰান্তত এনে এগৰাকী অতুলনীয় শিল্পী প্ৰতিভাৰ ভূমিষ্ঠ হয়। অসমবাসী গৌৰৱান্বিত যে তেওঁ অসমী আইৰ গৰ্ভত জন্ম হৈছিল। একাধাৰে বাদ্যযন্ত্ৰী, গীতিকাৰ, সুৰকাৰ, কণ্ঠশিল্পী, সংগীত পৰিচালক, কথাছবি নিৰ্মাতা, অভিনেতা, কবি, প্ৰকৃতিপ্ৰেমী জুবিন গাৰ্গে আশ্চৰ্যজনক অভিলেখেৰে চল্লিশটাকৈ ভাষাত সম্পূৰ্ণ নিখুঁত শৈলীৰে প্ৰায় আঠত্ৰিছ হাজাৰ গীত পৰিৱেশন কৰা অভিলেখটো নিশ্চয় বিশ্বতেই বিৰল কাহিনী। অসমীয়া সংগীত জগতৰ মুকুটবিহীন সম্ৰাট তেওঁ। বৰগীত, বনগীত, দিহানাম, বিহুগীত, বিহুসুৰীয়া গীত, আধুনিক গীত আদি অসমীয়া লোকসংগীতৰ সকলো ক্ষেত্ৰতে অবাধ বিচৰণ তেওঁৰ। উচ্চাৰণৰ শুদ্ধতা, মৌলিকতা আৰু কণ্ঠশক্তিৰ আকৰ্ষণত অদ্বিতীয় প্ৰতিভাৰ অধিকাৰী আছিল জুবিন গাৰ্গ। স্বাধীনমনা শিল্পীগৰাকীয়ে সুবিধাবাদীসকলৰ বিপৰীতে ৰজাঘৰৰ আদেশ-নিৰ্দেশৰ প্ৰতি ভ্ৰূক্ষেপ নকৰিছিল। নিজকে



এগৰাকী সমাজবাদী হিচাপে পৰিচয় দিব বিচৰা শিল্পীগৰাকীয়ে সমাজৰ দৰিদ্ৰ, নিম্ন- মধ্যবিত্তৰ পৰিয়ালসমূহক মুক্তহস্তে সহায় কৰি এক পৰম সুখ অনুভৱ কৰিছিল। তেওঁৰ প্ৰকৃতিপ্ৰেমো আছিল অসাধাৰণ। অনেক চৰাই আৰু জন্তুক নিজৰ সন্তানৰ দৰেই প্ৰতিপালন কৰি সিবিলাকৰ সৈতে যি নিবিড় আত্মীয়তা গঢ়ি তুলিছিল তাৰ প্ৰতিচ্ছবি পৰিস্ফুট হৈ পৰিছিল তেওঁৰ মহাপ্ৰয়াণৰ সময়ছোৱাত। শিল্পীৰ বিয়োগত জন্তুৱে চকুপানী টুকা প্ৰত্যক্ষ কৰিছিল বিশ্বই। চৰকাৰে এহাতে গছ-গছনি কাটি তহিলং কৰি অন্যহাতেদি ঘোষণা কৰা অমৃত বৃক্ষ আন্দোলনৰ স্পষ্ট সমালোচনা কৰিছিল জুবিন গাৰ্গে। জাতি-ধৰ্মৰ উৰ্ধত এখন শ্ৰেণীহীন সমাজৰ নায়ক আছিল তেওঁ। সমগ্ৰ বিশ্বৰ অগ্ৰণী দেশসমূহৰ প্ৰতিখন আগশাৰীৰ সংবাদপত্ৰতে শিল্পীগৰাকীৰ মহাপ্ৰস্থানৰ বাতৰি প্ৰকাশিত হৈছিল। এশ চৱিছখন দেশেই শিল্পীগৰাকীৰ বিষয়ে সবিশেষ জানিবলৈ ইণ্টাৰনেটত তৎপৰ হৈ পৰিছিল। মহাপ্ৰয়াণৰ অন্তিম যাত্ৰাত যি লক্ষ লক্ষ জনসমাগমেৰে জনসমুদ্ৰৰ সৃষ্টি হৈছিল সেয়াও আছিল এগৰাকী শিল্পীৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰতে দ্বিতীয় অভিলেখ। শিল্পীগৰাকীৰ সেই অভিনৱ শেষ যাত্ৰাত জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে যি মানৱীয়তাৰ মহা সমন্বয়ৰ সোঁত প্ৰৱাহিত হৈছিল তাৰ বাবে বিশ্বৰ ওচৰত পুনৰ এবাৰ বন্দীত হ'ল অসমীয়া জাতি। বৰলুইতৰ পাৰৰ এই ক্ষুদ্ৰ অসমীয়া জাতিক বিশ্বই নতুনকৈ চিনি পালে এইগৰাকী চিৰস্মৰণীয় শিল্পীসত্তাৰ বাবেই। সেয়েতো বিংশ আৰু একবিংশ শতিকাৰ এই অসাধাৰণ অসমীয়া শিল্পীগৰাকীৰ ঈশ্বৰিক প্ৰতিভাৰ অক্ষয় স্বাক্ষৰ স্পন্দিত হৈ থাকিব অনাগত শতিকা শতিকাজুৰি...। সকলো নামী-দামী পুৰস্কাৰেই হয়তো মূল্যহীন হৈ পৰিছিল এইগৰাকী বিচক্ষণ শিল্পীৰ প্ৰতিভাৰ তুলনাত...। সেয়ে হয়তো ৰজাঘৰে থমকি ৰৈছিল এই গৰাকী গণশিল্পীৰ যথাযোগ্য স্বীকৃতিৰ বেলিকা। শত সহস্ৰ সংগীতপ্ৰেমীৰ হৃদয়ে হৃদয়ে যে তেওঁৰ মায়াবী কণ্ঠৰ স্পন্দন! আজি কিন্তু এইগৰাকী অসমী আইৰ বিশ্বখ্যাত শিল্পীৰ অস্বাভাৱিক মৃত্যুৰ ন্যায় বিচাৰিবলগীয়াত পৰিছে শিল্পীগৰাকীৰ প্ৰতিগৰাকী নিভাঁজ অনুৰাগী। স্বাভাৱিকতে এয়া জাতীয় জীৱনৰ অমৰ শিল্পীগৰাকীৰ ক্ষেত্ৰত জাতিৰ দুৰ্ভাগ্য।

# কোন দিশে ধাৱমান বৰ্তমান যুৱ প্ৰজন্ম

**শশাংক ভৰালী**

সমাজৰ মজবুত ভিত্তি গঢ়ি তোলাৰ দায়িত্ব সদায় যুৱপ্ৰজন্মৰ ওপৰতেই নিভৰ্য কৰে। কাৰণ, যুৱশক্তিয়ে যি দিশত আগবাঢ়ে, সমাজৰ ভৱিষ্যৎও সেই দিশত গতি লাভ কৰে। তথাপি, আজিৰ যুগত এই যুৱপ্ৰজন্ম কোন দিশে ধাৱমান — সেই প্ৰশ্নটো এতিয়া সময়োপযোগী আৰু গভীৰ চিন্তনযোগ্য।

ডিজিটেল যুগৰ প্ৰৱাহত আজিৰ লৰা—ছোৱালীসমূহ তথ্য আৰু প্ৰযুক্তিৰ সৈতে নিবিড়ভাৱে সম্পৃক্ত। বিজ্ঞানৰ উন্নতি আৰু সামাজিক মাধ্যমৰ বহুল প্ৰচলনে তেওঁলোকৰ জীৱনৰ গতিৰূপ সম্পূৰ্ণ ৰূপে পৰিৱৰ্তন কৰিছে। একেদৰে এই নতুন দুনিয়াই এনে সুযোগ সৃষ্টি কৰিছে, য'ত জ্ঞান আহৰণ, দক্ষতা বিকাশ, আত্মপ্ৰচাৰ — সকলো এক ক্লিকত সম্ভৱ। কিন্তু আন দিশে, এই চকচকীয়া জগতেই তেওঁলোকক আকৰ্ষণৰ জালত বন্দী কৰি তুলিছে। মিথ্যা প্ৰতিযোগিতা, তুলনামূলক মনোভাৱ, কৃত্ৰিম সুখৰ আসক্তি আৰু স্বল্পস্থায়ী আনন্দৰ পিছে ধাওঁতে বহুজন নিজৰ জীৱনৰ সঁচা উদ্দেশ্যহে হেৰুৱাই পেলাইছে।

দুঃখৰ কথা হ'ল, বৰ্তমানৰ কিছুসংখ্যক ল'ৰা-ছোৱালীয়ে নিজৰ ভৱিষ্যৎ আৰু পৰিয়ালৰ আশা-আকাঙ্ক্ষাক উপেক্ষা কৰি, মিছা কথা কৈও অলাগতিয়াল প্ৰেম, ভোগবিলাস আৰু ক্ষণস্থায়ী সম্পৰ্কৰ চক্ৰত বন্দী হৈ পৰিছে। তাৰ মাজত কিছুমান লৰাই ঘৰৰ মানুহৰ লগত বিবাদ কৰি বাইক লৈ বিকট শব্দ কৰি ৰাস্তাত ঘূৰি ফুৰে — যেনে তাতে আনন্দ, কিন্তু সঁচা অৰ্থত সেইটো আত্মবিনাশৰ পথ। এই ধৰণৰ অনিয়ন্ত্ৰিত মনোভাৱ আৰু উদ্দেশ্যহীন গতি জীৱনৰ মূল সাৰকেই ক্ষয় কৰিছে।

যদিও এই চিত্ৰ সম্পূৰ্ণ আঁধাৰ নহয়। অনেকে আজিও সমাজ, বিজ্ঞান, শিল্প, ক্ৰীড়া, সাহিত্য, সংস্কৃতি আদি ক্ষেত্ৰত উজ্জ্বল অৱদান আগবঢ়াইছে। তেওঁলোকেই প্ৰমাণ দিছে — শৃংখলা, পৰিশ্ৰম আৰু আদৰ্শই জীৱনক সাফল্যৰ দিশে লৈ যায়। এইবোৰেই যুৱশক্তিৰ সঁচা পৰিচয়।

আজিৰ প্ৰজন্মই বুজি উঠিব লাগিব যে, সমাজৰ উন্নতি কেৱল আধুনিকতাৰ প্ৰচলিত সংজ্ঞাত নিহিত নহয়। নৈতিকতা, দায়িত্ববোধ, শ্ৰদ্ধা আৰু কৰ্তব্যপৰায়ণতাৰ সৈতে যেতিয়া আধুনিকতা মিলিত হয়, তেতিয়াহে এক সজীৱ আৰু সুস্থ সমাজৰ জন্ম হয়।

সময়ৰ সোঁতত ধাৱমান হোৱাটো স্বাভাৱিক, কিন্তু সেই ধাৱনৰ দিশ সঠিক নহ'লে গতিৰ অৰ্থহীনতা থাকিব। সেয়ে প্ৰতিজন যুৱই নিজক এবাৰ হলেও প্ৰশ্ন কৰিব লাগিব —

"মই কোন দিশে ধাই আছোঁ? মোৰ জীৱনৰ লক্ষ্য কোনটো?"

যেতিয়া এই প্ৰশ্নৰ উত্তৰ সৎভাৱে বিচাৰিব পাৰিব, তেতিয়াহে আমাৰ যুৱপ্ৰজন্ম সমাজ, দেশ আৰু সভ্যতাৰ সঠিক দিশে ধাৱমান হ'ব।

বেদখলৰ কবলত ঐতিহাসিক বিলখন; সংকটত এসময়ৰ বিখ্যাত থলুৱা মাছ

# ঐতিহাসিক কুঁজিবিললৈ চৰম ভাবুকি

**আয়শা ছিদ্দিকা**



মধ্য অসম তথা অবিভক্ত নগাঁও জিলাৰ ঐতিহাসিক এখন উল্লেখযোগ্য বৃহত্তৰ বিল যাক সকলোৱে কুজিবিল নামে জানে। এসময়ত ৰাজ্যবাসীৰ বাবে এক সু-পৰিচিত নাম আছিল। তেজাল মিঠা সোৱাদযুক্ত ৰৌ, ভকুৱা, কাৰৈ, গৰৈ, শ'ল মাগুৰ, বৰালি আদি মাছৰ লগতে কাছৰ আবাস স্থল, পৰিভ্ৰমী পক্ষীৰ বিচৰণ ক্ষেত্ৰ হিছাপে বিখ্যাত আছিল ঐতিহাসিক কুজিবিল। কিয়নো এই বিলৰ মাছৰ সোৱাদ পৃথক আছিল, কিন্তু তাহানিৰ ভোগৰ আকৰ স্বৰূপ বিলখন আজি যেন অস্তিত্বৰ সংকটত কৰিছে। ঐতিহ্যমণ্ডিত কুঁজিবিল অতি সম্প্ৰতি অস্তিত্বৰ সংকটত পৰিছে। একাংশ বেদখলকাৰীৰ বাবে বিলখনৰ অস্তিত্বৰ প্ৰতি ভাবুকি আহিছে। উল্লেখযোগ্য যে, অসম জলাশয় সুৰক্ষা আৰু সংৰক্ষণ আইন ২০০৮ৰ অধীনত ৰাজ্যৰ বিল-জলাশয় সমূহ বেদখলমুক্ত তথা সংৰক্ষণৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে যদিও বৰ্তমান যেন ফুটুকাৰ ফেনতহে পৰিণত হৈছে। বৰ্তমানৰ নগাঁও-মৰিগাঁও জিলাৰ সীমামূৰীয়াত অৱস্থিত শ্ৰীশ্ৰী নৰোৱা কুঁজিসত্ৰ আৰু কোবাইকটা সত্ৰৰ মাজত অৱস্থিত কুঁজিবিলৰ তাহানিতে বিশাল জল অঞ্চল আৰু দুয়োপাৰত হেজাৰ হেজাৰ হেক্টৰ মাটি আছিল। ৮০ৰ দশকৰ আগলৈকে এই কুঁজিবিলত মহলদাৰে কেতিয়াও মাছ এৰিবলগীয়া হোৱা নাছিল। তথাপি কাৰৈ, মাগুৰ, ৰৌ, বৰালি, ভকুৱা, শ'ল, শিঙী আদি থলুৱা প্ৰজাতিৰ মাছেৰে উভৈনদী আছিল কুঁজিবিল। কুজিবিলৰ মাছ অধিক সোৱাদযুক্ত হোৱা হেতুকে নগাঁও-মৰিগাঁৱৰ মাছৰ বজাৰৰ উপৰি গুৱাহাটীকে প্ৰমুখ্য কৰি ৰাজ্যৰ আন বজাৰতো এই কুঁজিবিলৰ মাছৰ খুবেই চাহিদা আছিল। এই বিলৰ পানী আৰু পলসে জীপাল কৰি ৰখা কুঁজিবিলৰ পাৰৰ পথাৰত বৃহত্তৰ কুঁজি অঞ্চলৰ কৃষক ৰাইজে গঢ়ি তুলিছিল সচ্ছল কৃষি অৰ্থনীতিৰ এক সপোন। তদুপৰি এই কুঁজিবিলেই কুঁজি কহুঁৱাআটি অঞ্চলৰ বৃহৎ সংখ্যক কৈৱৰ্ত সম্প্ৰদায়ৰ লোকৰ জীৱন-জীৱিকাৰ একমাত্ৰ সম্বল আছিল। তাহানিৰে ইচিক দাস, প্ৰিয়নাথ দাস, গণেশ দাস, ৰুচেন দাস, বাবুল দাস, দীপক দাস, তৰাচিং দাস প্ৰমুখ্যে একাংশ স্থানীয় লোকে মীন বিভাগৰ পৰা এই কুঁজিবিলখন লীজত লৈ মাছৰ বৃহৎ ব্যৱসায় চলোৱাৰ লগতে আন বহু লোকক মাছমৰীয়া, পহৰাদাৰ হিচাপে সংস্থাপিত কৰিছিল। বছৰৰ অ'ঘ্ৰৰ মাহৰ পৰা ফেব্ৰুৱাৰী মাৰ্চ মাহ পৰ্যন্ত কুঁজিবিলে প্ৰাণ পাই উঠিছিল। মাছমৰীয়াসকলে বিশেষ পদ্ধতিৰে বিলত জালেৰে বহু কুইণ্টল মাছ এবাৰতে ধৰিবলৈ সক্ষম হৈছিল। তদুপৰি, ৯০ৰ দশকলৈকে এই কুঁজি বিললৈ শীতৰ আগমনৰ লগে লগে হেজাৰ হেজাৰ পৰিভ্ৰমী চৰাইৰ আগমন ঘটে প্ৰতি বছৰে। শীতৰ আলহী পক্ষীৰ কলৰবত মুখৰিত হৈছিল তেতিয়াৰ কুঁজিবিল। তেতিয়া বিলৰ মহলদাৰ আৰু মাছমৰীয়াসকলেই সুৰক্ষা দিছিল পৰিভ্ৰমী পক্ষীক বোৰক। কিন্তু ৯০ৰ দশকৰ পাছৰ পৰা কুঁজিবিলৰ ওপৰত ভূতৰ ওপৰত দানহ পৰাদি পৰে একাংশ বেদখলকাৰীৰ লুলোপ দৃষ্টি। তেতিয়াৰে পৰা বিলখনৰ বৰি বজাৰৰ ওচৰৰ পৰা টুকটুকী-কোবাইকটা দিশত শ-শ বিঘা মাটি বেদখলকাৰীৰ কবলত পৰিছে। এনেধৰণৰ অবাধ বেদখলে ইতিহাস প্ৰসিদ্ধ কুঁজিবিলৰ অস্তিত্বৰ প্ৰতি চৰম ভাবুকি নমাই আনিছে। বিলৰ কাষতে পুখুৰী খান্দি বিলখনৰ জলৰাশিৰ গতি স্তব্ধ কৰি দিয়া হৈছে। এতিয়া কুঁজিবিলৰ পৰিসৰ যথেষ্ট ঠেক হৈ পৰাৰ লগতে ইয়াৰ বুকুও বাম হৈ পৰিছে। ডাঠ মেটেকাই ছানি ধৰিছে বিলখনৰ অধিকাংশ জল অঞ্চল। এতিয়া কুঁজিবিলে নিজৰ স্বকীয়তা হেৰুৱাই পেলোৱাৰ উপক্ৰম হৈছে। তাহানিৰ দৰে বিলখনত এতিয়া কাৰৈ, মাগুৰ, ৰৌ, ভকুৱা, শ'ল, শিঙী, বৰালি মাছ উভৈনদী নহয়। এতিয়া বিলত মাছমৰীয়া দলৰ হাঁহিৰ চিম্ফনী নাই। বিলখনলৈ বেদখলকাৰীয়ে নমাই অনা চৰম বিপৰ্যয়ৰ বাবে এতিয়া তাহানিৰ দৰে বিলখনলৈ হেজাৰ হেজাৰ শীতৰ অতিথি পৰিভ্ৰমী পক্ষীৰ আগমনো নঘটা হৈছে। পূৰ্বৰ তুলনাত বহু কমকৈ শীতৰ অতিথি পৰিভ্ৰমী পক্ষীৰ আগমন ঘটিছে যদিও একাংশ চোৰাং চিকাৰীয়ে নিতৌ এই পক্ষীসমূহ জাল, সজা আদিত বন্দী কৰি নিধন যজ্ঞ অব্যাহত ৰাখিছে। বিলখনৰ ভূমিত হোৱা বেদখল উচ্ছেদ কৰি বিলখনক পুনৰ প্ৰাণৱন্ত কৰি তুলিবলৈ বৃহত্তৰ কুঁজি সত্ৰৰ ৰাইজে বৰ্তমানৰ ৰাজ্য চৰকাৰক দাবী জনাই আহিছে যদিও এই ক্ষেত্ৰত চৰকাৰে চকুমুদা কুলিৰ ভাওঁহে ধৰি অহা পৰিলক্ষিত হৈছে। স্বকীয়তা হেৰুৱাই পেলোৱা কুঁজিবিল এতিয়া ৰৌমাছ, কাৰৈ মাছৰ বাবে বিখ্যাত নহয়। বিলখনৰ আশে-পাশে থকা গাঁওসমূহৰ ৰাইজেও এতিয়া বিলখনকেই জীৱন আৰু জীৱিকাৰ একমাত্ৰ সম্বল হিচাপে ল'ব নোৱৰা হোৱাত ৰাইজৰ মাজত বহু প্ৰশ্নৰ উদ্বেগ ঘটিছে। সেইয়ে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত মিত্ৰজোঁট চৰকাৰলৈ ৰাইজৰ এটাই মাথোঁ আহ্বান ঐতিহাসিক কুঁজিবিলৰ স্বকীয়তা বজাই ৰখাৰ স্বাৰ্থত বিলখন যাতে চৰকাৰে ৰক্ষা কৰে।

# বকোৰ মজলীয়া বিদ্যালয়সমূহত প্ৰধান শিক্ষকসহ পৰ্য্যাপ্ত শিক্ষকৰ অভাৱত শিক্ষাৰ দুৰৱস্থা

**অসম বাৰ্তা, বকো, ৩০ অক্টোবৰ ঃ** শিক্ষাই হৈছে মানৱ সম্পদৰ জ্যোতি। চৰকাৰে হিতাধিকাৰীক আঁচনি প্ৰদান কৰে কিন্তু শিক্ষাৰ পোহৰ বিলোৱা শিক্ষক পঢ়াশালিত নিদিয়ে। এই কথা কামৰূপ জিলাৰ বৃহত্তৰ বকো অঞ্চলৰ সমাজ সচেতন ৰাইজৰ। উল্লেখ্য যে বকো শিক্ষা খণ্ডৰ অন্তৰ্গত বৰ্তমানৰ ৭খন মজলীয়া বিদ্যালয়ত দীৰ্ঘদিন ধৰি প্ৰধান শিক্ষক স্থায়ী ভাৱে নিযুক্তি দিয়া নাই। চৰকাৰে প্ৰধান শিক্ষকৰ পদৰ পৰীক্ষা লোৱা দুই বছৰ ওকলি গ'ল কিন্তু ফলাফল একো নহ'ল। ইফালে জিলা শিক্ষা বিষয়াৰ কাৰ্যালয় পৰা তালিকা প্ৰকাশ কৰাৰো প্ৰায় ছয় মাহ অতিক্ৰম কৰিলে কিন্তু একো কাম নহ'ল। এই প্ৰতিবেদকৰ হাতত পৰা তথ্য অনুসৰি বকো মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ পদ ২০২৩ চনতে খালী হৈছে কিন্তু স্থায়ী নিযুক্তি নাই। ইফালে চক্ৰপাণি মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক নোহোৱাৰ পাচ বছৰ পাৰ হৈ গৈছে; নতুন শিক্ষক নিযুক্তি দিয়া নাই। ঠিক তেনেদৰে বন্দাপাৰা মজলীয়া বিদ্যালয়ত ২০২১ চনৰ পৰা কোনো প্ৰধান শিক্ষক নিযুক্তি দিয়া নাই। লগতে বাহজানী মজলীয়া বিদ্যালয়ৰ ২০২০ চনৰ পৰা প্ৰধান শিক্ষক নোহোৱা কৈ চলি আছে। ভালুকঘাটা মজলীয়া বিদ্যালয়তো ২০২২ চনৰ পৰা প্ৰধান শিক্ষকৰ পদ খালী হৈ আছে। গামেৰীমুৰা মজলীয়া বিদ্যালয়ৰো একে অৱস্থা বিগত পাচ বছৰ ধৰি স্থায়ী প্ৰধান শিক্ষক নাই। উল্লেখ্য যে বকো মজলীয়া বিদ্যালয় শিক্ষক সন্থাই সোনকালেই প্ৰধান শিক্ষকৰ খালী পদ সমূহ পুৰণ কৰিবৰ বাবে অসমৰ শিক্ষা মন্ত্ৰী ওচৰত দাবী জনাইছে। প্ৰকাশ যে; যোৱা ৩১ চেপ্তেম্বৰত বকো মজলীয়া বিদ্যালয়ত মজলীয়া বিদ্যালয় শিক্ষক সন্থাৰ ৰাজ্যিক অধিবেশনত সম্পাদক প্ৰধান আৰু সভাপতিক বিষয়টো অবগত কৰা হৈছিল যদিও আজিলৈকে কোনো ফল পোৱা নাই। আনহাতে বকো শিক্ষা খণ্ডৰ অন্তৰ্গত মজলীয়া বিদ্যালয় সমূহৰ বৰ্তমান অৱস্থা অতি পুতৌ লগা হৈছে। শিক্ষাৰ বিকাশ লাভ কৰিবলৈ হলে খালী পদ পূৰণ কৰাটো আৱশ্যক। শিক্ষা মানৱ সমাজৰ প্ৰধান জ্যোতি। এই সমস্যাৰ সমাধান নহ'লে কেতিয়াও সমগ্ৰ শিক্ষা আঁচনি সফল হ'ব নোৱাৰে বুলি বৃহত্তৰ বকোবাসী ৰাইজে অনুভৱ কৰিছে। সেয়েহে বিষয়টো অসম চৰকাৰৰ শিক্ষা বিভাগে গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনাইছে বকোৰ শৈক্ষিক সামাজিক লোকসকলে।

# বিশ্বনাথ জিলা সাহিত্য সভাৰ ৰামধেনু উপ সমিতিৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভাৰ সফল সামৰণি

**অসমবাৰ্তা, নদুৱাৰ, ৩০ অক্টোবৰ ঃ** অসমৰ ভাষা, সাহিত্য আৰু সংস্কৃতিৰ এটি বৃহৎ সাহিত্যিক আৰু সাংস্কৃতিক অনুষ্ঠান অসম সাহিত্য সভা। অসম সাহিত্য সভাৰ অন্তৰ্গত বিশ্বনাথ জিলা সাহিত্য সভাৰ এখন অন্যতম উপসমিতি ৰামধেনু উপসমিতিৰ উদ্যোগত ২৮ অক্টোবৰত বিশ্বনাথ চাৰিআলি সাহিত্য সভা ভৱনত প্ৰথমখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। ৰামধেনু উপসমিতিৰ আহ্বায়ক বিশ্বজিৎ সূতে আঁত ধৰা সভাখনত সভাপতিৰ আসন অলংকৃত কৰে বিশ্বনাথ জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ গগৈয়ে। সভাত উপস্থিত থাকে বিশ্বনাথ জিলা সাহিত্য সভাৰ উপ-সভাপতি ৰূপালী দাস, সহকাৰী সম্পাদক ৰঞ্জিত শইকীয়া, কাৰ্যনিৰ্বাহকৰ সদস্যা অৰ্পণা শইকীয়া দাস, ৰামধেনু উপসমিতিৰ কাৰ্যকৰী সভাপতি থানেশ্বৰী কুৰ্মী গঞ্জু, সদস্য-সদস্যা পল্লৱীকা শইকীয়া, মানসী দেৱী, অনন্ত শইকীয়া, অঞ্জন বৰুৱা, সুৰুয জ্যোতি দাস, মঞ্জিল প্ৰকাশ ডেকা, বিশ্বনাথ চাৰিআলি শাখা সাহিত্য সভাৰ সভাপতি ক্ষীৰ কলিতা, উপ-সভাপতি ৰাজেন্দ্ৰ প্ৰসাদ দাস, সম্পাদক সূৰ্য বৰা, সহকাৰী সম্পাদক যজ্ঞেশ্বৰ বৰুৱা আদি। সভাত শাখাৰ তৰফৰ পৰা জিলাৰ বিষয়ববীয়াসকলক এখন জাতীয় বস্ত্ৰ আৰু ৰামধেনু উপসমিতিৰ তৰফৰ পৰা সকলোকে গ্ৰন্থৰে আদৰণি জনায়। আৰম্ভণিতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন, পুষ্পাঞ্জলি অৰ্পণ আৰু আদৰণি ভাষণ প্ৰদান কৰে বিশ্বনাথ চাৰিআলি শাখা সাহিত্য সভাৰ সভাপতি ক্ষীৰ কলিতাই। সভাত শাখাসমূহক লৈ, বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত যুৱ প্ৰজন্মৰ মাজত সাহিত্য বিষয়ক কৰ্মশালা অনুষ্ঠিত কৰা, বিভিন্ন সময়ত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা আৰু ৰামধেনু উপসমিতিৰ ৰামধেনু নামৰ এখন আলোচনী প্ৰকাশ কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত উপস্থিত সকলোৱে উপ-সমিতিখনৰ উত্তৰণৰ দিশত বক্তব্য আগবঢ়ায়। থানেশ্বৰী কুৰ্মী গঞ্জু, অৰ্পণা শইকীয়া দাস আৰু বিশ্বজিৎ সূতে কবিতা পাঠ কৰি সকলোকে আপ্লুত কৰে। শেষত সভাপতিৰ মন্তব্য, বিশ্বজিৎ সূতৰ শলাগ জ্ঞাপন আৰু জাতীয় সংগীত পৰিৱেশনৰে সভাৰ সামৰণি পৰে।

# সত্ৰীয়া সংস্কৃতি দিৱস উদ্‌যাপনৰ বাবে আমগুৰিত সমিতি গঠন

**অসম বাৰ্তা, জাঁজী, ৩০ অক্টোবৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰিস্থিত শ্ৰীশ্ৰী বেঙেনাআটী সত্ৰত শিৱসাগৰ জিলা সত্ৰ মহাসভাৰ পৃষ্ঠপোষকতাত সত্ৰীয়া সংস্কৃতি দিৱস উদযাপনৰ বাবে যোৱা ২৬ অক্টোবৰত এখন সভা অনুষ্ঠিত হৈ যায়। স্থানীয় সমাজকৰ্মী জিতেন শইকীয়াই সভাপতিত্ব কৰা উক্ত সভাত শিৱসাগৰ জিলা সত্ৰ মহাসভাৰ সভাপতি সৌৰভ মহন্তই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি আগন্তুক সত্ৰীয়া সংস্কৃতি দিৱস উদ্‌যাপনৰ বাবে এখনি উদযাপন সমিতি গঠন কৰাৰ কথা উল্লেখ কৰে। সেই মৰ্মে শিৱসাগৰ জিলা সত্ৰ মহাসভাৰ সকলো সদস্যকে উপদেষ্টা হিচাপে লৈ, হৰেণ বুঢ়াগোহাঁইক সভাপতি, জিতেন শইকীয়াক কাৰ্যকৰী সভাপতি, বিষ্ণু মহন্ত আৰু নোমল কোঁৱৰক যুটীয়া সম্পাদক হিচাপে লৈ এখনি শক্তিশালী সমিতি গঠন কৰা হয়। সত্ৰীয়া সংস্কৃতি দিৱস উদযাপন সমিতিয়ে শিৱসাগৰ বাসী ৰাইজৰ সহায় সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে বুলি প্ৰচাৰ সম্পাদক মানস জ্যোতি গগৈয়ে জানিবলৈ দিয়ে।

**তিনিখনকৈ থানাৰ বেৰিগেট মহতিয়াই পলায়ন কৰাৰ চেষ্টা**

# জাগুন আৰক্ষীয়ে খেদি খেদি জব্দ কৰে বিলাসী বাহনৰ সৈতে চুৰি গৰু

**অসম বাৰ্তা বিশেষ, জাগুন, ৩০ অক্টোবৰ ঃ** জাগুন আৰক্ষী চকীৰ অন্তৰ্গত ৩১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত বুধবাৰে নিশা এখন বিলাসী বাহনত চুৰ কৰি নিয়াৰ সময়ত এজনী গৰু বাহন খনৰ সৈতে আৰক্ষীয়ে জব্দ কৰে। পূৰ্বতে সংঘটিত হোৱাৰ দৰে ট্ৰাক অথবা বলেৰো পিকাপ গাড়ী নহয়, গৰু চোৰে ব্যৱহাৰ কৰিছে বিলাসী বাহন। এখন পুৰণি পঞ্জীয়ন ভুক্ত বলেৰো গাড়ীৰ নম্বৰ প্লেট বিলাসী XUV 500 বাহনত সংলগ্ন কৰি গৰু চোৰে অৱলম্বন কৰা দেখা গল নতুন কৌশল। বগা ৰঙৰ XUV 500 গাড়ীত এজনী মাইকী গৰু তুলি নিশা প্ৰায় ১১.৩০ মান বজাত তিনিখনকৈ আৰক্ষী থানাৰ বেৰিগেট মহতীয়াই পলাই যাবলৈ চেষ্টা কৰি অৱশেষত জাগুন আৰক্ষীয়ে গাই জনীৰ সৈতে বাহনখন জব্দ কৰিবলৈ সক্ষম হয় যদিও বাহন খনৰ গৰাকী পলাই যাবলৈ সক্ষম হয়। জানিব পৰা অনুসৰি মাৰ্ঘেৰিটা দিশৰ পৰা লিডু আৰক্ষী চকী, লেখাপানী আৰক্ষী থানা আৰু জাগুন আৰক্ষী চকীৰ সন্মুখত ড্ৰামেৰে সাজি থোৱা বেৰিগেট মহতীয়াই অৰুণাচলৰ জয়ৰামপুৰ দিশে পলাবলৈ চেষ্টা কৰোঁতে অৱশেষত জাগুন আৰক্ষীয়ে খেদি খেদি জাগুনৰ দহ মাইলত উদ্ধাৰ কৰিবলৈ সক্ষম হয় AS 23 N 6148 নম্বৰৰ ভুৱা নম্বৰ প্লেট সংলগ্ন XUV 500 গড়ীখন। দহ মাইলত ৰাষ্ঠ্ৰীয় ঘাই পথৰ ওপৰতে বাহনখন এৰি পলায়ন গৰু চোৰ চালক। আৰক্ষীয়ে গাড়ীখনৰ ভিতৰৰ পৰা উদ্ধাৰ কৰে এজনী মাইকী গৰু সহ এখন চোকা তৰোৱাল। পৰৱৰ্ত্তী সময়ত জব্দ কৰা গাইজনিৰ সৈতে বাহনখন জাগুন আৰক্ষীয়ে থানা সোঁহদলৈ লৈ যায় আৰু বাহন খনৰ প্ৰকৃত গৰাকী কোন হব পাৰে তাৰ তদন্ত অব্যাহত ৰাখিছে।

# তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্য্যসূচীৰে প' ৰাম আঞ্চলিক কৃষ্টি সংঘৰ ৰাস উদ্‌যাপন

**অসম বাৰ্তা, উজনী মাজুলী, ৩০ অক্টোবৰ ঃ** মাজুলী প'ৰাম আঞ্চলিক কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত সংঘৰ সভাপতি চন্দ্ৰধৰ হাজৰিকাৰ সভাপতিত্বত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সংঘৰ সহঃসাধাৰণ সম্পাদক প্ৰসন্ন শইকীয়াই। ইয়াৰ পিছতে সভাত উপস্থিত থকা বিভিন্নজন ব্যক্তিৰ মন্তব্যৰ পিছতে, আগন্তুক ৫, ৬ আৰু ৮নৱেম্বৰ তাৰিখে শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসলীলা ভাগি বিগত বৰ্ষৰ দৰে এই বৰ্ষও তিনিদিনীয়া কৈ, তিনিখন ভিন্ন ৰাস মঞ্চস্থ কৰিবলৈ আগবাঢ়িছে। তাৰে ভিতৰত ৫ নৱেম্বৰৰ দিনা শিশু ৰাস, ৬ নৱেম্বৰ দিনা যুৱ সমাজৰ ৰাস আৰু অন্তিম নিশা ৮ নৱেম্বৰ তাৰিখে মহিলাসকলৰ দ্বাৰা ৰাস মঞ্চস্থ কৰিবলৈ আগবাঢ়িছে। সংঘৰ সভাপতি চন্দ্ৰধৰ হাজৰিকা আৰু সহঃসাধাৰণ সম্পাদক প্ৰসন্ন শইকীয়াই কয় যে পূৰ্বৰ দৰেই পূৰ্ণ উদ্যমেৰে এইবাৰো ৰাস উদযাপন কৰা হব লগতে সমূহ ৰাস প্ৰেমী ৰাইজৰ সহায় সহযোগ আৰু তিনিওটি নিশাতে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা দৰ্শকৰ উপস্থিতি আশা কৰিছে।

# সৃজনগ্ৰাম শিক্ষাখণ্ডৰ ৩১খন বিদ্যালয়ত সফলভাবে "গ্ৰেট অসম শ্বেকআউট ম'ক ড্ৰিল" সম্পন্ন

**অসম বাৰ্তা, অভয়াপুৰী, ৩০ অক্টোবৰ ঃ** বঙাইগাঁও জিলা দূৰ্যোগ ব্যৱস্থাপনা বিভাগৰ উদ্যোগত আজি ৰাজ্যৰ বিভিন্ন অঞ্চলৰ সৈতে একেলগে বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম শিক্ষাখণ্ডৰ অন্তৰ্গত ৩১খন বিদ্যালয়ত এক গুৰুত্বপূৰ্ণ কাৰ্যসূচী ৰূপে "গ্ৰেট অসম শ্বেকআউট ম'ক ড্ৰিল" সম্পন্ন কৰা হয়। এই ম'ক ড্ৰিলৰ উদ্দেশ্য আছিল বিদ্যালয়ৰ শিক্ষক-ছাত্ৰ-ছাত্ৰীৰ মাজত ভূমিকম্পৰ আৰু বিভিন্ন দুৰ্যোগৰ সময়ত স্ব-সুৰক্ষা কৌশল সম্পৰ্কে সচেতনতা বৃদ্ধি কৰা আৰু প্ৰয়োজনীয় পদক্ষেপ অনুশীলন কৰোৱা। কাৰ্যসূচী অনুসৰি পুৱা নিৰ্দিষ্ট সময়ত বিদ্যালয়সমূহত বিশেষ সংকেতধ্বনিৰ জৰিয়তে ড্ৰিল আৰম্ভ কৰা হয়। সংকেতধ্বনি শুনাৰ লগে লগে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে নিজৰ আসনতে "ড্ৰপ, কভাৰ আৰু হোল্ড" অনুশীলন কৰে। তাৰ পিছত নিয়মানুযায়ী শৃঙ্খলাবদ্ধভাৱে শ্ৰেণীকোঠাৰ পৰা শাৰী পাতি বিদ্যালয়ৰ নিৰ্ধাৰিত নিৰাপদ স্থানলৈ প্ৰস্থান কৰে। বাহিৰলৈ ওলোৱাৰ সময়ত সকলো ছাত্ৰ-ছাত্ৰীয়ে মুখত কাপোৰৰ সোপা লৈ, ধূলি-বালিৰ পৰা ৰক্ষা পাবলৈ প্ৰয়োজনীয় সাৱধানতা গ্ৰহণ কৰে। বিদ্যালয়ৰ মুকলি প্ৰাৰ্থনা স্থান বা নিৰাপদ সমাবেশ এলেকাত সমবেত হোৱাৰ পিছত প্ৰধান শিক্ষকসকলে উপস্থিতিৰ তালিকা সংগ্ৰহ কৰে আৰু অনুশীলনৰ মূল্যায়ন কৰে। এই অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীয়ে অগ্নি সংযোগৰ সময়ত কৰিবলগীয়া "ষ্টপ, ড্ৰপ, ৰ'ল" প্ৰক্ৰিয়াৰো প্ৰায়োগিক অনুশীলন কৰে। বিদ্যালয় সমূহত খণ্ড প্ৰাথমিক শিক্ষা বিষয়া, মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়কসকল, শিক্ষক আৰু স্থানীয় কৰ্মচাৰীসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। তেওঁলোকে ছাত্ৰ-ছাত্ৰীৰ আচৰণ, সতৰ্কতা আৰু অংশগ্ৰহণৰ ওপৰত সন্তুষ্টি প্ৰকাশ কৰে। এই ধৰণৰ ম'ক ড্ৰিল ছাত্ৰ-ছাত্ৰীৰ মাজত দূৰ্যোগকালীন অৱস্থাত নিজৰ জীৱন সুৰক্ষিত ৰাখিবলৈ প্ৰয়োজনীয় জ্ঞান আৰু অভ্যাস গঢ়ি তোলাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি সকলোৱে মন্তব্য কৰে।

# ১৭০ কোটি টকীয়া জল-জীৱন আঁচনিৰ দ্বাৰা ভেৰগাঁও মহকুমাৰ অন্তৰ্গত প্ৰায় ২০ হাজাৰ পৰিয়াল উপকৃত হ'ব

# বিটিচি চীফৰ দায়িত্ব গ্ৰহণ কৰি ৰঙা ফিটা কাটি প্ৰথমটো আঁচনিৰ শুভ উদ্বোধন কৰিলে হাগ্ৰামা মহিলাৰীয়ে

**অসম বাৰ্তা, টংলা, ৩০ অক্টোবৰ ঃ** ওদালগুৰি জিলা দিৱসৰ দিনাই আজি ভাৰত-ভূটান সীমান্তৱৰ্তি ওদালগুৰি জিলাৰ ডিমাকুছি থানাৰ অন্তৰ্গত নোনাইপাৰাত বৃহত্তৰ অঞ্চলৰ বাবে পানী যোগান আঁচনি উপহাৰ। ওদালগুৰি জিলাৰ নোনাইপাৰাত হাগ্ৰামা মহিলাৰীয়ে উদ্বোধন কৰিলে ১৭০ কোটি টকীয়া জল-জীৱন আঁচনিৰ দ্বাৰা কেইবাখনো গাঁৱৰ ২০ হাজাৰতকৈও অধিক পৰিয়ালৰ বাবে পানী যোগান আঁচনিৰ সু-ব্যৱস্থা। বিটিচি নিৰ্বাচনত জয়ী হোৱাৰ পিছত প্ৰথমবাৰৰ বাবে বিটিচি অঞ্চলত এনেধৰণৰ আঁচনি উদ্বোধন কৰাৰ কথা ব্যক্ত কৰাৰ লগতে ৰাজ্য চৰকাৰৰ পৰা আহিবলগীয়া ১৫ শ কোটি টকাৰে বিটিচিৰ উন্নয়নমূলক কাম-কাজ কৰা হ'ব বুলিও মন্তব্য কৰে হাগ্ৰামা মহিলাৰীয়ে। উক্ত পানী যোগান আঁচনি উদ্বোধন অনুষ্ঠানত অংশগ্ৰহণ কৰে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, বিটিচিৰ উপ মুখ্য কাৰ্য্যবাহী সদস্য ৰিহন দৈমাৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্য্যবাহী সদস্য বেগম আখতাৰাকে ধৰি বহু কেইগৰাকী বিপিএফ, বিজেপিৰ নেতা-কৰ্মীয়ে। নোনাই পাৰা পানী যোগান আঁচনিখনৰ পৰা এটকাও বিজুলীৰ বিল খৰচ নহয়, চুবুৰীয়া ৰাষ্ট্ৰ ভূটান পাহাৰৰ পৰা নামি অহা পানী নিষ্কাষন কৰি পানী সমূহ গাঁৱে-গাঁৱে যোগান ধৰিব। এই আঁচনিখনৰ পৰা প্ৰায় ২৫ -৩০ হাজাৰ পৰিয়াল উপকৃত হ'ব বুলি মন্তব্য কৰে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই। হাগ্ৰামা মহিলাৰীয়ে ২০২৬ ৰ বিধান সভা নিৰ্বাচনৰ বাবে ডিচেম্বৰৰ পৰা ৰাইজৰ মাজত সোমাই পৰিব বুলি সাংবাদিকৰ প্ৰশ্নত মন্তব্য কৰে।

# নিশা ৰাজপথত ম'হ কঢ়িওৱা গাড়ী ৰখাই ধন দাবী বীৰ লাচিত সেনা আৰু একত্ৰিত যুৱ পৰিষদৰ তিনি সদস্যৰ আটক

**অসম বাৰ্তা, চেঙা, ৩০ অক্টোবৰ ঃ** ম'হ ব্যৱসায়িক ধনদাবী কৰি আৰক্ষীৰ হাতত আটক হৈছে তিনিজনকৈ সংগঠনৰ তথাকথিত নেতা। বীৰ লাচিত সেনা আৰু সদৌ অসম একত্ৰিত যুৱ পৰিষদৰ নাম সাঙোৰ খাইছে ধনদাবীৰ ঘটনাত। যোৱা ৫ অক্টোবৰৰ নিশা বৰপেটা জিলাৰ তাৰাবাৰী থানাৰ অন্তৰ্গত চেঙাৰ নিকটৱৰ্তী কদমতলাত ম'হ কঢ়িয়াই অনা এখন ট্ৰাক কেইজন যুৱকে ৰখাই ধনদাবী কৰে। দীপাংকৰ তালুকদাৰ আৰু লিটন আলী বীৰ লাচিত সেনাৰ সদস্য বুলি চিনাকি দিয়াৰ লগতে চহিদুল বৰুৱা নামৰ যুৱকজনে নিজকে সদৌ অসম একত্ৰিত যুৱ পৰিষদৰ নেতা বুলি চিনাকি দি ম'হ ব্যৱসায়িক ধন দাবী কৰাৰ অভিযোগ উত্থাপন হৈছে তিনিওজনৰ বিৰুদ্ধে। বীৰ লাচিত সেনা আৰু সদৌ অসম একত্ৰিত যুৱ পৰিষদ সংগঠন দুটাৰ তথাকথিত নেতা কেইগৰাকীয়ে ম'হ কঢ়িয়াই অনা ট্ৰাকখন ৰখায়। তাৰ পাছত দীপাংকৰে ট্ৰাকখন গাঁৱৰ ভিতৰুৱা ৰাস্তালৈ লৈ যায়। চালকজনৰ লগত থকা নগদ দহ হাজাৰ টকা আৰু এটা অপো মোবাইল ফোনো যুৱক কেইজনে কাঢ়ি লৈ যোৱা বুলি অভিযোগ উত্থাপন কৰি ৰাকিবুল ইছলাম নামৰ ট্ৰাক চালকজনে তাৰাবাৰী আৰক্ষী থানাত যুৱক কেইজনৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছিল। বুধবাৰে নিশা তিনিওজন যুৱকক তাৰাবাৰী আৰক্ষীয়ে আটক কৰা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে কিছুদিন পূৰ্বে দেৱালীৰ সময়ত বৰপেটাৰ আতচবাজীৰ উদ্যোগত নিশা এই তিনিওজন তথাকথিত সংগঠনৰ নেতাই আতচবাজীৰ বিক্ৰী বন্ধ কৰিবলৈ গৈ আতচবাজীৰ উদ্যোগত উদণ্ডালী কৰি ৰাইজৰ ৰোষত পৰিছিল। ৰাইজৰ মাজৰ পৰা আৰক্ষীয়ে উদ্ধাৰ কৰিছিল ধুৰন্ধৰ এই তিনি যুৱকক। বৰপেটাৰ আতচবাজী উদ্যোগত সংঘটিত কৰা ঘটনাৰ বাবে বীৰ লাচিত সেনাৰ বৰপেটা জিলা সমিতিৰ পৰা দীপাংকৰ তালুকদাৰ আৰু লিটন আলীক বহিষ্কাৰ কৰা বুলি সামাজিক মাধ্যমত প্ৰকাশ কৰিছিল বীৰ লাচিত সেনাৰ বৰপেটা জিলা সমিতিৰ সচিব অবিনাশ ডেকাই। বৰপেটা আতচবাজী উদ্যোগত সংঘটিত ঘটনাৰ পূৰ্বে চেঙাৰ কদমতলাত আটকাধীন যুৱ কেইজনে ম'হ কঢ়িয়াই অনা ট্ৰাকখনৰ পৰা দাবী কৰিছিল বৃহৎ পৰিমাণৰ ধন। তাৰাবাৰী আৰক্ষীয়ে তিনিওজনক আটক কৰাৰ পাছত নিশাই বৰপেটা সদৰ থানালৈ লৈ যোৱা হৈছে তিনিওজনক।

# বঙাইগাঁও জিলাৰ বিদ্যালয়ত দুৰ্যোগ ব্যৱস্থাপনাৰ কৃত্ৰিম অনুশীলন

**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ৩০ অক্টোবৰ ঃ** বঙাইগাঁও জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অধীনত আজি জিলাখনৰ আটাইকেইটা ৰাজহ চক্ৰ সামৰি মুঠ ৮১খন বিদ্যালয়ত অনুষ্ঠিত হয় কৃত্ৰিম অনুশীলন। ভূমিকম্প আৰু অগ্নিকাণ্ড যদি স্কুল চলি থকা সময়ত হয় তেতিয়া বিদ্যালয়ত থকা ছাত্ৰ-ছাত্ৰীসকলে নিজকে কেনেকৈ ক্ষয়-ক্ষতিৰ পৰা ৰক্ষা কৰিব অথবা কি কি উপায় অৱলম্বন কৰি নিজকে বচাব পাৰিব সেই সম্পৰ্কত ছাত্ৰ-ছাত্ৰী সকলক সজাগ কৰি তুলিবলৈ আজিৰ এই কৃত্ৰিম অনুশীলন অনুষ্ঠিত কৰা হয়। বঙাইগাঁও জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অধ্যক্ষ তথা জিলা আয়ুক্ত নৱদ্বীপ পাঠক আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া তথা অতিৰিক্ত জিলা আয়ুক্ত নিৰ্মালি বৰুৱাৰ তদাৰকত অনুষ্ঠিত এই কৃত্ৰিম অনুশীলনত দুৰ্যোগ ব্যৱস্থাপনাৰ প্ৰকল্প বিষয়া, ক্ষেত্ৰ বিষয়াসকল আৰু স্বেচ্ছাসেৱকসকলে সংক্ৰিয় ভূমিকা গ্ৰহণ কৰে। এই কৃত্ৰিম অনুশীলনত পৰ্যবেক্ষক হিচাপে উপস্থিত আছিল অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ ভূতত্ত্ব তথ্য পদ্ধতি বিশেষজ্ঞ বীৰেন বৈশ্য। বঙাইগাঁও চহৰৰ বীৰঝৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত কৃত্ৰিম অনুশীলনত উপস্থিত আছিল বঙাইগাঁও ৰাজহ চক্ৰ বিষয়া মৌচম প্ৰতীম নাথ, সহকাৰী আয়ুক্ত অনন্ত বৰদলৈ, ক্ষেত্ৰ বিষয়া ৰকিবুল হুছেইন, অগ্নিনিৰ্বাপক আৰু আপাতকালীন সেৱাৰ জ্যেষ্ঠ ষ্টেশ্যন বিষয়া দয়াল চক্ৰৱৰ্তী আৰু নিয়োজিত স্বেচ্ছাসেৱক গৰাকীৰ লগতে উপস্থিত থাকে চিকিৎসাকৰ্মীৰ দল। বিদ্যালয়সমূহত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ বিষয়ববীয়া সকলক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে সহযোগিতা আগবঢ়ায়।

# ধুবুৰীৰ জিলা পুথিভঁৰালত ৰাজবংশী ভাষা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ধুবুৰী, ৩০ অক্টোবৰ ঃ** ২৮ অক্টোবৰত ধুবুৰীৰ জিলা পুথিভঁৰালত ১৫ সংখ্যক ৰাজবংশী ভাষা দিৱস পালন কৰে। ধুবুৰী জিলা কোচ ৰাজবংশী সাহিত্য সভা, ধুবুৰী জিলা কোচ ৰাজবংশী লেখিকা সভা। ধুবুৰী শাখা কোচ ৰাজবংশী লেখিকা সভা আৰু কেন্দ্ৰীয় কোচ ৰাজবংশী সাহিত্য সভা, কেন্দ্ৰীয় কোচ ৰাজবংশী লেখিকা সভা, ৰাজবংশী ভাষা শিক্ষা সংসহৰ। এই অনুষ্ঠানটো ৰাতিপুৱাৰে পৰা দিনযোৱা কাৰ্য্যসূচীৰে পালন কৰে। উক্ত অনুষ্ঠানত উপস্থিতত থাকে ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, কে এ চিৰ চিপ জীৱেস ৰায়, কে এ চিৰ সাধাৰণ সদস্য ৰঘু ৰঞ্জন বেপাৰী, ধুবুৰী পৌৰসভাৰ অধ্যক্ষ দেৱময় সান্যাল, ধুবুৰী জিলাৰ বিজেপিৰ সভাপতি ৰণজিত কুমাৰ ৰায়, সুচিব্ৰত সিংহ চৌধুৰী, আই ভি লতা ৰায়, ডঃ জে বি ৰায়, গোলোকগঞ্জৰ বিজেপিৰ প্ৰাক্তন বিধায়ক অশ্বিনী ৰায় সৰকাৰ আৰু বিভিন্ন বিভিন্ন জাগাৰ পৰা আহি উপস্থিত হয়। প্ৰায় এক হেজাৰ অধিক অতিথিয়ে উপস্থিত হয়।

# বঙাইগাঁও বিশ্ববিদ্যালয়ত উপস্থিত শিক্ষামন্ত্ৰী ৰণোজ পেগু

**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ৩০ অক্টোবৰ ঃ** বঙাইগাঁও বিশ্ববিদ্যালয়ত ছাত্ৰ একতা সভা, বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আৰু অধ্যাপক সকলৰ সৈতে এক পৰ্যালোচনা বৈঠকত মিলিত হয় অসমৰ শিক্ষামন্ত্ৰী ৰনোজ পেগু। বৈঠকত মিলিত হৈ বিশ্ববিদ্যালয়ৰ বিভিন্ন কাম কাজৰ অগ্ৰগতিৰ বুজ লয় মন্ত্ৰী গৰাকীয়ে। সভাৰ অন্তত সংবাদ মাধ্যমৰ মুখামুখি হৈ কেইবাটাও মন্তব্য প্ৰকাশ কৰে শিক্ষা মন্ত্ৰী গৰাকী। UPPL দল NDAৰ সংগ ত্যাগ কৰাৰ সন্দৰ্ভত মন্ত্ৰী গৰাকী কয় - প্ৰতিটো দলৰ স্বাধীনতা আছে তেওঁলোকে থাকিব পাৰে, ওলাই যাবও পাৰে আৰু স্বাধীনভাৱে প্ৰাৰ্থী দিব পাৰে। ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ সন্দৰ্ভত মন্ত্ৰী গৰাকীয়ে কয় বিধানসভাৰ শীত কালীন অধিবেশনত এইবাৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰতিবেদন দাখিল কৰা হব। শ্ৰীভূমিৰ কংগ্ৰেছ দলৰ কাৰ্যালয়ত বাংলাদেশৰ জাতীয় সংগীত বজোৱাৰ ঘটনাৰ সন্দৰ্ভত মন্ত্ৰী গৰাকীয়ে এই ঘটনাক ধিক্কাৰ জনায়। বঙাইগাঁও বিশ্ববিদ্যালয়ৰ নামকৰণৰ সন্দৰ্ভত স্পষ্টীকৰণ দিয়ে মন্ত্ৰীগৰাকীয়ে বঙাইগাঁও বিশ্ববিদ্যালয় হিচাবে ৰাইজৰ মাজত পৰিচয় পাব। আগতে ইউনিভাৰ্চিটি অফ বঙাইগাঁও হিচাবে ৰাইজৰ মাজত পৰিচয় লাভ কৰিছিল বিশ্ববিদ্যালয় খনে।

# শুৱালকুছিৰ ৰাজপথত "বৈ বৈ বিনালে" কথাছবিৰ পোষ্টাৰিং জুবিন ফেন ক্লাৱৰ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৩০ অক্টোবৰ ঃ** অহা ৩১ অক্টোবৰত ৰাজ্যৰ লগতে দেশৰ বিভিন্ন স্থানত মুক্তি লাভ কৰিব অসমীয়াৰ হিয়াৰ আমুঠি জুবিন গাৰ্গৰ সপোন বৈ বৈ বিনালে কথাছবি খন। দীৰ্ঘদিনৰ পৰিকল্পনা পিচত নিৰ্মাণ কৰা হৈছে এই ছবি খন। জুবিন গাৰ্গৰ হেঁপাহ আছিল পুনৰ অসমীয়া ছবিলৈ ভাল দিন ঘূৰি আহিব। ভাল দিনৰ আশা কৰিয়ে জুবিন গাৰ্গে নিৰ্মাণ কৰিছিল বৈ বৈ বিনালে দৰে বিগ বাজেটৰ ছবি। জুবিনে কোৱাৰ দৰে এতিয়া অসমীয়া ছবিৰ ভাল দিন আহিব 'বৈ বৈ বিনালে'ৰ দৰে ছবিৰ জৰিয়তে। কাৰণ বৈ বৈ বিনালে মুক্তিৰ বাবে এতিয়া অসমত বন্ধ হয় থকা ছবিগৃহ সমূহ পুনৰ মুকলি কৰাৰ এক পৰিবেশ সৃষ্টি হৈছে। ছবিখনৰ বাবে ৰাজ্যত বন্ধ হৈ পৰা ছবি গৃহয়ো এতিয়া পুনৰ মুকলি কৰিছে ছবিগৃহৰ স্বত্বাধিকাৰীয়ে। ছবিখন মুক্তি লাভৰ পূৰ্বে ইতিমধ্যে খলকনি তুলিছে সমগ্ৰ দেশৰ লগতে বিদেশতো। মুঠতে জুবিন গাৰ্গৰ শেষৰখন ছবি উপভোগ কৰিবলৈ সাজু হৈছে প্ৰতি গৰাকী জুবিনৰ অনুৰাগী। তেনেসময়তে ব্যতিক্ৰম নহয় বস্ত্ৰ নগৰী শুৱালকুছিয়ো। বস্ত্ৰনগৰী শুৱালকুছিৰ ৰাজপথতো কালি নিশা দেখা গল জুবিন ফেন ক্লাৱৰ সদস্য সকলে বৈ বৈ বিনালে ছবিখনৰ পষ্টাৰিং কৰি প্ৰচাৰ কৰাৰ ব্যস্ততা। শুৱালকুছি জুবিন ফেন ক্লাৱৰ আহ্বান জুবিন দাৰ শেষ তথা সপোনৰ ছবিখন সকলোৱে উপভোগ কৰক। ইয়াৰ লগতে প্ৰতি গৰাকী দৰ্শকলৈ জুবিন গাৰ্গৰ সপোনৰ ছবিখন কোনো দৰ্শকে যেন পাইৰাছি নকৰে তাৰবাবেও আহ্বান জনালে জুবিন ফেন ক্লাৱে।

# অসম সাহিত্য সভাৰ আজীৱন সভ্য বংশীধৰ শৰ্মাৰ মৃত্যু

**অসম বাৰ্তা, টংলা, ৩০ অক্টোবৰ ঃ** অসম সাহিত্য সভাৰ আজীৱন সভ্য, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক ওদালগুৰি জিলাৰ টংলাৰ ৰূপাখাট নিবাসী বংশীধৰ শৰ্মাৰ দেওবাৰে আবেলি ২-৪০ বজাত নিজ বাসভৱনত মৃত্যু ঘটে। ৭৯বছৰ বয়সত মৃত্যুবৰণ কৰা শৰ্মা কিছুদিনৰ পৰা শ্বাস-প্ৰশ্বাস তথা হৃদয়জনিত ৰোগত আক্ৰান্ত হৈ আছিল। ১৯৪৬চনৰ ১৮চেপ্তেম্বৰত দৰং জিলাৰ নায়কপাৰাৰ হোকোৰাপাৰা চুবাত লক্ষ্মীকান্ত শৰ্মা আৰু ঠগেশ্বৰী দেৱীৰ সন্তানৰূপে জন্ম লাভ কৰা শৰ্মাদেৱে প্ৰাথমিক শিক্ষা অন্ত কৰাৰ পিছত ৰূপাখাট গাঁৱলৈ পিতৃ - মাতৃৰ সৈতে স্থানান্তৰিত হয় আৰু তাতেই নিগাজিকৈ থাকিবলৈ লয়। তেওঁ ১৯৭৪ চনত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক পদত নিযুক্তি পায় আৰু চাৰিখন বিদ্যালয়ত শিক্ষকতা কৰাৰ অন্তত ২০১০ চনৰ ২৮ ফেব্ৰুৱাৰীত অৱসৰ গ্ৰহণ কৰে। তেওঁ টংলা সাহিত্য সভাৰ এগৰাকী সক্ৰিয় সদস্য আৰু কেইবাবাৰো কাৰ্যনিৰ্বাহক সদস্য আছিল। তেওঁৰ মৃত্যুত ওদালগুৰি জিলা সাহিত্য সভা, টংলা সাহিত্য সভা, টংলা আঞ্চলিক কৰ্মচাৰী পৰিষদ, টংলা প্ৰেছ ক্লাব, টংলা মিডিয়া ফ'ৰাম, দৰং- ওদালগুৰি জিলা ব্ৰাহ্মণ সমাজ, বড়োলেণ্ড সাংবাদিক সংস্থাৰ ওদালগুৰি জিলা সমিতি, টংলা আঞ্চলিক ছাত্ৰ সন্থা, ৰূপাখাট স্বাগতম সংঘ, অসম জাতীয়তাবাদী যুৱ -ছাত্ৰ পৰিষদৰ ওদালগুৰি জিলা সমিতি আৰু টংলা আঞ্চলিক সমিতি, ওদালগুৰি জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা, ওদালগুৰি জিলা আপকু আদিয়ে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ উপৰি চাৰিগৰাকী পুত্ৰৰ সৈতে তিনিগৰাকী বোৱাৰী আৰু পৰিয়াল তথা গুণমুগ্ধক এৰি থৈ যায়।

# পুৱতি নিশাৰে পৰা...

জুবিন গাৰ্গৰ সপোনৰ ছবি 'বৈ বৈ বিনালে'। কেইটা বাজিছে চাবলৈ সময় নাই। মাথোঁ হিয়াৰ আমঠুটোক চাব লাগে। সেই উদ্দেশ্যৰেই কাহিলীপুৱাতে হ'লেও দৰ্শক ওলাই আহিল ছবিগৃহলৈ। বহুকেইটা অভিলেখ ভংগ কৰাৰ পিছত এইবাৰ ছবিখনে ভংগ কৰিলে আন এক অভিলেখ। অসমৰ ইতিহাসত প্ৰথমবাৰৰ বাবে পুৱতিনিশা ৪: ২৫ মিনিটত প্ৰদৰ্শিত হ'ল 'বৈ বৈ বিনালে'। গুৱাহাটীৰ মেট্ৰিস্ক চিনেমাত পুৱতি নিশা ৪ বাজি ২৫ মিনিটৰ পৰা প্ৰদৰ্শিত কৰা হ'ল 'বৈ বৈ বিনালে'ৰ প্ৰথমটো দৰ্শনী। অনুৰাগী দৰ্শকৰ অভূতপূৰ্ব সঁহাৰি লাভ কৰা 'বৈ বৈ বিনালে' ছবিখন মুক্তিৰ লগে লগে সৃষ্টি হ'ল আন এক ইতিহাস। অসম তথা ভাৰতৰ ইতিহাসত এটা নতুন পৃষ্ঠা সংযোজন কৰি পুৱতি নিশা ৪ বাজি ২৫ মিনিটত মুক্তি পোৱা 'বৈ বৈ বিনালে' ছবিখন হ'লগৈ প্ৰথমখন ছবি। ছবিখন মুক্তিৰ পূৰ্বে পুৱতিনিশা ৩: ৩০ বজাতে ছবিগৃহত উপস্থিত হ'ল দৰ্শক।

# পাঁচ হাজাৰো অধিক ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য পৰীক্ষাত অংশগ্ৰহণ দুলীয়াজানত মুখ্যমন্ত্ৰী শুশ্ৰূষা সেঁতু চিকিৎসা শিবিৰ অনুষ্ঠিত সম্পন্ন

**অসম বাৰ্তা, দুলীয়াজান, ৩০ অক্টোবৰ ঃ** ৰাজ্য চৰকাৰৰ শুশ্ৰূষা সেতুৰ অধীনত সমষ্টি ভিত্তিত মেগা স্বাস্থ্য শিবিৰ আজি দুলীয়াজানৰ বিহুতলিত অনুষ্ঠিত হৈ যায়। দুলীয়াজান সমষ্টিত ভিত্তিত আয়জিত এই স্বাস্থ্য শিবিৰৰ ফিতা কাটি আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে দুলীয়াজান সমষ্টিৰ বিধায়ক তেৰচ গোৱালাই। দুলীয়াজানবাসী ৰাইজৰ উপস্থিতিত সফলতাৰে অনুষ্ঠিত হোৱা এই মেগা স্বাস্থ্য শিবিৰত সমষ্টিটোৰ বিদ্যালয় আৰু অংগনবাদীৰ কেন্দ্ৰৰ পৰা অহা প্ৰায় ৫০০০ ৰো অধিক ১৮বছৰৰ তলৰ শিশু আৰু কিশোৰ-কিশোৰীক স্বাস্থ্যসেৱা প্ৰদান কৰাৰ লগতে ১০০ গৰাকী জটিল ৰোগৰ ৰোগী চিনাক্ত কৰণ কৰা হয়। জন্মগত হৃদৰোগ, স্নায়ুজনিত বিকাৰ, ওঁঠ আৰু তালু ফটা, ৰক্ত বিকাৰ আদি, যকৃত, বৃক্ক, বংশগত ৰোগ, হাওঁফাওঁ ইত্যাদি ৰোগৰ নিৰ্ণায়ক পৰীক্ষা সম্পন্ন কৰা হয় এই স্বাস্থ্য শিবিৰত। পৰৱৰ্তী পৰ্যায়ত ১৮ বছৰৰ তলৰ এই ৰোগী সকলক আৰোগ্য কৰিবলৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা সম্পূৰ্ণ বিনামূলীয়া চিকিৎসা সেৱা প্ৰদান কৰা হব। পুৱা ৯ বজাৰ পৰা অনুষ্ঠিত হোৱা এই স্বাস্থ্য শিবিৰ বিয়লিলৈ সামৰণি পৰে।

# শিঙিমাৰীত ৰাইজৰ ৰোষত গভাইত চোৰ

**অসম বাৰ্তা, ৰূপহীহাট, ৩০ অক্টোবৰ ঃ** ৰূপহীহাটৰ শিঙিমাৰীত আজি ৰাইজৰ ৰোষত পৰে এটা গভাইত চোৰ। য়োৱানিশা চোৰটোৱে পশ্চিম শিঙিমাৰীৰ নুৰ হুছেইন নামৰ লোকজনৰ ঘৰত নিশা আন্ধাৰৰ সুযোগ লৈ ঘৰৰ দৰ্জা কাটি সংঘটিত কৰিছিল চুৰি কাণ্ড। আজি শিঙিমাৰীত ৰাইজে বালিকাৰ মফিদুল ইছলাম নামৰ চোৰটোক আটক কৰি সুধ-পোছ কৰাত চোৰটোৱে চুৰিৰ কথা স্বীকাৰ কৰে। চোৰ মফিদুল ইছলামে নুৰ হুছেইনৰ ঘৰৰ পৰা এটা ম'বাইল ফোন চুৰি কৰি লাইলুৰিত ৩০০০ টকাত বিক্ৰী কৰাৰ কথাও স্বীকাৰ কৰে। য়াৰ বাবে ৰাইজে চোৰটোক উত্তম মাধ্যম সোধাই ৰূপহীহাট আৰক্ষীক খবৰ দিয়ে। ঘটনাস্থলীত ৰূপহীহাট আৰক্ষী উপস্থিত হৈ ৰাইজৰ ৰোষৰ পৰা চোৰটোক উদ্ধাৰ কৰি থানা লৈ লৈ যায়। ধৃত চোৰটোক ৰূপহীহাট আৰক্ষীয়ে অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে।

## অনাতাঁৰ শিল্পী চৈয়দ ছাদুল্লাৰ

চিকিৎসা মহাবিদ্যালয় হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। নাট্যকাৰ আৰু গিটাৰিষ্ট চৈয়দ ছাদুল্লাক অতি সংকটজনক অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছিল। তেওঁ দূৰদৰ্শন, নেচনেল জিয়গ্ৰাফিক চেনেল আৰু ডিচকভাৰী চেনেলসহ সৰ্বমুঠ ১০০ খনতকৈ অধিক ডকুমেণ্টৰীৰ ঘোষক আছিল। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ এসময়ৰ প্ৰতি দেওবাৰে সন্ধিয়া চাৰে সাতটা বজাত পোন্ধৰ মিনিটৰ বাবে প্ৰচাৰিত মনোৰঞ্জনধৰ্মী অনুষ্ঠান "বৰ্ণালী"ৰ অনুষ্ঠানৰ প্ৰয়োজক আছিল। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত যিদিনা বাতৰি প্ৰথম প্ৰচাৰ হৈছিল তাৰে প্ৰথমটো পাঁচ মিনিটৰ বাতৰি তেওঁ পৰিবেশন কৰাৰ সৌভাগ্য হৈছিল। শিৱসাগৰ জিলা সাহিত্য সভাই আগবঢ়োৱা জিকিৰ শিল্পী ৰেকিবুদ্দিন আহমেদ সোঁৱৰণী শিল্পী বঁটা ২০২৫ বৰ্ষৰ বাবে চৈয়দ ছাদুল্লাক প্ৰদান কৰিছিল। অৱসৰপ্ৰাপ্ত ষ্টাফ আৰ্টিষ্ট, অল ইণ্ডিয়া ৰেডিঅ', ডিব্ৰুগড়ৰ লগতে ১৯৭১-১৯৭৫ অল ইণ্ডিয়া ৰেডিঅ', ডিব্ৰুগড়ত ইংৰাজী আৰু অসমীয়া ভাষাৰ কেইজুৱেল ঘোষণা-কাৰী, আৰু ১৯৭৫-১৯৮৩ ষ্টাফ আৰ্টিষ্ট, অল ইণ্ডিয়া ৰেডিঅ', ডিব্ৰুগড়, ১৯৮৩-১৯৮৫- ষ্টাফ আৰ্টিষ্ট, অল ইণ্ডিয়া ৰেডিঅ', বোম্বে (বৰ্তমান মুম্বাই) ১৯৮৫- ২০০৮, ষ্টাফ আৰ্টিষ্ট, অল ইণ্ডিয়া ৰেডিঅ', ডিব্ৰুগড় অনুমোদিত: গীতিকাৰ (অসমীয়া) সংগীত পৰিচালক, গ্ৰেড-১গিটাৰবাদক, গ্ৰেড-১-নাটকীয় কণ্ঠ, গ্ৰেড-এ, নাট্যকাৰ আছিল। অল ইণ্ডিয়া ৰেডিঅ'ৰ বাবে প্ৰায় ১৮০ টাৰো অধিক গীত ৰচনা আৰু সংগীত পৰিচালনা কৰিছে। উষা মংগেশকৰ, ভূপিন্দৰ, অনুপ জলোটা আৰু পৰবীন চুলতানাৰ দৰে খ্যাতনামা শিল্পীৰ সৈতে গিটাৰ বাদনত আছিল। অল ইণ্ডিয়া ৰেডিঅ', ডিব্ৰুগড়ৰ বাবে ২০ খনতকৈও অধিক তথ্যচিত্ৰ লিখি আৰু প্ৰস্তুত কৰিছে। ১৯৭৫ চনৰ পৰা অল ইণ্ডিয়া ৰেডিঅ'ৰ বাবে নাটক আৰু ধাৰাবাহিক লিখি আৰু প্ৰস্তুত কৰিছে। অল ইণ্ডিয়া ৰেডিঅ'ৰ প্ৰতিষ্ঠিত আকাশবাণী বাৰ্ষিক বঁটা (১৯৭৪ চনত স্থাপন) —নাটক আৰু তথ্যচিত্ৰ লিখক-প্ৰযোজক হিচাপে ব্যক্তিগত বিভাগত। তথ্যচিত্ৰ "অলপ অশ্ৰু বিচাৰি" (বনৰ জীৱন) আৰু "দেৱতা" (শিশু শ্ৰম)ৰ বাবে প্ৰথম বঁটা। তথ্যচিত্ৰ "গান্ধীজী"ৰ বাবে বিশেষ বিভাগীয় বঁটা। নাটক "বিচাৰ"ৰ বাবে বিশেষ বঁটা। নাটক "উৰুৱা"ৰ বাবে দ্বিতীয় বঁটা। তথ্যচিত্ৰ "নৱ চেতনাৰ উন্মেষ"ৰ বাবে দ্বিতীয় বঁটা। প্ৰধানমন্ত্ৰী আই. কে. গুজৰালে অল ইণ্ডিয়া ৰেডিঅ', ডিব্ৰুগড়ক নিজৰ সংবাদ প্ৰচাৰ কৰাৰ অনুমতি দিয়াৰ পিছত, আকাশবাণীৰ প্ৰথম সংবাদ বুলেটিন পঢ়িছিল ১৯৯৭ চনৰ ১১ জুনৰ সন্ধিয়া ৬ বজাত পাঁচ মিনিটৰ বাতৰি। ইয়াৰ উপৰিও ১৯৭৬ চনত অল ইণ্ডিয়া ৰেডিঅ', ডিব্ৰুগড়ৰ প্ৰথম সাপ্তাহিক মনোৰঞ্জনমূলক অনুষ্ঠান "বৰ্ণালী" পৰিকল্পনা, ৰচনা, প্ৰযোজ আছিল, অনুষ্ঠানটো আছিল অতি জনপ্ৰিয় আৰু ৰাইজে ৰেডিঅ'ক আপোন কৰি লৈছিল। আকাশবাণীৰ নতুন বৰ্ষৰ বাবে শুভেচ্ছামূলক বাণীবোৰ তেখেতে সাক্ষাৎকাৰ লৈছিল লতা মংগেশকাৰ,জনী লিভাৰ, আশা ভোঁচলে, আদিৰ দৰে বিখ্যাত বিখ্যাত অভিনেতা, গায়কৰ। জীৱন কালত অনেক বঁটা- সন্মান-সম্বৰ্ধনা আদি লাভ কৰে। ইয়াৰ ভিতৰত ডিব্ৰুগড় সাহিত্য সভা, চৰাইদেউ মহোৎসৱ, যোৰহাট থিয়েটাৰ, কণ্ঠ শিৰোমণি বঁটা, অসমীয়া চৈয়দ কলা, সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থা, শিল্পী দিৱস সন্মান, ডিব্ৰুগড চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ সন্মান আদি আছিল অন্যতম। গুৱাহাটী চিকিৎসা বিশ্ববিদ্যালয়ত ইতিমধ্যে তেখেতে চকুহাল দান দি থৈ গৈছে। তেওঁৰ মৃত্যুত ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি জ্যোতি বৰগোহাই, সম্পাদক ৰাতুল বুঢ়াগোহাঁই, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, ডিব্ৰুগড়ৰ চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজৰহে সভাপতি চেহিৰ আহমেদ, সম্পাদক এম হাছিম আলী, সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ সভাপতি ৰহিমুল হুছেইন, সম্পাদক ইয়াকুব আলি, ডিব্ৰুগড় জাতীয় ঐক্য পৰিষদ, নালিয়াপুল মছজিদ কমিটি, ডিব্ৰুগড় ঈদগাহ কমিটি আদিয়ে শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। তেওঁৰ মৃতদেহ গুৱাহাটীৰ পৰা ডিব্ৰুগড়ৰ নালিয়াপুলত থকা নিজা বাসগৃহলৈ আজি নিশালৈ লৈ বুলি জনায় আৰু কাইলৈ নালিয়াপুল কবৰ স্থানত জানাজা সম্পন্ন কৰিব বুলি জনা গৈছে।

## ৮ নৱেম্বৰত কেন্দ্ৰীয়

অনুষ্ঠিত হ'বলগীয়া এই কাৰ্যসূচীৰ জৰিয়তে অসমত এক আধুনিক আৰু বিশ্বমানৰ শিক্ষা কেন্দ্ৰৰ সূচনা হ'ব বুলি আশা কৰা হৈছে। বিশ্ববিদ্যালয়খনত পৰম্পৰাগত বিষয়সমূহৰ লগতে কৃত্ৰিম বুদ্ধিমত্তা (এআই), ৰবটিক চাইন্স, থ্ৰি-ডি প্ৰিণ্টিংকে ধৰি অত্যাধুনিক প্ৰযুক্তিগত বিষয়সমূহো অন্তৰ্ভুক্ত কৰা হ'ব। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কৰ্মস্থলী হিচাপে পৰিচিত এই ঠাইত স্থাপিত হ'বলগীয়া এই শিক্ষানুষ্ঠানে অসমৰ শিক্ষা জগতত এক নতুন দিগন্ত মুকলি কৰিব বুলি বিশ্বাস কৰা হৈছে। জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই শুকুৰবাৰে নিৰ্মাণস্থলী পৰিদৰ্শন কৰি কামৰ অগ্ৰগতিৰ বিষয়ে খাৰ্য্যকৰীসকলৰ পৰা বুজ লয়। একে সময়তে চাহ জনগোষ্ঠীয় সংগঠনৰ প্ৰতিনিধিৰ সৈতে মত বিনিময় কৰি স্থানীয় সমাজৰ সহযোগিতা আৰু প্ৰত্যাশাৰ বিষয়ে আলোচনা কৰে। মন্ত্ৰীগৰাকীয়ে জনোৱা অনুসৰি, এই বিশ্ববিদ্যালয় দেশৰ ভিতৰতে আগশাৰীৰ আধুনিক শিক্ষানুষ্ঠান হিচাপে পৰিগণিত হ'ব। আনহাতে, অনুষ্ঠানত উপস্থিত থকা জনপ্ৰিয় সংগীতশিল্পী তথা অভিনেতা জুবিন গাৰ্গে অসমৰ পৰা উঠি অহা প্ৰতিভাৰ বাবে এনে এক শিক্ষানুষ্ঠানৰ গুৰুত্বৰ কথা উল্লেখ কৰে। তেওঁ লগতে নিজৰ অন্তিম চলচ্চিত্ৰ 'ৰৈ ৰৈ বিনালে'ক লৈ উৎসাহ প্ৰকাশ কৰি কয়, "অসমৰ পৰা উঠি অহা প্ৰতিভাৰ বাবে এনে বিশ্ববিদ্যালয় অতি প্ৰয়োজনীয়। আৰু 'ৰৈ ৰৈ বিনালে' অসমৰ সকলো ৰাইজে চাবলৈ আহক। মই নিজেও চাম।" বিশ্ববিদ্যালয়ৰ নিৰ্মাণ কাৰ্য্য দ্ৰুতগতিত আগবাঢ়িছে আৰু ই অসমৰ যুৱ প্ৰজন্মৰ বাবে এক নতুন সপোনৰ দুৱাৰ মুকলি কৰিব বুলি আশাবাদী স্থানীয় ৰাইজ।

## অগপই বুকিং কৰিলে

গ'ল্ড ছবিগৃহৰ সন্মুখত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে অসমীয়া যুৱ মঞ্চই। প্ৰিয় শিল্পীৰ প্ৰতিমূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পিছত তেওঁলোকে জুবিনৰ প'ষ্টাৰত গাখীৰ ঢালি দুগ্ধস্নান দিয়ে। ইয়াৰ পিছতে আঁঠুকাঢ়ি সেৱা জনাই সকলোৰে একেলগে গাই উঠে জুবিনৰ জনপ্ৰিয় গীত 'মায়াবিনী ৰাতিৰ বুকুত'। এই বিশেষ কাৰ্যসূচীত স্থানীয় ৰাইজেও সহযোগিতা আগবঢ়ায়। অনুষ্ঠানৰ অন্তত অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় নেতা আকাশ শইকীয়াই সংবাদ মাধ্যমৰ আগত কয়, "প্ৰথমে সন্মানীয় মুখ্যমন্ত্ৰীগৰাকীক ধন্যবাদ জনাইছোঁ। 'ৰৈ ৰৈ বিনালে' ছবিখনক কৰমুক্ত কৰাৰ সিদ্ধান্তৰ বাবে তেওঁক আমি কৃতজ্ঞ। একে সময়তে মুখ্যমন্ত্ৰীৰ প্ৰতি আমাৰ আহ্বান— অসমৰ দৰিদ্ৰ লোকসকলে যাতে এই ছবি উপভোগ কৰিব পাৰে, তাৰ বাবে পাঁচ লাখ টিকট বিনামূলীয়াকৈ যোগান ধৰক। আজি আমি প'ষ্টাৰত গাখীৰ ঢালিছোঁ, কিন্তু সঁচাকৈয়ে জুবিনদাৰ গাত ঢালিব পাৰিলেহেঁতেন তেন্তে অধিক সন্তোষ পালোহেঁতেন। ঘটনাত জড়িত কালপ্ৰীতসকলক শাস্তি দিয়ক আৰু জুবিনদাই ন্যায় লাভ কৰক।" ইফালে, ছবিখনৰ ট্ৰেইলাৰ মুক্তিৰ পিছৰে পৰা দৰ্শকৰ মাজত উৎসাহৰ অন্ত নাই। নাৰেংগীৰ গ'ল্ড ছবিগৃহত টিকট মুকলি হোৱাৰ দিনৰে পৰা হাজাৰ হাজাৰ দৰ্শকে অনলাইন আৰু অফলাইন দুয়োটা মাধ্যমেৰে টিকট সংগ্ৰহ কৰি আহিছে। ছবিগৃহৰ স্বত্বাধিকাৰী ললিত দাস আৰু গণেশ দাসে জানিবলৈ দিয়ে যে আগন্তুক ২০ দিনলৈকে এই ছবিগৃহত একোটা টিকটো পোৱা নাযাব। বহু দৰ্শক টিকট নোপোৱাত হতাশ হৈ উভতি যাবলগীয়া হৈছে। ছবিখনৰ শুভমুক্তিৰ দিনাই অসম গণ পৰিষদ (অগপ) দলে নাৰেংগীৰ গ'ল্ড ছবিগৃহৰ পুৱা ১০: ৩০ বজাৰ দৰ্শনী সম্পূৰ্ণৰূপে বুকিং কৰি লৈছে। এই দৰ্শনীত মন্ত্ৰী অতুল বৰা, মন্ত্ৰী কেশৱ মহন্ত, সাংসদ, বিধায়ককে ধৰি মুঠ ২১৮জন নেতা-কৰ্মীয়ে ছবিখন উপভোগ কৰিব। ছবিগৃহ কৰ্তৃপক্ষই সকলো দৰ্শকক শান্তিপূৰ্ণভাৱে ছবি উপভোগ কৰিবলৈ আহ্বান জনাইছে। 'ৰৈ ৰৈ বিনালে'ৰ মুক্তিয়ে অসমীয়া চলচ্চিত্ৰ জগতৰ এক শোকাবহ অধ্যায়ৰ অন্ত পেলোৱাৰ লগতে জুবিন গাৰ্গৰ স্মৃতিৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।

## ইতিহাস ৰচি আজি ছবিগৃহলৈ

চাই আছে। চলচ্চিত্ৰখনে অসমীয়া সংস্কৃতি, প্ৰকৃতি আৰু মানৱীয় সম্পৰ্কৰ গভীৰ ছাঁ পেলোৱাৰ লগতে জুবিনৰ সংগীত প্ৰতিভাৰো এক সুন্দৰ মিশ্ৰণ হ'ব বুলি আশা কৰা হৈছে। চলচ্চিত্ৰখনৰ মুক্তিৰ দিনাৰ প্ৰথম দৰ্শনী বা 'ফাৰ্ষ্ট ডে ফাৰ্ষ্ট শ্ব' অনুষ্ঠিত হ'ব বেলতলাত। পুৱা ৪: ২৫ বজাৰ পৰাই এই প্ৰদৰ্শন আৰম্ভ হ'ব। ইফালে দ্বিতীয়তে লখিমপুৰ জিলাত। লখিমপুৰৰ প্ৰসিদ্ধ নক্ষত্ৰ চিনেমা হলত এই ঐতিহাসিক প্ৰদৰ্শনী অনুষ্ঠিত হ'ব। বিশেষকৈ, পুৱা ৪: ৩৫ বজাৰ পৰাই এই বহুপ্ৰতীক্ষিত চলচ্চিত্ৰখনৰ প্ৰদৰ্শন আৰম্ভ হ'ব, যি দৰ্শকসকলৰ উৎসাহৰ এক জ্বলন্ত উদাহৰণ। উল্লেখ্য যে, লখিমপুৰৰ এই চিনেমা হলটোত 'ফাৰ্ষ্ট ডে ফাৰ্ষ্ট শ্ব'ৰ অগ্ৰিম বুকিং ইতিমধ্যে সম্পূৰ্ণৰূপে শেষ হৈছে। টিকটৰ বাবে দৰ্শকসকলৰ মাজত দেখা গৈছে অভূতপূৰ্ব উৎসাহ, যিয়ে চলচ্চিত্ৰখনৰ জনপ্ৰিয়তাৰ পৰিচয় দিছে। জুবিন গাৰ্গৰ ভক্তসকলে এই চলচ্চিত্ৰক কেৱল এখন ছবি হিচাপে নহয়, তেওঁৰ সৃষ্টিশীলতাৰ এক স্মৃতিচিহ্ন হিচাপে গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। চলচ্চিত্ৰখনৰ মুক্তিৰ লগে লগে অসমীয়া চলচ্চিত্ৰ জগতত এক নতুন অধ্যায়ৰ সূচনা হ'ব বুলি বিশ্বাস কৰা হৈছে। দৰ্শকসকলে হললৈ গৈ এই অনন্য অভিজ্ঞতা লাভ কৰিবলৈ আমন্ত্ৰিত।

## ৯ ফুট উচ্চতাৰ জীয়া

নিৰ্মাণ সমিতি। বৃহস্পতিবাৰে পুৱা জুবিন গাৰ্গৰ সহধৰ্মিণী গৰিমা শইকীয়া গাৰ্গৰ নেতৃত্বত ১১ সদস্যবিশিষ্ট নিৰ্মাণ সমিতিয়ে জুবিনক্ষেত্ৰৰ প্ৰস্তাৱিত স্থান পৰিদৰ্শন কৰে আৰু পৰিসৰ বৃদ্ধিৰ সম্ভাৱনীয়তা পৰ্যবেক্ষণ কৰে। পৰিদৰ্শনত গৰিমা গাৰ্গৰ লগতে উপস্থিত থাকে তেওঁৰ ভগ্নী পামী বৰঠাকুৰ, সংগীতজ্ঞ পাৰ্থসাৰথি মহন্ত, বীৰেন সিংহ, প্ৰাঞ্জল শইকীয়া আৰু গায়িকা তৰালী শৰ্মা। স্থানীয় ৰাইজৰ উপস্থিতিত অনুষ্ঠিত এই পৰিদৰ্শনত মাটিৰ পৰিমাণ, অৱস্থান আৰু পৰিকল্পনাৰ বাস্তৱায়নযোগ্যতাৰ ওপৰত বিস্তৃত আলোচনা হয়। গৰিমা শইকীয়া গাৰ্গে পৰিদৰ্শনৰ পিছত সাংবাদিকসকলৰ আগত কয়, "তেওঁলোকে ইয়াত কিমানখিনি মাটি আছে, সেয়া দেখুৱাই দিছে। আমাৰ ইচ্ছা জুবিনক্ষেত্ৰক কেৱল এখন সমাধিক্ষেত্ৰ হিচাপে নহয়, এটা সম্পূৰ্ণ 'এ'পেৰিয়েন্স চেণ্টাৰ' হিচাপে গঢ়ি তোলা। য'ত জুবিনৰ স্মৃতিৰ মিউজিয়াম থাকিব, দৰ্শকে আহি চাকি-বন্তি জ্বলাই থাকিব পাৰিব আৰু জুবিনৰ সত্তাৰ সৈতে নিজকে সংযোগ কৰিব পৰাকৈ এটা আধ্যাত্মিক পৰিৱেশ সৃষ্টি হ'ব। প্ৰাকৃতিক উপাদানেৰে সমৃদ্ধ প্ৰযুক্তিগতভাৱে উৎকৃষ্ট মানদণ্ডৰ স্মৃতিচিহ্নসমূহ স্থাপন কৰাৰ পৰিকল্পনা আছে। আমি কলাক্ষেত্ৰত ইতিমধ্যে প্ৰেজেণ্টেশ্যন দিছো। স্থানীয় ৰাইজৰ উপস্থিতিত মাটিৰ পৰিমাণ চালোঁ। অলপ পৰিসৰ বেছি হ'লে ভাল হয়। স্থানীয় ৰাইজে ৩০ৰ পৰা ৪০ বিঘা মাটি দিব পাৰিব বুলি কৈছে। তেওঁলোকে বিচাৰে যে ইয়াত কোনো ৰিজ'ৰ্ট বা বাণিজ্যিক নিৰ্মাণ নহয়, কেৱল এটা সাংস্কৃতিক আৰু প্ৰাকৃতিক অভিজ্ঞতা কেন্দ্ৰ হওক। আমি মাথোঁ প্ৰাৰম্ভিক পৰিকল্পনা কৰিছো, সম্পূৰ্ণ পৰিকল্পনা এতিয়াও হোৱা নাই। ''গৰিমাই লগতে জনায়, "স্থানীয় ৰাইজে কাষৰে এটা ৩০ ফুট বহল ৰাস্তা আৰু ডেৰ বিঘা মাটি বিচাৰিছে। আমি তেওঁলোকক দুবিঘা মাটি দিম। জুবিনৰ স্মৃতিত স্থানীয় জনজাতীয় লোকে এটা জীয়া শিলৰ মনোলিথ স্থাপনৰ প্ৰস্তাৱ দিছে। এতিয়ালৈকে ৯ ফুটমান দীঘল এটা জীয়া শিল পোৱা গৈছে। জুবিনে নিজে এই মনোলিথত ১১ বছৰ পূৰ্বে ফটোশ্বুট কৰি গৈছিল। জুবিন গোটেই অসমৰ বাবে আছিল, সেয়েহে এই মনোলিথ স্থাপন আমাৰ সকলোৰে বাবে গৌৰৱৰ কথা। ''নিৰ্মাণ সমিতিৰ এই পদক্ষেপে জুবিন গাৰ্গৰ স্মৃতিক জীয়াই ৰখাৰ লগতে অসমৰ সাংস্কৃতিক ঐতিহ্যক সমৃদ্ধ কৰাৰ এক নতুন দিশ উন্মোচন কৰিছে বুলি মন্তব্য কৰিছে উপস্থিত সকলোৱে। প্ৰাকৃতিক সৌন্দৰ্য আৰু আধুনিক প্ৰযুক্তিৰ সমন্বয়েৰে গঢ় লোৱা এই কেন্দ্ৰই ভৱিষ্যতে অনুৰাগীসকলৰ বাবে এক তীৰ্থস্থান হৈ উঠিব বুলি আশা কৰা হৈছে।

## ডিগবৈ গোলাই অইল

হঠাতে জুই লগাত এক ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হয়। ডিগবৈ তেল শোধনাগাৰৰ উৎপাদিত সমস্ত তেল মজুত ৰখা উক্ত টাৰ্মিনেলটোৰ প্ৰৱেশদ্বাৰতে ৰখাই থোৱাৰ অৱস্থাত ৰহস্যজনকভাৱে জুই লাগি নিমিষতে টেংকাৰখন জুয়ে আগুৰি ধৰে। ৩৮ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে দিনদুপৰতে সংঘটিত হোৱা উক্ত ভয়ানক অগ্নিকাণ্ডৰ ফলত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ বাসিন্দাসকল আতংকিত হৈ পৰে। তদুপৰি ৰাষ্ট্ৰীয় ঘাইপথটোত যান-বাহনৰ চলাচলো সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে। উল্লেখ্য যে, জ্বলি থকা টেংকাৰখনৰ কাষতে আন তিনিখন তেলভৰ্তি টেংকাৰ ৰৈ আছিল। অগ্নিকাণ্ড সংঘটিত হোৱা টেংকাৰখনত অতি দাহ্য খাৰুৱা তেল ইথান'ল আছিল। ফলত এক অতি ভয়ংকৰ ঘটনা সংঘটিত হোৱাৰ আশংকাত স্থানীয় ৰাইজ একপ্ৰকাৰ ভীতিগ্ৰস্ত হৈ পৰাৰ লগতে চিন্তিত হৈ পৰে। স্থানীয় ৰাইজে লগে লগে ডিগবৈ শোধনাগাৰৰ অগ্নিনিৰ্বাপক বাহিনীক ফোন কৰাৰ উপৰিও অগ্নিনিৰ্বাপক বাহিনীক অৱগত কৰে যদিও ঘটনা সংঘটিত হোৱাৰ বহু সময়ৰ পাছত শোধনাগাৰটোৰ নিজা অগ্নিনিৰ্বাপকৰ গাড়ী আহি টেংকাৰখনৰ জুই নিৰ্বাপন কৰে। গুৰুত্বপূৰ্ণ কথা এয়ে যে টেংকাৰখন সম্পূৰ্ণৰূপে জ্বলি গৈছিল যদিও সৌভাগ্যক্ৰমে বিস্ফোৰিত নহ'ল। উল্লেখ্য যে, উক্ত টেংকাৰখনৰ কাষতে এখন ইথান'ল ভৰ্তি টেংকাৰতো সামান্য পৰিমাণে জুই লাগিবলৈ ধৰিছিল, যিখন টেংকাৰত পেট্ৰল আৰু ডিজেল আছিল। জুই লগাৰ কাৰণ এতিয়াও স্পষ্ট হোৱা নাই যদিও চৰ্ট চাৰ্কিটৰ বাবে উক্ত অগ্নিকাণ্ড সংঘটিত হোৱাৰ ধাৰণা কৰা হৈছে। ঘটনাস্থলীত ডিগবৈস্থিত ভাৰতীয় সেনা বাহিনী, আই অ' চি হোমগাৰ্ড, চি আই এছ এফ বাহিনী, ডিগবৈ আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। অসম ৰাজ্যিক অগ্নি নিৰ্বাপক বাহিনীৰ ডিগবৈ আৰু মাৰ্ঘেৰিটা ইউনিটেও সহযোগিতা আগবঢ়ায়। ঘটনাস্থলীত ডিগবৈ তেল শোধনাগাৰৰ শীৰ্ষ বিষয়া উপস্থিত হৈ ঘটনাৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে।

## 'ৰৈ ৰৈ বিনালে'ৰ মুক্তিৰ

অনুৰাগীসকলক গভীৰভাৱে স্পৰ্শ কৰিছে। ছবিখনৰ মুক্তিৰ সময় ওচৰ চাপি অহাৰ লগে লগে দৰ্শকৰ মাজত উৎসাহ আৰু উৎকণ্ঠা ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। জুবিন গাৰ্গৰ অকাল মৃত্যুৰ পিছতো অতি কম সময়ৰ ভিতৰতে ছবিখনৰ সমগ্ৰ দলটোৱে দিনে-ৰাতিয়ে অক্লান্ত পৰিশ্ৰম কৰি তেওঁৰ সপোনক বাস্তৱ ৰূপ দিছে আৰু পূৰ্ব নিৰ্ধাৰিত তাৰিখ ৩১ অক্টোবৰতেই থিয়েটাৰত মুকলি কৰিবলৈ সাজু কৰিছে। জুবিন গাৰ্গৰ শেষ চলচ্চিত্ৰ হিচাপে পৰিচিত এইখন ছবিৰ মুক্তিয়ে সকলোকে আৱেগিক কৰি তুলিছে। প্ৰিয় স্বামীক হেৰুৱাই বাৰে বাৰে ভাঙি পৰা গৰিমা শইকীয়া গাৰ্গে তেওঁৰ সপোন পূৰণৰ দায়িত্ব নিজ কান্ধত তুলি লৈছে। সাধাৰণ অনুৰাগীয়ে এতিয়াও স্বীকাৰ কৰিব নোৱৰা এটা চিৰন্তন সত্যক কেনেকৈ গ্ৰহণ কৰে সেই ছাঁৰ দৰে সদায় লগ লাগি থকা পত্নীজনীয়ে? এই প্ৰশ্নই সকলোৰে মনত খলকনিৰ সৃষ্টি কৰিছে। কেইটামান মুহূৰ্তৰ পিছতে দৰ্শকে উপভোগ কৰিব পাৰিব জুবিন গাৰ্গৰ সপোনৰ এই চলচ্চিত্ৰখন। ইয়াৰ মাজতে গৰিমা শইকীয়া গাৰ্গে কিছু সময় পূৰ্বে সামাজিক মাধ্যমত লিখা প'ষ্টটোত তেওঁৰ গভীৰ বেদনা প্ৰকাশ পাইছে। প'ষ্টটোত গৰিমাই লিখিছে, "১৫ ছেপ্টেম্বৰ তাৰিখে তুমি লিখা আখৰকেইটা... মৰমভৰা এক আহ্বান তোমাৰ মৰমৰ ৰাইজলৈ! প্ৰতিটো কথাই বুকুখন খুন্দিয়াই যায় গ'ল্ডী! কিন্তু এই সকলোবোৰৰ মাজত শূন্য বুকুখনত দপদপাই জ্বলি আছে আন এসোপা প্ৰশ্ন— কি হৈছিল ১৯ ছেপ্টেম্বৰত? কেনেকৈ, কিয়? শান্তি ক'তো নাই জানো, কিন্তু এই উত্তৰ নোপোৱালৈকে উশাহো যেন নাই। ''উল্লেখ্য যে, 'ৰৈ ৰৈ বিনালে'ৰ মুক্তিৰ কেইঘণ্টামান পূৰ্বে আজি বিয়লি জুবিন গাৰ্গৰ অফিচিয়েল ছ'চিয়েল মিডিয়া হেণ্ডেলৰ পৰা প্ৰকাশিত এটা বিশেষ প'ষ্টই ৰাজ্যবাসীক আৱেগিক কৰি তুলিছে। প'ষ্টটোত অনুৰাগীসকলৰ উদ্দেশ্যে জুবিন গাৰ্গে লিখি থৈ যোৱা এখন চিঠি অন্তৰ্ভুক্ত আছিল, য'ত লিখা আছে: "Roi Roi Binale মোৰ নতুন cinema চাবলে আহিবা। মৰম। জুবিন দা'' গৰিমাৰ প'ষ্টৰ পৰা জানিব পৰা গৈছে যে, ছিংগাপুৰলৈ যোৱাৰ পূৰ্বে অৰ্থাৎ ১৫ ছেপ্টেম্বৰত জুবিন গাৰ্গে এই চিঠিখন লিখি থৈ গৈছিল। এই প'ষ্টে কেৱল অনুৰাগীসকলক আৱেগিক কৰাই নহয়, জুবিন গাৰ্গৰ মৃত্যুৰ সঠিক কাৰণ উদঘাটনৰ বাবে ন্যায়ৰ দাবীক পুনৰ জোৰদাৰ কৰিছে। ১৯ ছেপ্টেম্বৰত ঘটা ঘটনাৰ ৰহস্য উন্মোচন নোহোৱালৈকে গৰিমাৰ মনত শান্তি নাই বুলি তেওঁৰ প'ষ্টই স্পষ্ট কৰিছে। ছবিখনৰ মুক্তিয়ে জুবিনৰ স্মৃতি জীয়াই ৰখাৰ লগতে তেওঁৰ পৰিয়ালৰ বাবে এক সান্ত্বনা হ'ব বুলি আশা কৰিছে সকলোৱে।

## চৰাইদেউত বীৰ লাচিত

সেনা সংগঠনে ধনদাবী তথা ব্যৱসায়িক হাৰাশাস্তি প্ৰদান কৰাৰ কথা অৱগত হোৱাত মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত বীৰ লাচিত সেনা সংগঠনক নিষিদ্ধ কৰা হব পাৰে বুলি ঘোষণা কৰাৰ পাছতে চৰাইদেউত ছয়জন সদস্যক আৰক্ষীয়ে আটক কৰে। বীৰ লাচিত সেনা কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি উজ্জ্বল ৰাজখোৱা, জিলা সমিতিৰ টনজিৎ বৰুৱা, মাহমৰা আঞ্চলিক সমিতিৰ বিশ্বজিৎ বৰুৱা আৰু পবিত্ৰ কোঁৱৰ অন্যহাতে বিপিন বৰুৱা, ৰাজীৱ টিপমীয়া সোণাৰি আঞ্চলিক সমিতিৰ বুলি জানিব পৰা গৈছে। মুখ্যমন্ত্ৰীয়ে অৱগত কৰিছে যে লাচিত সেনাৰ এচাম সদস্যই নামৰ পাছত "অসম" লিপিবদ্ধ কৰি ব্যৱসায়ী সকলৰ পৰা চান্দা তুলি যথেষ্ট অত্যাচাৰ কৰে বুলি মন্তব্য আগবঢ়াই আহিছে।

## ৭ বাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়াক

অপৰাজিত শতক আৰু অধিনায়ক হৰমনপ্ৰীত কৌৰৰ ৮৯ ৰানৰ জোৰদাৰ ইনিংছৰ সহায়ত মাত্ৰ ৫টা উইকেট হেৰুৱাই ৩৪১ ৰানৰ বিশাল লক্ষ্য সফলতাৰে অতিক্ৰম কৰি এই ঐতিহাসিক জয় নিশ্চিত কৰে টীম ইণ্ডিয়াই। পোনতে বেটিং বাছি লোৱা অষ্ট্ৰেলিয়াই নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ৩৩৮ ৰানৰ পাহাৰ গঢ়ি তুলিছিল। কিন্তু ভাৰতীয় বেটাৰসকলে অসাধাৰণ দৃঢ়তা প্ৰদৰ্শন কৰি এই অভাৱনীয় লক্ষ্যক মাত্ৰ ১৯.৫ অভাৰতে স্পৰ্শ কৰে। জেমিমাৰ অপৰাজিত ১০৮ ৰানৰ ইনিংছটোৱে ভাৰতৰ জয়ৰ মূল চাবিকাঠি হৈ পৰে, আনহাতে হৰমনপ্ৰীতৰ ৮৯ ৰানে দলক শক্তিশালী ভিত্তি প্ৰদান কৰে। এই জয়ে ভাৰতক প্ৰথমবাৰৰ বাবে মহিলা টি-২০ বিশ্বকাপৰ ফাইনেলত উন্নীত কৰিলে। ফাইনেলত ভাৰতৰ প্ৰতিদ্বন্দ্বী হ'ব নিউজিলেণ্ড বা দক্ষিণ আফ্ৰিকাৰ মাজৰ বিজয়ী দল। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে এই অভূতপূৰ্ব প্ৰদৰ্শনে ভাৰতীয় মহিলা ক্ৰিকেটৰ নতুন যুগৰ সূচনা কৰিলে বুলি মন্তব্য কৰিছে খেল প্ৰেমীসকলে।

## অনুসূচিত জাতিৰ জাতিগত

প্ৰভাৱশালী নেত্ৰী তথা ৰাজ্যিক অনুসূচিত জাতি মৰ্চাৰ সভানেত্ৰী মুন স্বৰ্ণকাৰক অনুসূচিত জাতিৰ সদস্য নহয় বুলি আনুষ্ঠানিকভাৱে ঘোষণা কৰিছে। চিআইডিৰ তদন্ত প্ৰতিবেদনৰ ভিত্তিত লোৱা এই সিদ্ধান্তই ৰাজনৈতিক মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। শিৱসাগৰ জিলাৰ দেহাজানৰ বাসিন্দা আৰু গুৱাহাটীৰ জয়ানগৰত বসবাস কৰা মুন স্বৰ্ণকাৰে ভুৱা অনুসূচিত জাতি প্ৰমাণপত্ৰ ব্যৱহাৰ কৰি দলীয় পদবী লাভ কৰাৰ অভিযোগ উত্থাপিত হৈছিল। অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদ, অসমে এই সন্দৰ্ভত দাখিল কৰা অভিযোগৰ ভিত্তিতে সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগে পৰীক্ষণ আৰম্ভ কৰিছিল। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা অনুসৰি গঠিত ৰাজ্যিক পুনৰীক্ষণ সমিতিয়ে এই গোচৰৰ তদন্ত কৰি সিদ্ধান্তত উপনীত হয়। ১৮ ছেপ্টেম্বৰত দিছপুৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ কাৰ্যালয়ত অনুষ্ঠিত গুৰুত্বপূৰ্ণ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। সমিতিৰ অধ্যক্ষ তথা অসম চৰকাৰৰ বিশেষ সচিব কে জে হিলালী, সদস্য এ চি এছ কুলশ্ৰী নাথ, আই পি এছ সুধাকৰ সিংহ আৰু গণেশ চন্দ্ৰ কাকতিৰ উপস্থিতিত এই বৈঠক অনুষ্ঠিত হয়। পূৰ্বৰ ৭ জুলাইৰ বৈঠকত লোৱা সিদ্ধান্ত অনুসৰি মুন স্বৰ্ণকাৰক শুনানিত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়া হৈছিল যদিও তেওঁ উপস্থিত নাথাকিল। সমিতিয়ে জনোৱা অনুসৰি, মুন স্বৰ্ণকাৰে দাখিল কৰা নথি-পত্ৰসমূহ পৰ্যালোচনা কৰা হৈছে কিন্তু তাৰ দ্বাৰা তেওঁৰ অনুসূচিত জাতিৰ সদস্যত্ব প্ৰমাণ কৰিব পৰা নগ'ল। চিআইডিৰ অনুসন্ধান প্ৰতিবেদনৰ সৈতে একমত প্ৰকাশ কৰি সমিতিয়ে মুন স্বৰ্ণকাৰৰ জাতিগত প্ৰমাণপত্ৰ বাতিল কৰিবলৈ সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগক পৰামৰ্শ দিছে। অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ সভাপতি সঞ্জীৱ দাস আৰু উপদেষ্টা পবিত্ৰ হাজৰিকাই এই সিদ্ধান্তক স্বাগতম জনাই কয়, "মুন স্বৰ্ণকাৰে ডাঙৰ ডাঙৰ নেতাৰ সৈতে ফটো প্ৰচাৰ কৰি প্ৰভাৱ বিস্তাৰ কৰিছিল। ভুৱা প্ৰমাণপত্ৰৰ জৰিয়তে বিজেপিৰ অনুসূচিত জাতি মৰ্চাৰ সভানেত্ৰী আৰু পিছলৈ ৰাজ্যিক উপ-সভানেত্ৰী পদ দখল কৰিছিল। এতিয়া উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা অনুসৰি তেওঁক শীঘ্ৰে গ্ৰেপ্তাৰ কৰা উচিত।" সংগঠনটোৱে লগতে অভিযোগ উত্থাপন কৰে যে, অসমত একাংশ অনা-অনুসূচিত জাতিৰ লোকে ভুৱা প্ৰমাণপত্ৰ উলিয়াই চাকৰি, শিক্ষা আৰু ৰাজনৈতিক পদবী লাভ কৰি প্ৰকৃত অনুসূচিত জাতিৰ লোকসকলক বঞ্চিত কৰি আহিছে। কলেজৰ প্ৰৱক্তা, চিকিৎসক, আমোলা, কৰ্মচাৰী আৰু আনকি প্ৰাক্তন বিধায়কসকলৰ নামো এই তালিকাত অন্তৰ্ভুক্ত।" দেশৰ সংবিধানে অনুসূচিত জাতিৰ লোকসকলক সংৰক্ষণৰ সুবিধা প্ৰদান কৰিছে। কিন্তু ভুৱা প্ৰমাণপত্ৰৰ জৰিয়তে এই সুবিধা লুণ্ঠন কৰা লোকসকলক চাকৰিৰ পৰা বৰ্খাস্ত আৰু গ্ৰেপ্তাৰ কৰা উচিত, "বুলি সঞ্জীৱ দাসে মন্তব্য কৰে। প্ৰয়োজন হ'লে পুনৰ উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হোৱাৰো সিদ্ধান্ত লোৱা হৈছে বুলি সংগঠনটোৱে জনায়। এই ঘটনাই ৰাজ্যত অনুসূচিত জাতিৰ প্ৰমাণপত্ৰৰ অপব্যৱহাৰৰ গুৰুতৰ সমস্যাৰ পৰিচয় দিছে। ৰাজনৈতিক দলসমূহকো এই বিষয়ত সজাগ হ'বলৈ আহ্বান জনোৱা হৈছে।

## বিজেপিৰ চাৰি নেতাৰ

ফটো সামাজিক মাধ্যমত ভাইৰেল কৰি পৰিয়ালক অনাহক বিতৰ্কৰ মাজলৈ টানি অনাৰ অভিযোগ উত্থাপন কৰিছে তেওঁ। অভিযুক্ত চাৰি নেতা হৈছে— ৰিদীপ কুমাৰ ডেকা, গ্যেলাৰী শৰ্মা, হেমন্ত সুত বৰুৱা আৰু আন এগৰাকী বিজেপি নেতা। শিল্পীগৰাকীৰ অভিযোগ মতে, এওঁলোকে ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিতভাৱে তেওঁৰ পৰিয়ালৰ সৈতে এগৰাকী ৰাজনৈতিক নেতাৰ দুপৰীয়াৰ আহাৰ গ্ৰহণৰ ফটো প্ৰচাৰ কৰি মানহানিকৰ অপপ্ৰচাৰ চলাইছে। মানস ৰবীনে এজাহাৰত উল্লেখ কৰিছে যে, এই ফটোসমূহ ব্যক্তিগত আৰু পৰিয়ালীয় অনুষ্ঠানৰ হোৱা সত্ত্বেও সামাজিক মাধ্যমত ভাইৰেল কৰি তেওঁৰ সুনাম ক্ষুণ্ণ কৰা হৈছে। "মোৰ পৰিয়ালক ৰাজনৈতিক স্বাৰ্থত ব্যৱহাৰ কৰি অপ্ৰয়োজনীয় বিতৰ্কৰ সৃষ্টি কৰা হৈছে। এয়া সম্পূৰ্ণৰূপে মানহানিকৰ আৰু আইনী ব্যৱস্থা গ্ৰহণৰ যোগ্য", বুলি শিল্পীগৰাকীয়ে মন্তব্য কৰে। দিছপুৰ আৰক্ষী থানাই এই অভিযোগ গ্ৰহণ কৰি গোচৰ ৰুজু কৰিছে আৰু তদন্ত আৰম্ভ কৰিছে। ঘটনাটোৱে ৰাজনৈতিক আৰু সাংস্কৃতিক মহলত তীব্ৰ চৰ্চাৰ সৃষ্টি কৰিছে। শিল্পীসকলে ব্যক্তিগত জীৱনৰ গোপনীয়তা ৰক্ষাৰ অধিকাৰ থকা বুলি অনেকে মত প্ৰকাশ কৰিছে। এই ঘটনাই সামাজিক মাধ্যমৰ অপব্যৱহাৰ আৰু ৰাজনৈতিক প্ৰতিহিংসাৰ এক নতুন উদাহৰণ হিচাপে দেখা দিছে। আৰক্ষীয়ে অভিযুক্তসকলক জেৰা কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে।

## কংগ্ৰেছৰ অসম-বিৰোধী

পুত্ৰ, কৰ্ণাটকৰ গ্ৰামোন্নয়ন আৰু আইটি-বিটি মন্ত্ৰী প্ৰিয়াংক খৰ্গেক তীব্ৰভাৱে সমালোচনা কৰিছে। অসমত ছেমিকণ্ডাক্টৰ উৎপাদন প্ৰকল্প স্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ২৭, ০০০ কোটি টকাৰ বিনিয়োগী উদ্যোগৰ বিৰোধিতা কৰি প্ৰিয়াংক খৰ্গেৰে অসমবাসীৰ যুৱক-যুৱতীৰ প্ৰতিভাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰি উপহাস কৰিছিল, যাতে কোৱা হৈছিল যে অসমত এনে প্ৰকল্পৰ প্ৰয়োজনীয়তা নাই কাৰণ ইয়াত দক্ষতাৰ অভাৱ। এই মন্তব্যে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পৰা 'ফাষ্ট-ক্লাছ ইডিয়ট' বুলি সম্বোধন লাভ কৰিছে। বৃহস্পতিবাৰত মাৰ্ঘেৰিটাই এই বিতৰ্কিত বিষয়ত প্ৰতিক্ৰিয়া জনাই কৈছে যে, কংগ্ৰেছৰ চৰিত্ৰ অসমৰ উন্নয়নবিৰোধী, আৰু খৰ্গে পৰিয়াল এই পাৰ্টীৰ পৰিয়ালতান্ত্ৰিক ৰাজনীতিৰ দ্বিতীয় উদাহৰণ। তেওঁ উল্লেখ কৰিছে যে, যেতিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰে অসমৰ সংগীতসূৰ্য ভূপেন হাজৰিকক 'ভাৰতৰত্ন' প্ৰদান কৰিছিল, তেতিয়া মল্লিকাৰ্জুন খৰ্গেৰে তেওঁৰ বিৰুদ্ধে অপমানজনক মন্তব্য কৰিছিল, যিটো অসমবাসীৰ মাজত এতিয়াও ব্যৰ্থাৰ কাৰণ। প্ৰিয়াংক খৰ্গেৰ অসম-অপমানে কংগ্ৰেছৰ মনোভাৱ প্ৰকাশ কৰে। মাৰ্ঘেৰিটাই কয় যে, "কংগ্ৰেছৰ মতে ছেমিকণ্ডা"ৰ অহাটো যুগুত নহয়, ইয়াতকৈ ডাঙৰ অপমান থাকিব পাৰে নেকি?" অসম কংগ্ৰেছৰ সভাপতি আৰু যোৰহাট জিলাৰ সাংসদ গৌৰৱ গগৈকো তেওঁ লক্ষ্য কৰি কৈছে যে, গগৈয়ে প্ৰিয়াংকৰ মন্তব্যক সমৰ্থন কৰা অসমটো অতি ধিক্কাৰজনক। "অসম মাতৃৰ প্ৰতি ভালপোৱাৰ বাবে কংগ্ৰেছে খৰ্গে পৰিয়ালক বিৰোধিতা কৰিব বুলি ভাবিছিলোঁ, কিন্তু গৌৰৱ গগৈয়ে এই অসম-অপমানক সমৰ্থন কৰিলে। অৰ্থাৎ, অসমত প্ৰতিভা নাই, সকলো বেলেগ ৰাজ্যত আছেগৈ?" তেওঁ কৈছে। মাৰ্ঘেৰিটাই অসমীয়া হিচাপে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমক শীৰ্ষ পাঁচখন ৰাজ্যৰ ভিতৰত গঢ়ি তোলাৰ পক্ষত, য'ত মোদী চৰকাৰৰ সহযোগত উদ্যোগসমূহ আনিছে। গগৈৰ ভূমিকাই তেওঁ লজ্জাজনক বুলি বৰ্ণনা কৰিছে, যিয়ে ৫ লাখ কোটি টকাৰ প্ৰকল্পক নেতিবাচক প্ৰভাৱিত কৰিব পাৰে। লগতে, শ্ৰীভূমি (কৰিমগঞ্জ) জিলাত কংগ্ৰেছৰ সভাত বাংলাদেশৰ জাতীয় সংগীত 'আমাৰ সোনাৰ বাংলা' পৰিৱেশন কৰা ঘটনাতো মাৰ্ঘেৰিটাই প্ৰতিক্ৰিয়া জনাইছে। মুখ্যমন্ত্ৰীৰ পুলিচ তদন্তৰ আদেশক সমৰ্থন কৰি তেওঁ কৈছে, "প্ৰতিখন ৰাষ্ট্ৰৰ জাতীয় সংগীতক শ্ৰদ্ধা কৰোঁ, কিন্তু কংগ্ৰেছ সভাত বাংলাদেশৰ সংগীত পৰিৱেশন বাংলাদেশৰ এজেণ্ডাৰ অংশ। ইয়াৰ ফলত গাঁৱে-ভূঞে কংগ্ৰেছ কৰ্মী লজ্জান্ত, আৰু গৌৰৱ গগৈয়ে উত্তৰ দিব পাৰেনে। বেছিদিন নাই যে তেওঁ পাকিস্তানৰ সংগীতো পৰিৱেশন কৰিব।" এই সমালোচনাই কংগ্ৰেছক অসমৰ বিৰুদ্ধে নেতিবাচক পৰিৱেশ গঢ়ি তোলাৰ অভিযোগ কৰিছে।

## দেশৰ নতুন মুখ্য ন্যায়াধীশ

২৩ নৱেম্বৰত অৱসৰ গ্ৰহণ কৰাৰ পাছত, ২৪ নৱেম্বৰৰ পৰা ন্যায়াধীশ সূৰ্য কান্তই উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ দায়িত্বভাৰ গ্ৰহণ কৰিব। মুখ্য ন্যায়াধীশ বিআৰ গাভায়ে অৱসৰৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰক ন্যায়াধীশ সূৰ্য কান্তক পৰৱৰ্তী মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তিৰ পৰামৰ্শ দিয়াৰ পাছতেই এই নিযুক্তিৰ প্ৰক্ৰিয়া সম্পন্ন হৈছে। নিযুক্তিৰ আদেশ অনুসৰি, তেওঁৰ কাৰ্যকাল ২০২৫ চনৰ ২৪ নৱেম্বৰৰ পৰা আৰম্ভ হৈ ২০২৭ চনৰ ৯ ফেব্ৰুৱাৰীলৈকে কাৰ্যকৰী হ'ব। অৰ্থাৎ, ন্যায়াধীশ সূৰ্য কান্তই এবছৰ আৰু তিনি মাহৰ বাবে দেশৰ সৰ্বোচ্চ ন্যায়িক পদত অধিষ্ঠিত থাকিব। উল্লেখযোগ্য যে, ২০১৯ চনৰ ২৪ মে'ত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে আত্মপ্ৰকাশ কৰা সূৰ্য কান্তই ইতিমধ্যে বহুতো গুৰুত্বপূৰ্ণ বিষয়ত যোৰদাৰ ভূমিকা পালন কৰিছে। তেওঁৰ নেতৃত্বত বহা এটা বিচাৰপীঠেই বিহাৰৰ খচৰা ভোটাৰ তালিকাৰ পৰা বাদ পৰা প্ৰায় ৬৫ লাখ ভোটাৰৰ তালিকা ৰাজহুৱা কৰিবলৈ নিৰ্বাচন আয়োগক নিৰ্দেশ দিয়ে। এই সিদ্ধান্তই নিৰ্বাচনী প্ৰক্ৰিয়াৰ স্বচ্ছতা আৰু জবাবদেহিতাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। ইয়াৰ উপৰি, ২০২২ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পঞ্জাৱ ভ্ৰমণৰ সময়ত হোৱা এক গুৰুতৰ নিৰাপত্তা ভংগৰ তদন্ত কৰিবলৈ গঠন কৰা সমিতিৰো তেওঁ এজন সদস্য আছিল। উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ ইন্দু মালহোত্ৰাৰ নেতৃত্বত গঠিত সেই পাঁচজনীয়া সমিতিৰে এই সূক্ষ্ম আৰু সংবেদনশীল তদন্ত কাৰ্য সম্পন্ন কৰিছিল। ন্যায়াধীশ সূৰ্য কান্তৰ এই নিযুক্তিয়ে উচ্চতম ন্যায়ালয়ৰ ন্যায়িক কাৰ্যকালত এক নতুন অধ্যায়ৰ সূচনা কৰিব বুলি আশা কৰা হৈছে। তেওঁৰ বিস্তৃত অভিজ্ঞতা আৰু স্পষ্টবাদী ন্যায়িক দৃষ্টিভংগীয়ে দেশৰ ন্যায়িক ব্যৱস্থাক সমৃদ্ধ কৰাৰ লগতে ৰাইজৰ প্ৰতি সেৱাৰ নতুন মাপদণ্ড স্থাপন কৰিব বুলি বিশ্বাস ৰাখিছে ন্যায়িক মহলসকলে।

## জুবিন গাৰ্গলৈ মৰণোত্তৰভাৱে

জ্ঞাপন কৰি অসম জাতীয় পৰিষদে (অজাপ) মৰণোত্তৰভাৱে তেওঁক ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান 'ভাৰতৰত্ন' প্ৰদানৰ আহ্বান জনাইছে। লগতে, জুবিনৰ ন্যায় প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱালৈকে অসম চৰকাৰে আয়োজন কৰা প'ষ্ট মেল'নৰ গুৱাহাটী কনচাৰ্ট স্থগিত ৰখাৰ দাবী উত্থাপন কৰিছে দলটোৱে। বৃহস্পতিবাৰে গুৱাহাটীত অনুষ্ঠিত এক সংবাদমেলত অজাপৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে এই দাবীসমূহ সবিস্তাৰে তুলি ধৰে। জুবিন গাৰ্গৰ জন্মদিন ১৮ নৱেম্বৰৰ প্ৰাকসন্ধ্যা অৰ্থাৎ ১৭ নৱেম্বৰৰ নিশা ৮ বজাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমবাসীক সম্বোধন কৰি জুবিনক মৰণোত্তৰ 'ভাৰতৰত্ন' প্ৰদানৰ ঘোষণা কৰক বুলি আহ্বান জনায় গগৈয়ে। তেওঁ কয়, "এয়া কেৱল দাবী নহয়, অসমীয়াৰ আবেগ আৰু স্বাভিমানৰ প্ৰতি সন্মান জনোৱাৰ আহ্বান। জুবিন গাৰ্গ কেৱল অসম বা উত্তৰ-পূৰ্বৰে নহয়, সমগ্ৰ ভাৰতৰ অনন্য সম্পদ আছিল। ৪০টা ভাষাত ৩৪ হাজাৰৰো অধিক গান গোৱা তেওঁৰ দৰে কণ্ঠশিল্পী ভাৰতত বিৰল। মানৱতা, ভালপোৱা আৰু সমন্বয়ৰ সেতু গঢ়ি তোলা তেওঁৰ গীতসমূহে দেশজুৰি একতাৰ বাৰ্তা কঢ়িয়াইছে।'' কেৱল প্ৰধানমন্ত্ৰীলৈ নহয়, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাকো এই ক্ষেত্ৰত জাতীয় দায়িত্ব পালন কৰিবলৈ আহ্বান জনায় অজাপে। গগৈয়ে উল্লেখ কৰে, "দিল্লী আৰু দিছপুৰত বিজেপি চৰকাৰ। মুখ্যমন্ত্ৰীৰ দিল্লীত ভাল দখল আছে। তেওঁ এই কামত নিশ্চয় সফল হ'ব।" যোৱা ২১ ছেপ্টেম্বৰতো দলটোৱে প্ৰধানমন্ত্ৰীক স্মাৰকপত্ৰ প্ৰদান কৰি এই দাবী উত্থাপন কৰিছিল। জুবিনে গান, কবিতা, সংগীত পৰিচালনা, চলচ্চিত্ৰ পৰিচালনা-প্ৰযোজনা আৰু সামাজিক সংস্কাৰৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানক 'ভাৰতৰত্ন'ৰ যোগ্য বুলি অভিহিত কৰে গগৈয়ে। অসমৰ পৰা ইতিপূৰ্বে গোপীনাথ বৰদলৈ আৰু ভূপেন হাজৰিকাক মৰণোত্তৰ এই সন্মান প্ৰদান কৰা হৈছিল। ইফালে, জুবিনৰ ন্যায় প্ৰক্ৰিয়া অসমাপ্ত থকাৰ মাজতে অহা ৮ ডিচেম্বৰত খানাপাৰাত অনুষ্ঠিত হ'বলগীয়া প'ষ্ট মেল'নৰ কনচাৰ্ট স্থগিত ৰখাৰ দাবী জনায় অজাপে। গগৈয়ে কয়, "ৰাজ্যত শোকৰ পৰিৱেশ বিৰাজ কৰি আছে। জুবিনৰ দেহাৱসানৰ পিছত ৰাজ্যবাসী তথা দেশ-বিদেশৰ অনুৰাগীসকল শোকসাগৰত ডুব গৈ আছে। ন্যায়ৰ বিষয়টো এতিয়াও অস্পষ্ট। চৰকাৰে জনসাধাৰণৰ দৃষ্টি অন্যফালে ঢালিবলৈ চেষ্টা কৰি আছে। এনে পৰিস্থিতিত মনোৰঞ্জনমূলক কাৰ্যসূচী অনুচিত আৰু জুবিনৰ প্ৰতি অপমানস্বৰূপ।" তেওঁ আৰু পৰামৰ্শ দিয়ে যে কনচাৰ্টত ব্যয় হ'বলগীয়া কেইবা শ কোটি টকাৰে গুৱাহাটীৰ মাজমজিয়াত জুবিন গাৰ্গৰ নামেৰে এখন আন্তৰ্জাতিক মানৰ সংগীত বিশ্ববিদ্যালয় স্থাপন কৰক চৰকাৰে। "তাত ছাউণ্ড ইঞ্জিনিয়াৰিং, লোকসংগীত-লোকবাদ্যৰ গৱেষণা আদিৰ ব্যৱস্থা থাকিলে অসমত শ শ প'ষ্ট মেল'নৰ দৰে প্ৰতিভাৰ জন্ম হ'ব।" এই বিশ্ববিদ্যালয়ে জুবিনৰ স্মৃতি চিৰস্থায়ী কৰি ৰাখিব বুলি মন্তব্য কৰে গগৈয়ে। সাম্প্ৰদায়িক বিভেদৰ সময়ত জুবিনৰ আদৰ্শই সমন্বয়ৰ প্ৰতীক হৈ থকাৰ কথা উল্লেখ কৰি অজাপে ২০২৫ চনৰ 'ভাৰতৰত্ন'ৰ বাবে তেওঁৰ নাম ঘোষণাৰ পুনৰ দাবী জনায়। দলটোৱে এই আহ্বানক অসমীয়াৰ হিয়াৰ আমঠুৰ প্ৰতি ন্যায় প্ৰদানৰ প্ৰশ্ন হিচাপে চিহ্নিত কৰে।

## অসমত ছেমিকণ্ডাক্টৰ স্থাপনক

আত্মসহায়ক গোটৰ সদস্যাৰ মাজত আৰ্থিক অনুদানৰ চেক বিতৰণ কৰে। দিনৰ ১১ বজাত শদিয়াত উপস্থিত হোৱা মুখ্যমন্ত্ৰীয়ে শদিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত মুঠ ২৭, ৫৭৩ গৰাকী হিতাধিকাৰীৰ মাজত চেক বিতৰণ কৰে। ইয়াৰে শদিয়া উন্নয়ন খণ্ডৰ ১২, ০০২ গৰাকী, ছৈখোৱা উন্নয়ন খণ্ডৰ ১৪, ৩৪১ গৰাকী আৰু নগৰাঞ্চলৰ ১, ২৩০ গৰাকী হিতাধিকাৰী। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমৰ ৪ লাখ আত্মসহায়ক গোটত ৪০ লাখ মহিলা জড়িত হৈ থকা বুলি উল্লেখ কৰাৰ লগতে আজিৰ তাৰিখত তেওঁলোকে বেংকৰ পৰা ২১, ০০০ কোটি টকা ঋণ লৈ সময়মতে ঘূৰাই দি আহিছে বুলি উল্লেখ কৰি অসমৰ ৯৯ শতাংশ মহিলাই ভাৰতবৰ্ষৰ ভিতৰতে সময়মতে ঋণ পৰিশোধ কৰাৰ খ্যাতি তথা কৃতিত্ব অৰ্জন কৰা বুলি কয়। মাত্ৰ ১ শতাংশ মহিলাহে কিবা অসুবিধাত পৰি ঋণ পৰিশোধ কৰিবলৈ অসমৰ্থ হোৱা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লগতে উল্লেখ কৰে যে চৰকাৰে মহিলাসকলক প্ৰদান কৰা প্ৰথম কিস্তিৰ এই ১০ হাজাৰ টকাটো সঠিক কামত ব্যৱহাৰ কৰিলে চৰকাৰে ইয়াৰ পিছত ২৫, ০০০ টকা প্ৰদান কৰিব। প্ৰথম কিস্তিৰ ১০ হাজাৰ টকাটো সঠিক কামত ব্যৱহাৰ নকৰাসকলে দ্বিতীয় কিস্তিৰ ২৫, ০০০ টকা পোৱাত বাধা আহিব বুলিও স্পষ্টকৈ উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে এই কথাও উল্লেখ কৰে যে জনজাতীয় মহিলাই ৪ তাতকৈ অধিক সন্তান আৰু সাধাৰণ জাতিৰ মহিলাই ৩ তাতকৈ অধিক সন্তান জন্ম দিলে লাখপতি বাইদেউ আঁচনি লাভৰ ক্ষেত্ৰত বাধা আহিব। সভাত মুখ্যমন্ত্ৰী ড° শৰ্মাই শদিয়া সমষ্টিত ৩০ হাজাৰ মহিলাক অৰুণোদয় আঁচনি প্ৰদান কৰা হৈছে বুলি কৈ আৰু তিনি হাজাৰ মহিলাক অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত কৰাৰ কথা ঘোষণা কৰে। পাছত সাংবাদিকৰে সৈতে হোৱা এক সাক্ষাৎকাৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, "আজি মই শদিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত প্ৰায় ২৮ হাজাৰ মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ প্ৰথম কিস্তিৰ চেক প্ৰদান কৰোঁ। এই চেক গ্ৰহণ কৰিবলৈ কিছুমান মহিলাই পুৱা ৬ বজাতেই আহিছে আৰু অমৰপুৰৰ নিচিনা পঞ্চায়তৰ পৰা কালি নিশাই মহিলাসকল আহিছে। ইয়ে ইয়াকে প্ৰমাণ কৰে যে এই আঁচনিখনক মহিলাসকলে কিমান আন্তৰিকতাৰে আদৰি লৈছে।" মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্যত ছেমি কণ্ডা"ৰ উদ্যোগক লৈ কৰ্ণাটকৰ মন্ত্ৰী প্ৰিয়াংক খাৰ্গেই কৰা মন্তব্যৰ বাবে তেওঁক ধন্যবাদ জ্ঞাপন কৰি কয়, "প্ৰিয়াংক খাৰ্গেৰ দেউতাক মল্লিকাৰ্জুন খাৰ্গেও এবাৰ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱক অপমান কৰি থৈছে। প্ৰিয়াংক খাৰ্গেৰ মতে ছেমি কণ্ডাক্টৰ উদ্যোগটো কৰ্ণাটকৰ দৰে এখন ডাঙৰ ৰাজ্যতহে হ'ব লাগে। মই মাননিয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াক কৈ ইয়াক অসমলৈ আনিলোঁ। মোদী ডাঙৰীয়াই এই উদ্যোগটো অসমক দিলে। আপোনালোক সকলোৱে জানি লওক যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ কাৰণে কিমান ডাঙৰ কাম এটা কৰি দিলে, যাৰ কাৰণে কৰ্ণাটকৰ দৰে ডাঙৰ ৰাজ্য এখনৰো এতিয়া ৰাতি টোপনি নহা হৈছে। অসমৰ মানুহে আনকি কোনোদিন ভবাই নাছিল যে অসমত ইমান ডাঙৰ উদ্যোগ এটা আহিব। কিন্তু এতিয়া কৰ্ণাটকৰ দৰে ৰাজ্যত খলকনি লাগিছে যে এইটো অসমত কেনেকৈ হ'ব। ইয়াৰ বাবে অসমৰ মানুহে মোক ধন্যবাদ এটাও দিয়া নাই, অথচ ইমান ডাঙৰ কাম এটা হ'ল। আপোনালোক সাংবাদিকসকলেহে মোক সুধি থাকে ছেমি কণ্ডা"ৰ বিষয়ে। আপোনালোকে ভাবি চাওক যে যোৱা পাঁচটা বছৰত আমি অসমৰ চেহেৰাটো কিমান সলনি কৰিবলৈ সক্ষম হ'লোঁ। এই গতিকে প্ৰিয়াংক খাৰ্গেক মই এক প্ৰকাৰ ধন্যবাদেই জনাব লাগিব যে তেওঁ নোকোৱা হ'লে অসমৰ মানুহে গমেই নাপালেহেঁতেন যে অসমত ইমান ডাঙৰ কাম এটা হ'ল।" আনহাতে, দীৰ্ঘদিনৰ পৰা ক্ষুদ্ৰ চাহ খেতিয়কসকলে বটলিফ ফেক্টৰীৰ পৰা উচিত মূল্য লাভ নকৰাৰ সন্দৰ্ভত টি ব'ৰ্ডক বটলিফ ফেক্টৰীৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা ল'বলৈও আহ্বান জনাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। আজিৰ এই অনুষ্ঠানত ডুমডুমা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগ(কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা)ৰ মন্ত্ৰী ৰূপেশ গোৱালা, লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা, শদিয়াৰ বিধায়ক তথা অসম গেছ কোম্পানীৰ অধ্যক্ষ বলীন চেতিয়া, ডিগবৈৰ বিধায়ক সুৰেণ ফুকন, তিনিচুকীয়াৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী সঞ্জয় কিষাণ, ৰাজ্যিক বিজেপিৰ উপ-সভাপতি পুলক গোহাঁই, তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পাল, মৰাণ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণ, সদস্য তথা বিধায়ক প্ৰতিনিধি সীমান্ত মৰাণ, দেউৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ভৈৰৱ দেউৰী, সদস্য যতীন দেউৰী, চপাখোৱা পৌৰসভাৰ সভাপতি বিচন্দ্ৰাৱতী সোণোৱাল, উপ-সভাপতি বিপিন গগৈ, প্ৰণাম আয়োগৰ অধ্যক্ষ যুগৱালা বুঢ়াগোহাঁই আদি উপস্থিত থাকে।

## নিৰ্মীয়মান শৌচাগাৰৰ টেংকিত

গৃহস্থ সহ দুজন লোকৰ মৃত্যু হোৱাত সমগ্ৰ বঢ়মপুৰ অঞ্চলত চাঞ্চল্যৰ সৃষ্টি হৈছে। আজি পুৱাৰ ভাগত সংঘটিত হয় এই ভয়ংকৰ আৰু অনাকাংক্ষিত ঘটনা। স্থানীয় সূত্ৰই জনোৱা মতে, বঢ়মপুৰ বৰটোপৰ মণ্টু বৰদলৈ নামৰ অসম আৰক্ষীৰ সহকাৰী পৰিদৰ্শক গৰাকীয়ে নিজৰ ঘৰত নিৰ্মাণ কৰি থকা শৌচাগাৰৰ টেংকি নিৰ্মাণ কৰি আছিল। আজি পুৱাৰ ভাগত ৰাজমিস্ত্ৰীয়ে কাম কৰি থকাৰ সময়তে এই অঘটন ঘটে। নিৰ্মীয়মান শৌচাগাৰৰ টেংকিৰ তক্তা খুলিবলৈ গৈ এজন ৰাজমিস্ত্ৰী শৌচাগাৰৰ টেংকিৰ ভিতৰত সোমাই পৰে। ফলত কিছু সময়ৰ পিছত উশাহ বন্ধ হৈ ৰাজমিস্ত্ৰী জনৰ মৃত্যু হয়। আন এজন মিস্ত্ৰীয়ে ৰাজমিস্ত্ৰী জনক বচাবলৈ গৈ কথমপি ৰক্ষা পৰে। মৃত্যু হোৱা ৰাজমিস্ত্ৰীজন হ'ল চলচলিৰ ভাইটি (৩৫)। এই ৰাজমিস্ত্ৰী জনক উদ্ধাৰ কৰিবলৈ গৈ গৃহস্থ মণ্টু বৰদলৈ (৪০) শৌচাগাৰৰ টেংকিত সোমাই পৰি কৰুণ মৃত্যুক আঁকোৱালি লয়। ঘটনাৰ খবৰ বিয়পি পৰাৰ লগে লগে বৰদলৈৰ ঘৰত বহু লোকে ভিৰ কৰাৰ লগতে শোকত ভাগি পৰে। পিছত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। এই ঘটনাই সমগ্ৰ বঢ়মপুৰ অঞ্চলত শোকৰ ছাঁ পেলোৱাৰ লগতে মৃত দুই পৰিয়ালৰ ঘৰত হাহাকাৰৰ সৃষ্টি হয়।

# মাজুলী জিলা পৰিষদৰ ছয় লাখ টকাৰ পুঁজিৰে নিৰ্মাণ হ'ব নামনি মাজুলীৰ বালিচাপৰি মিলিত কৃষ্টি সংঘৰ টয়লেট ছেট; নিৰ্মাণ কাৰ্য শুভাৰম্ভ

**অসম বাৰ্তা, উজনী মাজুলী, ৩০ অক্টোবৰ ঃ** মাজুলী জিলা পৰিষদৰ ২০২৪-২০২৫ বিত্তীয় বৰ্ষৰ অধীনত নামনি মাজুলীৰ বালিচাপৰি মিলিত কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহৰ প্ৰাঙ্গনত এটা নতুন টয়লেট ছেট নিৰ্মাণ কৰা হ'ব। আজি দুপৰীয়া উক্ত টয়লেট ছেটৰ নিৰ্মাণ কাৰ্য শুভাৰম্ভ কৰে নামনি মাজুলী জিলা পৰিষদৰ সদস্যা তথা মাজুলী জিলা পৰিষদৰ উপ-সভানেত্ৰী জুন্টি মিলি পায়েং আৰু মাজুলী জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সঞ্জীৱ বৰাই। এই উপলক্ষে আজি বালিচাপৰি মিলিত কৃষ্টি সংঘৰ প্ৰাঙ্গনত অনুষ্ঠিত হোৱা টয়লেট ছেটৰ শুভাৰম্ভ অনুষ্ঠানত মিলিত কৃষ্টি সংঘৰ সভাপতি প্ৰকাশ প্ৰসাদ, বিশিষ্ট সমাজকৰ্মী তথা মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক পুতুল চন্দ্ৰ মহন্ত, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক জয়ন্ত নেওগ, লীলা কান্ত ভট্টাচাৰ্য, জ্যেষ্ঠ নাগৰিক গুণাৰাম ভূঞা, মিলিত কৃষ্টি সংঘৰ কাৰ্যকৰী সদস্যসকল, ভাৰতীয় জনতা পাৰ্টিৰ নামনি মণ্ডলৰ বিভিন্ন বিষয় ববীয়াসকল উপস্থিত থাকে। মিলিত কৃষ্টি সংঘৰ সাধাৰণ সম্পাদক যদু কলিতাই আঁত ধৰা উক্ত শুভাৰম্ভ অনুষ্ঠানত টয়লেট ছেটৰ নিৰ্মাণ কাৰ্য শুভাৰম্ভ কৰি মাজুলী জিলা পৰিষদৰ উপ সভানেত্ৰী জুন্টি মিলি পায়েঙে সঠিক প্ৰাককলন অনুসৰি, উন্নত মানদণ্ডৰে, নিৰ্দিষ্ট সময়ত উক্ত টয়লেট ছেটটো নিৰ্মাণ সম্পূৰ্ণ কৰিবলৈ নিৰ্মাণ প্ৰতিষ্ঠানক আহ্বান জনায়। অনুষ্ঠানত মাজুলী জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সঞ্জীৱ বৰাই উক্ত টয়লেট ছেটটোৰ জৰিয়তে বালিচাপৰিৰ মিলিত কৃষ্টি সংঘৰ এটা ডাঙৰ অভাৱ পূৰণ হ'ব বুলি আশা কৰি উন্নত মানদণ্ডৰে নিৰ্মাণ কৰিবলৈ আহ্বান জনায়। বিষয়াজনে মাজুলী জিলা পৰিষদৰ কাৰিকৰী অভিযন্তা দলে প্ৰতি মুহূৰ্তত উক্ত টয়লেট ছেটৰ নিৰ্মাণকাৰ্য তন্ন তন্নকৈ পৰীক্ষা কৰি থাকিব বুলি উল্লেখ কৰে। অনুষ্ঠানত পুতুল চন্দ্ৰ মহন্ত, লীলা কান্ত ভট্টাচাৰ্য, জয়ন্ত নেওগে শুভেচ্ছা মূলক ভাষণ প্ৰদান কৰে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে যদু কলিতাই। উক্ত, শুভাৰম্ভ অনুষ্ঠানত স্থানীয় শতাধিক ৰাইজে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে মাজুলী জিলা পৰিষদৰ ২০২৪-২০২৫ বৰ্ষৰ বিত্তীয় পুঁজিৰ ৬ লাখ টকাৰে উক্ত টয়লেট ছেটটো নিৰ্মাণ কৰা হ'ব বুলি জিলা পৰিষদৰ সদস্যা জুন্টি মিলি পায়েঙে আজি জানিবলৈ দিছে।

# বিটিচিত এয়াৰ টেক্সি আৰু এয়াৰ এম্বুলেন্স সেৱাৰ প্ৰৱৰ্তন কৰাৰ দিশত আগবাঢ়িছে মুনমুন সিংহ চৌধুৰীয়ে

## এগৰাকী কৰ্মোদ্যমী যুৱতীৰ অদম্য চেষ্টাত বহুতোৰ জীৱনলৈ কঢ়িয়াই আনিছে সফলতা



**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ৩০ অক্টোবৰ ঃ** গোসাঁইগাঁও সদৰ চহৰত 'এয়াৰ বড়োলেণ্ড' নামৰ এটা সংস্থা স্থাপন কৰি গোসাঁইগাঁও মহকুমাৰ বিভিন্ন প্ৰান্তৰ যুৱক যুৱতীক বিমান সেৱা ক্ষেত্ৰত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰি বিটিচি অঞ্চলৰ শিক্ষিত যুৱক যুৱতীৰ উজ্জ্বল ভৱিষ্যত গঢ়াৰ এক সুযোগ কৰি দিছে। ইয়াৰ উপৰি সম্প্ৰতি তেওঁ ট্যুৰিজম ক্ষেত্ৰতো পদাৰ্পণ কৰি ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰতি দেশ বিদেশৰ পৰ্যটক সকলৰ দৃষ্টি আকৰ্ষণ কৰাৰ বাবে বিভিন্ন পন্থা গ্ৰহণ কৰিছে। তদুপৰি তেওঁৰ ঐকান্তিক প্ৰচেষ্টাত আৰু আন্তঃৰাষ্ট্ৰীয় বিমান সংস্থাৰ উদ্যোগত অলপ সময়ৰ ভিতৰতেই ৰূপসী বিমানবন্দৰৰ পৰা এখন এয়াৰ টেক্সি আৰু এখন এয়াৰ এম্বুলেন্স সেৱাৰ প্ৰৱৰ্তন কৰা হ'ব।৬ আসন যুক্ত এয়াৰ টেক্সি (হেলিকপ্টাৰ) আৰু ৮ আসন যুক্ত এয়াৰ এম্বুলেন্সৰ সুবিধা থকা হেলিকপ্টাৰ সেৱা বিটিচিৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ ৰাইজৰ বাবে মুকলি কৰা হ'ব বুলি আজি সাংবাদিকৰ আগত প্ৰকাশ কৰে মুনমুন সিংহ চৌধুৰীয়ে। তেওঁৰ এই উদ্যম আৰু উচ্চাকাঙ্ক্ষাই নাৰী সমাজৰ বাবে অনুকৰণীয় আৰু সমাজৰ পাছপৰা সকলক অনুপ্ৰাণিত কৰাৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাব বুলি সচেতন ৰাইজে মত প্ৰকাশ কৰিছে।

# নিচাসক্ত বেটাৰী ৰিস্কা চালকৰ দ্বাৰা মহিলাক অপহৰণৰ চেষ্টা

## গোলাঘাটত চাঞ্চল্যকৰ ঘটনা

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৩০ অক্টোবৰ ঃ** গোলাঘাট নগৰত দিন দুপৰতে সংঘটিত হ'ল এক চাঞ্চল্যকৰ ঘটনা। এগৰাকী মহিলাক দুজন নিচাসক্ত বেটাৰী ৰিস্কাৰ চালকে অপহৰণৰ চেষ্টা চলোৱা ঘটনাই সকলোকে স্তম্ভিত কৰি তুলিছে। ভয় আৰু আতংকত ত্ৰস্তমান মহিলাগৰাকীয়ে চলন্ত বেটেৰী ৰিস্কাৰ পৰা কথমপি জঁপিয়াই ৰক্ষা কৰে নিজকে। গোলাঘাট চহৰৰ কৃষ্ণ নগৰৰ এইগৰাকী মহিলাই এখন ব্যক্তিগত নাৰ্চিং হোমত চিকিৎসাধীন হৈ থকা আত্মীয়ৰ খবৰ কৰি ঘৰলৈ বুলি এখন বেটেৰী ৰিস্কাত উঠিল। ৰিস্কাখনত থকা দুজন চালকে নিজা ভাষাত কথা পাতি মহিলাগৰাকীৰ ঘৰলৈ যোৱা বাটেৰে নিনি বেলেগ এটা পথেৰে তীব্ৰ বেগত লৈ যাওঁতেই মহিলাগৰাকীয়ে বাধা দিয়ে। কিন্তুত মহিলা গৰাকীৰ কথালৈ কৰ্ণপাত নকৰি চালক দুজনে ভাবুকি প্ৰদান কৰাত মহিলা গৰাকি উপায়হীন হৈ চলন্ত বেটেৰী ৰিস্কাৰ পৰা প্ৰাণৰ মমতাত জঁপিয়াই দিয়ে নিলাক্ষী বৰুৱা নামৰ মহিলা গৰাকীয়ে। যাৰ ফলত গুৰুতৰভাৱে আঘাত প্ৰাপ্ত হয় মহিলাগৰাকী। পাছত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ দুয়োজন বেটেৰী চালকক আটক কৰে। এই ঘটনাৰ পাছত তীব্ৰ চাঞ্চল্য সৃষ্টি হৈছে গোলাঘাট। মহিলা যুৱতীৰ নিৰাপত্তাক লৈও উঠিছে প্ৰশ্ন উত্থাপন হৈছে সচেতন মহলত।

# আমগুৰিৰ মহাবিদ্যালয়ত "জ্ঞানোদ্দীপক বঁটা ২০২৫" প্ৰদান

## চলিত বৰ্ষৰ বঁটা লাভ মেধাবী ছাত্ৰী প্ৰীতি শইকীয়াৰ

**অসম বাৰ্তা, আমগুৰি, ৩০ অক্টোবৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰি মহাবিদ্যালয়ত প্ৰয়াত মোহন চন্দ্ৰ বৰঠাকুৰ আৰু সাবিত্ৰী দেৱীৰ স্মৃতিত আগবঢ়োৱা "জ্ঞানোদ্দীপক বঁটা-২০২৫" লাভ কৰিছে মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ ছাত্ৰী প্ৰীতি শইকীয়াই। মহাবিদ্যালয়ৰ অৰুণ মহন সোঁৱৰণী প্ৰেক্ষাগৃহত আজি অনুষ্ঠিত বঁটা প্ৰদান অনুষ্ঠানত প্ৰীতি শইকীয়াক এটি স্মাৰক, লিখন সামগ্ৰী আৰু নগদ ধনৰে সৈতে "জ্ঞানোদ্দীপক বঁটা-২০২৫" প্ৰদান কৰা হয়। বঁটা প্ৰদান অনুষ্ঠানৰ আঁত ধৰে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ড° মালা হাজৰিকাই। বঁটা বাছনি সমিতিৰ সদস্য যদুপ্ৰসাদ গোস্বামী আৰু দিগন্ত খাৰঘৰীয়ায়ে ইয়াৰ লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত বক্তব্য প্ৰদান কৰে। চলিত বৰ্ষৰ বাবে নিৰ্বাচিত হোৱা প্ৰীতি শইকীয়াক বঁটাটি প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষা ড° নীহাৰিকা দুৱৰা, উপাধ্যক্ষা ড° দীপামণি বৰঠাকুৰ, আউনীআটীয় হেমচন্দ্ৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ অমৰজ্যোতি বৰঠাকুৰ আৰু দাতা পৰিয়ালৰ সদস্যসকলে। অনুষ্ঠানত মহাবিদ্যালয়খনৰ উপাধ্যক্ষা ড° দীপামণি বৰঠাকুৰ আৰু অধ্যাপক ত্ৰিলোচন বৰাই অনুষ্ঠানত বক্তব্য আগবঢ়ায়। বঁটা প্ৰদান অনুষ্ঠানত অঞ্চলটোৰ বিভিন্নজন শিক্ষানুৰাগী, শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

# শিৱসাগৰত জিলা আয়ুক্তৰ অধ্যক্ষতাত এগ্ৰি ষ্টেকৰ অন্তৰ্গত ডিজিটেল ক্ৰপ চাৰ্ভে, কৃষক পঞ্জীয়ন প্ৰক্ৰিয়াৰ অগ্ৰগতিৰ পৰ্যালোচনা বৈঠক সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ৩০ অক্টোবৰ ঃ** সমগ্ৰ দেশ তথা ৰাজ্যজুৰি ভাৰত চৰকাৰৰ কৃষি মন্ত্ৰণালয়ৰ অধীনস্থ এগ্ৰি ষ্টেক (Agri Stack)ৰ অন্তৰ্গত অব্যাহত থকা ডিজিটেল ক্ৰপ চাৰ্ভে আৰু কৃষক পঞ্জীয়নৰ অগ্ৰগতি সন্দৰ্ভত আলোচনা কৰাৰ অৰ্থে শিৱসাগৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত জিলা আয়ুক্ত আয়ুষ গৰ্গৰ অধ্যক্ষতাত আজি এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলা আয়ুক্ত গৰাকীয়ে ডিজিটেল ক্ৰপ চাৰ্ভে আৰু কৃষক পঞ্জীয়নৰ কাম-কাজসমূহ ত্বৰান্বিত কৰি নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ আহ্বান জনায়। এই ক্ষেত্ৰত কৃষকসকলৰ ঘৰে ঘৰে গৈ প্ৰয়োজনীয় জৰীপৰ কামকাজ শুদ্ধভাবে আৰু ক্ষিপ্ৰতাৰে সম্পন্ন কৰিবলৈও তেওঁ সংশ্লিষ্টসকলক আহ্বান জনায়। ডিজিটেল ক্ৰপ চাৰ্ভেৰ সময়ত সন্মুখীন হোৱা সমস্যাসমূহ সমাধানৰ উপায়ৰ বিষয়েও বৈঠকত পুংখানুপুংখকৈ আলোচনা কৰা হয়। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত (কৃষি) লুকুমণি বড়া; শিৱসাগৰ, নাজিৰা আৰু ডিমৌ ৰাজহ চক্ৰৰ চক্ৰ বিষয়াত্ৰয় নেকিব চাঈদ বৰুৱা, চন্দনা বৰুৱা আৰু অংকন জ্যোতি ফুকন, জিলা কৃষি বিষয়া আছিফ বড়া, সহকাৰী সঞ্চালক অমৃত শইকীয়া, এগ্ৰি ষ্টেকৰ ন'ডেল বিষয়া লুটুমণি গগৈ প্ৰমুখ্যে সংশ্লিষ্ট বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

মুখ্য অতিথি কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী

# কামৰূপ জিলাৰ নৱগঠিত ছমৰীয়া সমষ্টিৰ জামবাৰীৰ প্ৰীতিপুৰত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযান আঁচনিৰ শুভাৰম্ভণি

**অসম বাৰ্তা, বকো, ৩০ অক্টোবৰ ঃ** ৰাজ্যৰ লাখ লাখ মহিলাক মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ জৰিয়তে স্বাৱলম্বী কৰাৰ সংকল্প ৰাজ্য চৰকাৰৰ। আজিৰে পৰা শুভাৰম্ভ হৈছে কামৰূপ জিলাত এই আঁচনি। আজি নৱগঠিত ছমৰীয়া সমষ্টিৰ পৰাই এই অভিযানৰ আৰম্ভণি হয়। ছমৰীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত জামবাৰীৰ প্ৰীতিপুৰ মিলনপথাৰ ক্ৰীড়া প্ৰাঙ্গণত হাজাৰ হাজাৰ আত্মসহায়ক গোটৰ মহিলাৰ উপস্থিতিত চেক বিতৰণ কৰে মুখ্য অতিথি ৰূপে উপস্থিত থকা কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীয়ে। ৰাজ্যত আৰ্থিকভাৱে জুৰুলা আৰু মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ অৰ্হতা সম্পন্ন আত্মসহায়ক গোটৰ প্ৰতিগৰাকী আইমাতৃ সকলৰ মাজত এই চেক বিতৰণ কৰা হয়। আজি সমষ্টিটোৰ অন্তৰ্গত ২৩ হাজাৰৰো অধিক মহিলাৰ মাজত চেক বিতৰণ কৰি মন্ত্ৰী পাটোৱাৰীয়ে ভাষণত কয় যে, এই দহ হাজাৰ টকাৰ সদ ব্যৱহাৰ কৰি মহিলাসকল লাভান্বিত হ'ব। সবল মহিলা, সবল সমাজ আৰু এখন ঘৰ পৰিচালনা কৰাৰ ক্ষেত্ৰত এই ধনৰাশিয়ে সহায় কৰিব বুলি কয়। অসম চৰকাৰৰ পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ উদ্যোগত, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ সহযোগত অনুষ্ঠিত হয় সভা। ইফালে, সভাত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি, ছয়গাঁৱৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ, বকোৰ বিধায়িকা নন্দিতা দাস, জিলা আয়ুক্ত দেব কুমাৰ মিশ্ৰ, কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, বিশিষ্ট সমাজ কৰ্মী অঞ্জন গোস্বামীৰ লগতে আমন্ত্ৰিত অতিথি উপস্থিত থাকে।

উত্তপ্ত পৰিস্থিতি; আটক শ্বপিং মলৰ কৰ্মচাৰী ৰিপন আহেমদ

# শ্বপিং মলৰ মহিলা ট্ৰায়েল ৰুমত গোপন কেমেৰা উদ্ধাৰ

**অসম বাৰ্তা, বৰপেটাৰোড, ৩০ অক্টোবৰ ঃ** বৰপেটাৰোডৰ ৰিলাইন্স ট্ৰেণ্ডচ শ্বপিং ম'লত সংঘটিত হয় এক জঘন্য কাণ্ড। মহিলা ট্ৰায়েল ৰুমত মোবাইল কেমেৰাৰে যুৱতীক ভিডিও ৰেকৰ্ড কৰাৰ ভয়ংকৰ অভিযোগ কৰ্মচাৰীৰ বিৰুদ্ধে। শ্বপিং মলৰ মহিলা ট্ৰায়েল ৰুমত গোপন কেমেৰা উদ্ধাৰ পাছতে শ্বপিং মলৰ সন্মুখত উত্তপ্ত পৰিস্থিতি সৃষ্টি হয়। বৰপেটাৰোডৰ Reliance ট্ৰেণ্ডচ নামৰ শ্বপিং মলত সংঘটিত হৈছে এই জঘন্য ঘটনা। শ্বপিং মলটোৰ এগৰাকী কৰ্মচাৰীয়ে মহিলা ট্ৰায়েল ৰুমৰ গোপন স্থানত মোবাইল কেমেৰা ৰাখি এগৰাকী যুৱতীয়ে কাপোৰ সলনি কৰি থকা মুহূৰ্তৰ ভিডিও ৰেকৰ্ড কৰাৰ ভয়ঙ্কৰ অভিযোগ। ইয়াৰ পিছতে শ্বপিং মলৰ সন্মুখত উত্তপ্ত পৰিস্থিতি সৃষ্টি হয়। শ্বপিং মলটোত কৰ্মৰত ৰিপন আহেমদ নামৰ এগৰাকী কৰ্মচাৰীয়ে সংঘটিত কৰিছে এই জঘন্য ঘটনা। ঘটনা সম্পৰ্কে আৰক্ষীক খবৰ দিয়াত বৰপেটাৰোড আৰক্ষী উপস্থিত হৈ ৰিপন আহমেদ নামৰ কৰ্মচাৰী গৰাকীক আটক কৰি আৰক্ষী থানালৈ লৈ যায়। ৰিপন আহমেদৰ ঘৰ সৰভোগত বুলি জানিব পৰা গৈছে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও এইগৰাকী ৰিপন আহমেদ নামৰ যুৱক গৰাকীয়ে সৰভোগত এগৰাকী শিক্ষয়িত্ৰীৰ গা ধোৱা ভিডিঅ ৰেকৰ্ডিং কৰি ৰঙাঘৰৰ আলহী হৈছিল। বৰপেটাৰোড আৰক্ষীয়ে ইতিমধ্যে সমগ্ৰ ঘটনাৰ তদন্ত আৰম্ভ কৰিছে।

কচুৱাৰ লংজাপ পদুমণি গাঁৱত উচ্ছেদক সমৰ্থন

# উচ্ছেদৰ জাননী দিয়াৰ পিছত চৰকাৰী ভূমিৰ পৰা নিজে নিজেই বাসগৃহ ভাঙি আঁতৰিল

**অসম বাৰ্তা, কচুৱা, ৩০ অক্টোবৰ ঃ** নগাঁও জিলাৰ কামপুৰ বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত কচুৱাৰ লটুমাৰী সংৰক্ষিত বনাঞ্চলত অবৈধ বাবে চৰকাৰী ভূমি বেদখল কৰি বসবাস কৰা লোকলৈ নগাঁও বন বিভাগে উচ্ছেদৰ জাননী দিয়াৰ পিছত উচ্ছেদক সমৰ্থন কৰি চৰকাৰী ভূমিত অবৈধ ভাবে বসবাস কৰা বহু লোকে ঘৰ-দুৱাৰ ভাঙি অন্য স্থানলৈ আঁতৰি গৈছে। উল্লেখ্য যে লটুমাৰী সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত বহু কেইখন গাঁৱত উচ্ছেদৰ জাননী দিয়া হৈছে। বিভিন্ন গাঁৱৰ সমান্তৰালকৈ লংজাপ পদুমণি গাঁৱত ২৫টা পৰিয়াললৈ ১৫ দিনৰ ভিতৰত চৰকাৰী ভূমি খালী কৰিবলৈ জাননী দিয়াৰ পিছত উচ্ছেদক সমৰ্থন কৰি বাসগৃহ ভাঙি আঁতৰি যায় উক্ত স্থানৰ পৰা। উচ্ছেদক সমৰ্থন কৰি লোকসকল আঁতৰি গৈছে যদিও পৰিয়াল সমূহৰ থাকিবলৈ ভূমি নথকাত চৰকাৰক অন্য ঠাইত সংস্থাপনৰ ব্যৱস্থা কৰি দিবলৈ আহ্বান জনায়। ইপিনে বহু লোকে উক্ত ঠাইৰ পৰা আঁতৰি গৈ শিবিৰ পাতি আশ্ৰয় লোৱা বুলি জানিব পৰা গৈছে।

# হাজোৰ বাগটাত শ্ৰীশ্ৰী জগদ্ধাত্ৰী পূজা উপলক্ষে ধৰ্মীয় শোভাযাত্ৰা



**অসম বাৰ্তা, হাজো, ৩০ অক্টোবৰ ঃ** হাজোৰ-বাগটাত শ্ৰীশ্ৰী জগদ্ধাত্ৰী পূজা উপলক্ষে এক ধৰ্মীয় জলযাত্ৰা-সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। এই বৰ্ণাঢ্য জলযাত্ৰা-সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে বিজেপিৰ ৰাজ্যিক সম্পাদক ৰাতুল শৰ্মাই। এই বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা শুভ উদ্বোধন কৰি বিজেপিৰ ৰাজ্যিক সম্পাদক ৰাতুল শৰ্মাই কয়, শোভাযাত্ৰা মূলতঃ এক জীৱন্ত আৰু গতিশীল উদযাপন। যিয়ে ৰাজহুৱা স্থানবোৰৰ ঐতিহ্য আৰু ঐক্যৰ জীৱন্ত চিত্ৰলৈ ৰূপান্তৰিত কৰে। এই শোভাযাত্ৰা কেৱল এটা পদযাত্ৰাই নহয়, বৰঞ্চ সংস্কৃতি সংৰক্ষণৰ এক শক্তিশালী আৰু সমূহীয়া প্ৰকাশ। সাংস্কৃতিক জগতৰ মোহময়ী অভিনেত্ৰী প্ৰস্তুতি পৰাশৰ, কণ্ঠশিল্পী কমলিকা কাশ্যপ আৰু অভিনেত্ৰী মিনাক্ষী ডেকাই অংশ গ্ৰহণ কৰা এই বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাই বৃহত্তৰ বাগটা অঞ্চল মুখৰিত কৰি তোলে। উল্লেখ্য যে, পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্য্যসূচীৰে অনুষ্ঠিত বাগটাবাসী ৰাইজৰ শ্ৰীশ্ৰীজগদ্ধাত্ৰী পূজাৰ আজি নৱমী পূজা। নৱমীবিহিত পূজাৰ কাৰ্যসূচী অনুসৰি বৃহত্তৰ বাগটাবাসী ৰাইজৰ অংশ গ্ৰহণত হাতী লৈ উলিওৱা বিশাল ধৰ্মীয় শোভাযাত্ৰাত কেইবাটাও সাংস্কৃতিক গোষ্ঠীয়ে ভাগ লয়। আনহাতে এই শোভাযাত্ৰাত অংশগ্ৰহণ কৰি অভিনেত্ৰী প্ৰস্তুতি পৰাশৰে জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় সম্পৰ্কে কয় যে অসমৰ ৰাইজে জানিবলৈ বিচাৰে আচলতে চিংগাপুৰত সেইদিনা কি ঘটিছিল। কি পৰিস্থিতিত পৰি প্ৰাণৰ শিল্পী গৰাকীক হেৰুৱাব লগা হ'ল সেই কথা পোহৰলৈ অহাটো সকলোৱে বিচাৰে। লগতে দোষীয়ে উচিত শাস্তি পাব লাগিব বুলিও কয় অভিনেত্ৰী প্ৰস্তুতি পৰাশৰে।

# হোজাই জিলা কৃষক মুক্তিৰ প্ৰতিক্ৰিয়া

## ডবকা যমুনা নদীত দুষ্ট চক্ৰই বিষাক্ত দ্ৰব্যৰে নিধন কৰিছে মাছ

**অসম বাৰ্তা, ডবকা, ৩০ অক্টোবৰ ঃ** হোজাই জিলাৰ ডবকা অঞ্চলৰ যমুনা নদীত প্ৰতি বছৰৰ নিচিনা কিছু অসাধু চক্ৰই বিষাক্ত দৰৱ পেলাই মৎস্য নিধনৰ ঘটনা সংঘটিত কৰিছে বুলি স্থানীয় ৰাইজৰ লগতে হোজাই জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে এই ঘটনাৰ তীব্ৰ নিন্দা জনাই সংশ্লিষ্ট বন বিভাগক অতি শীঘ্ৰে পদক্ষেপ গ্ৰহণৰ আহ্বান জনাইছে। হোজাই জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সম্পাদক হিলাল আহমদ আৰু ডবকা আঞ্চলিক কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সভাপতি ফৰিজ উদ্দিন লস্কৰে ডবকা আঞ্চলিক বন বিষয়াক প্ৰেৰণ কৰা এক ৰাজহুৱা অভিযোগ পত্ৰত উল্লেখ কৰিছে যে, যমুনা নদীত প্ৰতি বছৰেৰে দৰে এইবাৰো ২৭ অক্টোবৰত কিছু দুষ্ট চক্ৰই বিষাক্ত দৰৱ ব্যৱহাৰ কৰি মাছ নিধন কৰিছে। লগতে নদীপাৰৰ কিছুমান লোকে নদীৰ ওপৰত শৌচালয় ব্যৱহাৰ কৰি যমুনা নদীৰ পানী দূষিত কৰাৰ অভিযোগ তুলিছে। এই সন্দৰ্ভত স্থানীয় ৰাইজৰ লগতে হোজাই জিলা কৃষক মুক্তিৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে দোষীক চিনাক্ত কৰি কঠোৰ শাস্তি দিয়াৰ লগতে নদীৰ পৰিবেশ সুৰক্ষাৰ বাবে বন বিভাগক তৎপৰ ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

# বঙাইগাঁৱৰ ৰাজপথত দাউদাউকৈ জ্বলি উঠিল ১০৮ মৃত্যুঞ্জয় সেৱাৰ বাহন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৩০ অক্টোবৰ ঃ** বঙাইগাঁৱত সংঘটিত হৈছে এক ভয়ংকৰ ঘটনা। ৰাজপথত দাউদাউকৈ জ্বলি উঠিল ১০৮ মৃত্যুঞ্জয় সেৱাৰ বাহন। জিলাখনৰ কিষাণ বজাৰৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাই পথত সংঘটিত হৈছে এই ভয়ংকৰ ঘটনা। আজি পুৱতি নিশা সংঘটিত হোৱা এই ঘটনাৰ পাছতে এতিয়া তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, এই ঘটনাৰ ফলত ১০৮ বাহনৰ চালক প্ৰবীৰ কুমাৰ ৰয় গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। লগে লগে তেওঁক হাস্পাতালত ভৰ্তি কৰা হয়। আহত চালক প্ৰবীৰ কুমাৰ ৰয় সম্প্ৰতি চিকিৎসাধীন হৈ আছে। এই ঘটনাত আন কোনো লোকৰ ক্ষতি হোৱাৰ তথ্য এতিয়ালৈকে আহি পৰা নাই। তথ্য অনুসৰি, দুৰ্ঘটনাত পতিত ১০৮ বাহনখনৰ পঞ্জীয়ন নং: AS01MC 9147 বুলি জানিব পৰা গৈছে। যান্ত্ৰিক বিজুতিৰ বাবে বৃহস্পতিবাৰে পুৱতি নিশা এই ঘটনা সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। বাহনখন ৰোগী লৈ গুৱাহাটীলৈ আহিছিল। ঘটনাৰ সময়ত বাহনখন গুৱাহাটীত ৰোগী থৈ কোকৰাঝাৰৰ কাৰিগাঁও অভিমুখে গৈ আছিল আৰু তেতিয়াই হঠাতে বাহনখন জ্বলি উঠে। এই ঘটনাৰ ফলত বাহনখনৰ বিস্তৰ ক্ষতিসাধন হয়। ঘটনা সংঘটিত হোৱাৰ লগে লগে স্থানীয় লোকে অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়ে। পৰৱৰ্তী সময়ত অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হৈ জুই নুমুৱাবলৈ সক্ষম হয়। এই ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনা সন্দৰ্ভত বৰ্তমান আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। তদন্তৰ অন্তত অধিক তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

# জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কোকৰাঝাৰত 'মায়াবিনী'ৰে বিদায় অনুষ্ঠানৰ আৰম্ভণি

**অসম বাৰ্তা, দোতমা, ৩০ অক্টোবৰ ঃ** জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কোকৰাঝাৰ ত ২০২৩-২৫ শিক্ষাবৰ্ষৰ প্ৰশিক্ষণাৰ্থীসকলৰ বাবে এক সন্মানজনক বিদায় অনুষ্ঠান আয়োজন কৰে। অনুষ্ঠানখন জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কোকৰাঝাৰৰ অধ্যক্ষ মহোদয়, সকলো শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু দুবছৰৰ অধ্যয়ন সম্পূৰ্ণ কৰা প্ৰশিক্ষণাৰ্থী আৰু বৰ্তমান অধ্যয়নৰত প্ৰশিক্ষণাৰ্থীসকলৰ উপস্থিতিত অনুষ্ঠিত হয়। অনুষ্ঠানখনৰ আৰম্ভণি হাৰ্ট'থ্ৰব জুবিন গাৰ্গৰ "মায়াবিনী" সংগীতেৰে আমন্ত্ৰ কৰে। তদুপৰি জুনিয়ৰ প্ৰশিক্ষণাৰ্থীসকলে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান, কবিতা পাঠ, সংগীত আৰু অভিনয়ৰ জৰিয়তে নিজৰ আদৰৰ বয়োজ্যেষ্ঠসকলক সন্মান জনায়। অধ্যক্ষ মহোদয়ে "শিক্ষাৰ অৰ্থ কেৱল পঢ়া-লিখা নহয়, মানৱতা আৰু সৎপথে আগবঢ়াটোও শিক্ষাৰ এক অঙ্গ" বুলি প্ৰশিক্ষণাৰ্থীসকলক বাৰ্তা দিয়ে। তেখেতে সকলো বিদায় লোৱা প্ৰশিক্ষণাৰ্থীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে।



# মৰিগাঁও জিলাত কৰ্মস্থানত যৌন নিৰ্যাতনৰ পৰা সুৰক্ষা বিষয়ক জাগৰণমূলক কাৰ্যসূচী অনুষ্ঠিত



**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ৩০ অক্টোবৰ ঃ** অসম ৰাজ্যিক মহিলা আয়োগৰ উদ্যোগত, ৰাষ্ট্ৰীয় মহিলা আয়োগৰ সহযোগিতাত আজি মৰিগাঁও জিলা প্ৰশাসনে পবিতৰা হাটত "Prevention of Sexual Harassment at Workplace" (কৰ্মস্থানত যৌন নিৰ্যাতনৰ পৰা সুৰক্ষা) শীৰ্ষক এখনি জাগৰণমূলক কাৰ্যসূচী সফলভাৱে আয়োজন কৰে। কাৰ্যসূচীখনৰ আৰম্ভণিতে জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰীয়ে বক্তব্য প্ৰদান কৰে। তেওঁ নিজৰ ভাষণত কয় যে, মহিলাসকলৰ সুৰক্ষিত, সন্মানজনক আৰু নিৰাপদ কৰ্ম পৰিৱেশ নিশ্চিত কৰাটো অতি প্ৰয়োজনীয়। চৰকাৰে মহিলাসকলৰ বাবে যিবোৰ নীতি আৰু আইন প্ৰণয়ন কৰিছে, তাৰ সঠিক প্ৰয়োগ নিশ্চিত কৰিবলৈ সকলো চৰকাৰী আৰু বেচৰকাৰী প্ৰতিষ্ঠানে একেলগে কাম কৰিবলৈ আহ্বান জনায়। লগতে কয় যে, কৰ্মস্থানত যৌন নিৰ্যাতনৰ সমস্যা এক গম্ভীৰ সামাজিক ব্যাধি, যাৰ নিবাৰণ কৰিবলৈ জাগৰণ আৰু জনসচেতনতা দুয়োটা একেলগে আগবাঢ়িব লাগিব। কাৰ্যসূচীৰ পৰৱৰ্তী সময়ত জিলা আয়ুক্ত অনামিকা তেৱাৰী সভাত উপস্থিত হয়। তদুপৰি, অতিৰিক্ত জিলা আয়ুক্ত (মহিলা কোষ) নীতিশা বৰা কাৰ্যসূচীত উপস্থিত থাকে আৰু বিষয়টোৰ ওপৰত বিস্তৃতভাৱে নিজৰ মনোভাৱ প্ৰকাশ কৰে। আজিৰ এই অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ মহিলা অধ্যয়ন বিভাগৰ সহযোগী অধ্যাপিকা ড° পলি ভেকুলিনেও সভাত উপস্থিত হৈ বক্তব্য প্ৰদান কৰে। তেওঁ নিজৰ ভাষণত কৰ্মস্থানত লিংগ সমতা, মানসিক সুৰক্ষা আৰু নৈতিক আচৰণৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁ উল্লেখ কৰে যে, সত্যিকাৰ অৰ্থত মহিলাসকলৰ সুৰক্ষা নিশ্চয় কৰাৰ বাবে সমাজৰ মানসিক দৃষ্টিভংগীৰ পৰিৱৰ্তন অতি প্ৰয়োজনীয়। অতিৰিক্ত জিলা আয়ুক্ত নীতিশা বৰাই নিজৰ বক্তব্যত "Sexual Harassment of Women at Workplace (Prevention, Prohibition and Redressal) Act, 2013" ৰ নীতি সমূহ বুজাই দিয়ে আৰু চৰকাৰী কৰ্মচাৰী তথা বেচৰকাৰী খণ্ডৰ কৰ্মচাৰী সকলক নিজৰ অধিকাৰ আৰু কৰ্তব্য সম্পৰ্কে সজাগ হোৱাৰ আহ্বান জনায়। তেওঁ কয়, কৰ্মস্থানত মহিলাসকলৰ নিৰাপত্তা মানে কেৱল আইনী সুৰক্ষা নহয়, ই সমাজৰ মানসিকতা আৰু নৈতিক সংস্কৃতিৰ প্ৰতিফলন। প্ৰতিজন কৰ্মচাৰীয়ে নিজৰ সহকৰ্মীৰ প্ৰতি সন্মান আৰু সমবেদনা থকা উচিত। কাৰ্যসূচীত উপস্থিত থকা সন্মানীয় ব্যক্তিসকলেও নিজৰ বক্তব্যত মহিলাসকলৰ মানসিক সুৰক্ষা, কৰ্মস্থানৰ ইতিবাচক পৰিৱেশ গঠন আৰু অভিযোগ নিষ্পত্তি প্ৰক্ৰিয়া সম্পৰ্কে আলোচনা কৰে। লগতে মহিলা আয়োগে জনসাধাৰণৰ মাজত সচেতনতা সৃষ্টি কৰাৰ লগতে পীড়িত মহিলাসকলক আইনী আৰু মানসিক সহায় প্ৰদানৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ইতিমধ্যে জিলা মহিলা কোষৰ সদস্যা ৰীনা ডেকা, ৰিণ্টি ভাগৱতী বৰা আৰু প্ৰীতিৰেখা বৰগোহাঁইও নিজৰ বক্তব্যত মহিলাসকলক সাহসীভাৱে আগবাঢ়ি অহাৰ আহ্বান জনায়। তেওঁলোকে কয় যে, যে কোনো নিৰ্যাতনৰ ঘটনা গোপন নকৰি, ন্যায়ৰ বাবে আইনী ব্যৱস্থা গ্ৰহণ কৰা উচিত। আজিৰ এই সভাত বিভিন্ন বিভাগৰ বিষয়াৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী, NGO প্ৰতিনিধি, স্থানীয় মহিলা সংগঠন আৰু বহু সংখ্যক সচেতন নাগৰিকে অংশগ্ৰহণ কৰে।

# বৰপেটাত ভূমিকম্প আৰু অগ্নি নিৰ্বাপন বিষয়ক জিলা-স্তৰীয় মক ড্ৰিল অনুষ্ঠিত

**অসম বাৰ্তা: বৰপেটা সদৰ, ৩০ অক্টোবৰ ঃ** আকস্মিক দুৰ্ঘটনাত ল'ব লগা প্ৰস্তুতি আৰু সজাগতা বৃদ্ধিৰ উদ্দেশ্যে "গ্ৰেট অসম স্কুল শেকআউট প্ৰগ্ৰাম"ৰ অংশ হিচাপে ৩০ অক্টোবৰ তাৰিখে বৰপেটা জিলাত ভূমিকম্প আৰু অগ্নি নিৰ্বাপন বিষয়ক জিলা-স্তৰীয় মক ড্ৰিল আয়োজন কৰা হয়। এই কাৰ্যসূচীৰ জৰিয়তে শিক্ষানুষ্ঠানসমূহত ছাত্ৰ ছাত্ৰীৰ মাজত দুৰ্যোগকালীন সময়ত ল'ব লগা ব্যৱস্থাৱলীৰ বিষয়ে হাতে কামে জ্ঞান আৰু প্ৰশিক্ষণ দিয়া হয়। বিশেষকৈ ভূমিকম্প আৰু অগ্নিকাণ্ড সংঘটিত হ'লে জৰুৰীকালীন ভাৱে ল'ব লগা সাৱধানতা সম্পৰ্কে সজাগতা সৃষ্টি কৰা হয়। শিক্ষা বিভাগ, বৰপেটাৰ সহযোগিতাত আয়োজিত এই অনুশীলন ৮খন নিৰ্বাচিত বিদ্যালয়ত সম্পন্ন হয় — পিএম শ্ৰী ১১২২ নম্বৰ বৰপেটা নাৰ্ছাৰী কাম প্ৰাইমাৰী স্কুল, হাউলি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, সৰ্থেবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, কেয়টকুচি এমভি স্কুল, চেঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়, লাংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়, ৮২৯ নম্বৰ পাটিলকুচি এমই স্কুল আৰু ৮২৭ নম্বৰ খৈৰাবাৰী এলপি স্কুল। মক ড্ৰিলত ছাত্ৰ-ছাত্ৰী, শিক্ষক, বিদ্যালয়ৰ ফোকেল পইণ্ট শিক্ষক, আৰু প্ৰতিষ্ঠান প্ৰধানসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। সকলো বিদ্যালয়তে দুৰ্ঘটনা সময়ত সঠিক ব্যৱস্থাপনা প্ৰদৰ্শন কৰাৰ বাবে এক সংগঠিত অনুশীলন সম্পন্ন হয়। এই মক ড্ৰিলত অসম ৰাজ্যিক দুৰ্ঘটনা ব্যৱস্থাপনা কৰ্তৃপক্ষ (ASDMA)ৰ নিযুক্ত ৰাজ্যিক ন'ডেল বিষয়া তথা অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্ঘটনা ব্যৱস্থাপনা বিভাগৰ অৱৰ সচিব আৰু প্ৰশাসনিক বিষয়া শ্ৰী সঞ্জীৱ চহৰীয়াই উপস্থিত থাকে। এই কাৰ্যসূচীটো জিলা দুৰ্ঘটনা ব্যৱস্থাপনা কৰ্তৃপক্ষ (DDMA), বৰপেটা জিলাৰ প্ৰকল্প বিষয়া জিয়াুৰ ৰহমান আহমেদৰ নেতৃত্বত আয়োজিত হয়। এই অনুশীলনত সকলো ৰাজহ চক্ৰৰ ফিল্ড অফিচাৰ, DDMAৰ কৰ্মচাৰী, অগ্নিনিৰ্বাপন সেৱাৰ বিষয়া কৰ্মচাৰী, ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ (SDRF), জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ (DDRF)লগতে কমিউনিটি কুইক ৰেছপন্স টীম (CQRT)ৰ সদস্যসকলে অংশগ্ৰহণ কৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালতত হে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন